৫ম সংখ্যা ঃ ৮ মাৰ্চ, ২০২০

# ঈক্ষা
# *Eeksha*

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়




**সম্পাদকদ্বয়**
ডº মীনাক্ষী চমুৱা
ডº ৰুবী বৰুৱা

# সম্পাদনা সমিতি



ড° সূৰ্য চুটীয়া
পৃষ্ঠপোষক
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়



ড° ৰূপালী গগৈ
উপদেষ্টা
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ



ড° বন্দনা পূজাৰী
মুখ্য উপদেষ্টা



ড° দিপীকা ভট্টাচাৰ্য
উপদেষ্টা



ময়ূৰী শৰ্মা বৰুৱা
উপদেষ্টা



ড° মীনাক্ষী চমুৱা
সম্পাদক



ড° ৰুবী বৰুৱা
সম্পাদক

## চিত্ৰাংকন প্ৰতিযোগিতা ঃ নাৰী আৰু সমাজ



দিপ্তী গুপ্তা



চাবানা খাতুন



সুমন কুমাৰী পাচী

# ঈক্ষা
*Eeksha*

৫ম সংখ্যা ঃ ৭ মাৰ্চ, ২০২০

TINSUKIA COLLEGE LIBRARY
ESTD 1956

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়

# ঈক্ষা

পঞ্চম সংখ্যা, ২০২০ : তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপন কোষ (IQAC) ৰ আংশিক অৰ্থসাহায্যত 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ দ্বাৰা প্ৰকাশিত দ্বি-ভাষিক আলোচনী।

পৃষ্ঠপোষক : ড০ সূৰ্য চুতীয়া
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়।

উপদেষ্টা : ড° বন্দনা পূজাৰী
ড° ৰূপালী গগৈ
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ।
ড° দীপিকা ভট্টাচাৰ্য্য
ময়ূৰী শৰ্মা বৰুৱা

সম্পাদক : ড° মীনাক্ষী চমুৱা
ড° ৰুবী বৰুৱা

সদস্য : ড° শাশ্বতী ফুকন
ড° মমী শ্যাম
জয়লক্ষ্মী দত্ত

বেটুপাত : চাবানা খাতুন

মূল্য : ৫০.০০ টকা

মুদ্ৰণ : অসম এণ্টাৰপ্ৰাইজেজ্
কলেজ পথ, পৰ্বতীয়া
তিনিচুকীয়া

প্ৰবন্ধসমূহত প্ৰকাশিত মন্তব্যৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# অৰ্পণ

আমাৰ মহাবিদ্যালয়খনক
গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা
প্ৰাক্তন অধ্যক্ষ হীৰানাথ ভট্টাচাৰ্যদেৱ
আৰু
সুখেন চক্ৰৱৰ্তীদেৱ
প্ৰমূখ্যে মহাবিদ্যালয়ৰ
সকলো প্ৰয়াত শিক্ষকৰ
অনবদ্য অৱদান সুঁৱৰি
তেখেতসকলৰ পৱিত্ৰ স্মৃতিত
'ঈক্ষা'ৰ
এই সংখ্যাটো অৰ্পণ কৰা হ'ল।

OFFICE OF THE PRINCIPAL

Ph. : 0374-2338340

# TINSUKIA COLLEGE

TINSUKIA - 786 125 (ASSAM)

Estd. : 1956

Website : www.tinsukiacollege.com

E-mail : principaltinsukiacollege@rediffmail.com

*Ref. No.* T/C........................

*Date.05-03-2020*

## শুভেচ্ছাবাণী

পৰিবৰ্তন আৰু গতিশীলতাই হৈছে জগতৰ চিৰন্তন ধৰ্ম। সময়ৰ গতিশীলতাত মানুহৰ ভাৱ-চিন্তা, কৰ্মপৰিধি, প্ৰকৃতি আদি সকলোৰে পৰিবৰ্তন স্বীকাৰ কৰিও নিজৰ ভাষা-সংস্কৃতি, ঐতিহ্য-পৰম্পৰাৰ স্বকীয়তা বৰ্তাই ৰাখিবলৈ চেষ্টা কৰাটো আমাৰ সকলোৰে বাবে প্ৰয়োজনীয়। কেৱল যদি আনক অনুকৰণ আৰু অনুসৰণ কৰাতেই আমি ব্যস্ত থাকো, তেনেহ'লে আমাৰ নিজস্বতা সময়ৰ সোঁতত এদিন হেৰাই যাব। সেইবাবে সীমাবদ্ধতাৰ মাজতো সামৰ্থ অনুযায়ী আমি সকলোৱে নিজৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতাৰে কাম কৰি যোৱাৰ প্ৰয়াস কৰিব লাগিব আৰু নতুন প্ৰজন্মক ইয়াৰ বাবে উৎসাহিত কৰিব লাগিব।

এখন মহাবিদ্যালয় হৈছে ভিন্ন ভিন্ন সাংস্কৃতিক ঐতিহ্য-পৰম্পৰা আৰু পৰিবেশৰ পৰা অহা বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ এক সমন্বয়ৰ থলী। মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী আৰু পত্ৰিকাসমূহে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৌদ্ধিক বিকাশ আৰু চৰ্চাৰ মঞ্চ হিচাপে কাম কৰাৰ উপৰিও মহাবিদ্যালয়ত শৈক্ষিক বাতাবৰণ অক্ষুন্ন ৰখাত উল্লেখযোগ্য বৰঙণি যোগায়।

মই জানিব পাৰি আনন্দিত যে বিগত বৰ্ষসমূহৰ দৰে এই বছৰো তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ' এ আগন্তুক আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি 'ঈক্ষা' আলোচনীখনৰ এটি নতুন সংখ্যা প্ৰকাশ কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আশা কৰিছোঁ ছাত্ৰ-ছাত্ৰীসকলৰ অনুভৱৰ চিন্তাশীল লেখাৰ উপৰিও অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মূল্যবান ৰচনাৰে সমৃদ্ধ হৈ 'ঈক্ষা'ৰ এই সংখ্যাটি আটকধুনীয়াকৈ প্ৰকাশিত হ'ব। সম্পাদনা সমিতিকে আদি কৰি কোষৰ সকলো সদস্যৰ লগতে আলোচনীখনৰ এই সংখ্যাটি প্ৰকাশৰ সৈতে জড়িত থকা সমূহ ব্যক্তি আৰু প্ৰতিষ্ঠানক মোৰ অভিনন্দন জনালোঁ। লগতে আগন্তুক নাৰী দিৱসৰ শুভেচ্ছা আৰু ওলগ যাচিলোঁ।

ধন্যবাদেৰে —

ড০ সূৰ্য চুতীয়া

অধ্যক্ষ

## সমন্বয়কৰ দুৱাষাৰ

মই আই বুলি মতাৰ পৰা মোক আই বুলি মতালৈকে এক দীঘল পৰিক্ৰমা। এই পৰিক্ৰমাত বহু আচাৰ-বিচাৰৰ লগতে বহু সংস্কাৰ শিকিলোঁ, বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'লোঁ। প্ৰতিটো নতুনত্বৰ সন্মুখীন অথবা প্ৰতিটো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হওঁতেই যেন এই সংস্কাৰসমূহে মোক বহু সহায় কৰিছে — মোৰ এনে লাগে। কেতিয়াবা এনে লাগে বহু ক্ষেত্ৰত পুৰুষ-মহিলাৰ সম অধিকাৰৰ লগত এই সংস্কাৰসমূহে কোনোবাখিনিত উজুটি খাই ৰৈ গৈছে। মই যিখন ঘৰত লালিত পালিত হ'লোঁ, সেই ঘৰখনত মই কোনো দিনেই ভাই-ককাইৰ সৈতে বাই-ভনীকেইজনীয়ে পোৱা সুবিধাসমূহ বা ব্যৱহাৰৰ ভিন্নতা নাছিলে। তথাপিও ক'ব খোজোঁ বৈবাহিক সূত্ৰে মই যিখন গাঁৱৰ বোৱাৰী, সেইখন গাঁৱৰ প্ৰতিগৰাকী ব্যক্তিয়ে মোক এগৰাকী শিক্ষিতা বোৱাৰী বুলিয়েই গ্ৰহণ কৰিছে। কিন্তু আইৰ ঘৰত মই যি সংস্কাৰ দেখি আহিছোঁ, সেই সূত্ৰে মই মোৰ জ্যেষ্ঠজনৰ আগত সমানে বহিবলৈ সংকোচ ওপজে; যিটো আমাৰ সমাজত প্ৰচলিত এক উদাহৰণ মাত্ৰ। এই সংকোচে কিন্তু মোৰ মান তললৈ নিছে যেন মোৰ ভাব নহয় — বৰঞ্চ সমাজখনৰ লগত আপোন হৈ খাপ খাবলৈ মোৰো সুবিধা হৈছে আৰু সকলো ৰাইজে মোক আদৰি লবলৈ বেয়া পোৱা নাই।

গতিকে মই উঠি অহা প্ৰজন্মটোক সম অধিকাৰৰ লগতে কিছুমান সংস্কাৰ শিকালেহে সমাজখন সুস্থিৰভাৱে আগবাঢ়িব আৰু যুৱ উচ্ছৃংখলতাও কিছু পৰিমাণে কমিব যেন লাগে। গতিকে মহিলাসকল নিজৰ অধিকাৰৰ প্ৰতি বিভিন্ন দিশেৰে সজাগ হোৱাৰ লগতে নিজৰ পৰিয়ালৰ, নিজৰ সমাজখনৰ আৰু নিজৰ জাতিটোৰ সংস্কাৰৰ কথাও চিন্তা কৰিবৰ সময় আহি পৰিছে।

তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে' যি লক্ষ্য আগত ৰাখি 'ঈক্ষা' প্ৰকাশ কৰি আহিছে সেই চেষ্টা অব্যাহত থাকক আৰু সফল হওক। এই সফলতাৰ মাপকাঠিডাল পাঠকসমাজৰ হাতত অৰ্পণ কৰিলোঁ। কাৰণ প্ৰতিটো সংখ্যাৰ দোষ-ত্ৰুটিবোৰ পাঠকসমাজে আঙুলিয়াই দিলেহে 'ঈক্ষা'ৰ পূৰ্ণতা প্ৰাপ্তিত সহায় হ'ব, সেয়েহে পাঠকৰ এই উপদেশ আৰু প্ৰতিপুষ্টিসমূহ আমাৰ কাম্য।

শেষত তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ সমন্বয়ক হিচাপে সকলো সদস্যাৰ হৈ বিভিন্ন প্ৰকাৰে আমাক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু আভ্যন্তৰীণ মানদণ্ড নিৰূপণ কোষ (IQAC)ৰ সদস্যসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত 'ঈক্ষা'ৰ পূৰ্ণতা প্ৰাপ্তিৰে দীৰ্ঘায়ু কামনা কৰিলোঁ।

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

ড° ৰূপালী গগৈ

সমন্বয়ক

মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়

# সম্পাদকীয়



'নাৰী' শব্দটোৱেই মায়াময় বাস্তৱৰ এক কায়িক আৰু মানসিক সৌন্দৰ্যময় সত্য। নাৰী সত্ত্বাৰ সন্মান আৰু অস্তিত্ব ৰক্ষাৰ জাগৰণে নাৰীৰ গতিশীলতা উচ্চ শিখৰলৈ; এই শিখৰ কিন্তু পুৰুষতকৈ ওপৰলৈ উঠিবলৈ একেবাৰেই নহয়; এই গতি সমতাৰ শিখৰলৈ। পুৰুষ - নাৰীৰ এক সমান্তৰাল গতিময়তাৰ সন্ধানৰ উদ্দেশ্য হৈছে বিশ্ব আন্তৰ্জাতিক নাৰী দিৱস পালন। এই বছৰৰ বিশ্ব আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয়বস্তু হৈছে "I am Generation Equality : Realizing Women's Right"।

এতিয়াও পৃথিৱীৰ কোনো এখন দেশেই 'Gender equality' আমাৰ দেশত এশ শতাংশ আছে বুলি দাবী কৰিব নোৱাৰে। এতিয়াও নাৰী সকলো ক্ষেত্ৰতে বিভিন্ন বাধাৰ সন্মুখীন হৈয়েই আছে, বালিকা হওক, মহিলা হওক এতিয়াও তেওঁলোকৰ মূল্যায়নৰ অংক বহুত তলত। এইবছৰৰ বিশ্ব আন্তৰ্জাতিক নাৰী দিৱসে সকলো মহিলা আৰু বালিকাৰ বাবে লিংগ সমতা আৰু মানব অধিকাৰ সাব্যস্ত কৰিবলৈ সমগ্ৰ বিশ্বতে সজাগতা অনাৰ সুযোগ আনিছে।

বিজ্ঞানৰ ক্ষেত্ৰতো নাৰী এতিয়াও বহুখিনি পিছপৰি আছে। ইউনেস্ক'ৰ সমীক্ষা মতে বিভিন্ন দেশত এই অংকৰ হিচাপ আকৌ বেলেগ বেলেগ। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষত মাত্ৰ ১৪ শতাংশহে মহিলা গৱেষক আছে। পৃথিৱীৰ প্ৰায় সকলোবোৰ ঠাইতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ (Science, Technology, Engineering and Mathematics, STEM) ক্ষেত্ৰত মহিলা গৱেষকৰ সংখ্যা তেনেই নগন্য। যদিও উচ্চ শিক্ষানুষ্ঠানসমূহত মহিলাৰ অন্তৰ্ভূক্তি বৃদ্ধি পাইছে। তথাপিও গৱেষণাৰ ক্ষেত্ৰত অথবা উপাচাৰ্য, সঞ্চালক আদি পদত থকা মহিলাৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰাহে হয়গৈ। মহিলাক বিজ্ঞান শিক্ষাৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ উদ্দেশ্য আগত ৰাখি এইবাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ বিষয়বস্তু ৰখা হৈছে 'মহিলা আৰু বিজ্ঞান'। সেইবাবেই এই সংখ্যাৰ 'ঈক্ষা'ত কেইবাটাও প্ৰবন্ধ 'মহিলা আৰু বিজ্ঞান' বিষয়বস্তু সামৰি প্ৰকাশ কৰা হ'ল।



তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ এটি বহুমূলীয়া প্ৰকাশ হৈছে 'ঈক্ষা'। 'ঈক্ষা'ৰ যাত্ৰাত পঞ্চম প্ৰকাশৰ দায়িত্বভাৰ লৈ আমিও সফল হ'বলৈ আন্তৰিক যত্ন কৰিছোঁ। তথাপিও অনিচ্ছাকৃতভাৱে থাকি যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে নিৰপেক্ষ সমালোচনাৰ কামনা কৰিলোঁ। পাঠকৰ সমালোচনাই 'ঈক্ষা' আলোচনীখনৰ স্থায়ী জয়যাত্ৰাৰ মানদণ্ড বৃদ্ধি কৰিব। এই সুযোগতে আমাক দিহা-পৰামৰ্শ দি সহায় কৰা ড° দিপিকা ভট্টাচাৰ্য্য আৰু ময়ূৰী শৰ্ম বৰুৱালৈ কৃতজ্ঞতা জনাইছোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সূৰ্য চুটীয়ালৈও তেওঁৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যিসকল লেখক-লেখিকাই তেওঁলোকৰ বহুমূলীয়া প্ৰবন্ধ আগবঢ়াই আলোচনীখন প্ৰকাশৰ বাবে সফল কৰি তুলিলে তেওঁলোকলৈ আমাৰ আন্তৰিক ধন্যবাদ জনালো। ঈক্ষাৰ আৰম্ভণিৰে পৰা অশেষ আন্তৰিকতাৰে সহযোগিতা প্ৰদান কৰা অন্‌জনা গোস্বামী বাইদেউৰ কথা নক'লে আধৰুৱা হৈ ৰ'ব। মৰম আৰু আশীৰ্বাদেৰে আমাক সংপৃক্ত কৰি সহযোগিতা আগবঢ়োৱা বাইদেউলৈ আমাৰ আন্তৰিক ধন্যবাদ জনালো। আলোচনীখন প্ৰকাশৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ 'আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষ' (IQAC)লৈও ধন্যবাদ জনালো। সদৌ শেষত 'ঈক্ষা'ৰ মুদ্ৰক অসম এণ্টাৰপ্ৰাইজেজৰ স্বত্বাধিকাৰী মানস তামুলী প্ৰমুখ্যে সকলো কৰ্মকৰ্তালৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিছো।

'ঈক্ষা'ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে —

সম্পাদকদ্বয়
মীনাক্ষী চমুৱা
ৰুবী বৰুৱা

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# 'ঈক্ষা'ৰ ভিতৰচ'ৰা


- ৮ মাৰ্চ কিয় উদ্‌যাপন কৰিব লাগে? — অনুজনা গোস্বামী/১
- ভাৰতীয় সামাজিক অন্তৰ্দ্বন্দ্বৰ ঐতিহাসিক পটভূমিৰ সম্পৰ্কে দুআষাৰ — ড° ভুবন গগৈ/৫
- Succulents and Cacti — Dr. Sanjukta Gohain Baruah/৯
- গাখীৰত থকা খনিজ মৌলসমূহ আৰু শৰীৰত ইবিলাকৰ প্ৰয়োজনীয়তা — মণিকা দেৱী/১৯
- Climate Change : The Gender Issue — Mayuri Sharma Baruah/২৫
- আধ্যাত্মিকতা আৰু নাৰীৰ উত্তৰণ — সংগীতা বৰুৱা/২৯
- বিখ্যাত স্নায়ু-বিজ্ঞানী ডাঃ জয়ন্তী কলিতা বাইদেউৰ সৈতে দু-আষাৰ — ড° ৰুবী বৰুৱা/৩৩
- ভাৰতৰ কেইগৰাকীমান মহিলা বিমানচালক — ড° মীনাক্ষী চমুৱা/৩৭
- নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীবাদী চিন্তা ঃ এটি চমু আলোচনা — মমী শ্যাম/৪০
- Women In Science – In Indian Context — Dr. Saurav Bhattacharjee/৪৪
- ভাৰতীয় চিকিৎসা বিজ্ঞানৰ বাটকটীয়া মহিলা ঃ আনন্দীবাই যোশী — ড০ দীপিকা ভট্টাচাৰ্য/৫০
- নিৰ্বাপিত হ'ল এটি উজ্জ্বল নক্ষত্ৰ — নিজৰা ডেকা/৫৩
- দ্ৰৌপদীৰ অভিলাষ — দেৱকান্ত বুঢ়াগোহাঁই/৫৬
- CONTRIBUTION OF WOMEN IN SCIENCE — Ankita Bhattacharjee/৬২
- Community Radio- A Short Introduction — Dr. K. Kalita/৬৬
- বিজ্ঞানৰ ক্ষেত্ৰত মহিলাৰ অৱদান — দিপ্তী গুপ্তা/৬৯
- Should sanitary napkins be one of our basic human rights — Ms . AKANKSHA SAIKIA/৭২
- Cell for Women's Studies and Development : State of the Art of Activities/৭৭




# ৮ মাৰ্চ কিয় উদ্‌যাপন কৰিব লাগে?


অনুজনা গোস্বামী
প্ৰাক্তন উপাধ্যক্ষ
তিনিচুকীয়া মহাবিদ্যালয়





*যুগ যুগ ধৰি মহিলাসকল সমাজৰ দ্বাৰা নিপীড়িত হৈ আহিছে। এই নিপীড়ন কেৱল শাৰীৰিকেই নহয়; সামাজিক, মানসিক তথা আৰ্থিক। অশিক্ষিতৰ কথাটো বাদেই বহুত শিক্ষিত মহিলায়ো সমাজে চল-চাতুৰিৰে চলোৱা নিপীড়নৰ কথা বুজি নেপায়। যেতিয়াই বুজি উঠে তেতিয়াই তেওঁলোকে নিজৰ অধিকাৰৰ বাবে প্ৰতিবাদ কৰে। ইতিহাসৰ পাত লুটিয়ালে শিল্প বিপ্লৱৰ সময়ৰ পৰাই চেগাচোৰোকাকৈ সম-অধিকাৰৰ দাবী তোলা দেখা যায়। কেতিয়াবা অকলশৰীয়াকৈ আৰু কেতিয়াবা সংঘবদ্ধভাৱে।*

নাৰীৰ স্বাধীনতা আৰু অধিকাৰৰ ধাৰণাটো সমাজলৈলৈ অনা প্ৰথম লোকজনেই হ'ল ইংৰাজ দাৰ্শনিক জন ল'ক। ভল্টেয়াৰ, ৰুছো আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ মহিলা দাৰ্শনিক মেৰী উইলষ্টন কাফ্‌টে "A Vindication of the Rights of Women" নামৰ গ্ৰন্থত নাৰীৰ স্বাধীনতা আৰু সমমৰ্যাদাৰ কথা লিখি এক চাঞ্চল্যৰ সৃষ্টি কৰে। সেই গ্ৰন্থত তেওঁ ১৭৯২ খৃঃতে নাৰী যে এক ব্যক্তিসত্বা তাক সবলৰূপে দাঙি ধৰে। গ্ৰন্থখনত বহুতো মূল্যৱান কথা কোৱাৰ উপৰিও বৰ্তমান সময়তো প্ৰাসঙ্গিক কেইটামান গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। তেওঁ লিখিছিল সমসাময়িক নাৰীৰ স্বভাৱ আৰু আচৰণৰ পৰা প্ৰমাণ হৈছে যে তেওঁলোকৰ মন স্বাস্থ্যকৰ অৱস্থাত নাই। শাৰীৰিক সৌন্দৰ্যৰে নাৰীয়ে পুৰুষক মুগ্ধ কৰিবলৈ যোৱাটো

নিৰাপদ নহয় কাৰণ কাৰো শাৰীৰিক সৌন্দৰ্য সদায় একেদৰে নাথাকে। বহুতো নাৰীয়ে বিবাহেই তেওঁলোকৰ নিজক প্ৰতিষ্ঠা কৰাৰ একমাত্ৰ উপায় বুলি ভাবে। "পুৰুষক দৈহিক সৌন্দৰ্যৰে মুগ্ধ কৰিব পৰা সুন্দৰী নাৰী আজীৱন শৈশৱ অৱস্থাতে থাকে। যি নাৰীয়ে অৱলা আৰু দুৰ্বল হৈ আনৰ পুতৌ আদায় কৰিবৰ চেষ্টা কৰে, তেওঁ সোনকালেই আনৰ ঘৃণাৰ পাত্ৰী হয়।" নিজৰ কৰ্ম, সমাজৰ প্ৰয়োজনীয় আৰু উৎপাদনৰ কামত পুৰুষৰ সমানে অংশগ্ৰহণ কৰিব পৰাতোহে নাৰীৰ লক্ষ্য হোৱা উচিত বুলি মেৰীয়ে দৃঢ়তাৰে কৈছিল। নাৰীৰ উৎকৰ্ষ সাধন নোহোৱাৰ মূলতে তেওঁ ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থাকে জগৰীয়া কৰিছিল। প্ৰাকৃতিকভাৱে মহিলা পুৰুষতকৈ কম নহয়, কিন্তু দেখাত তেনে যেন লগাৰ মূলতে হ'ল নাৰীৰ শিক্ষাহীনতা।

মেৰী আছিল সময়তকৈ আগবঢ়া এগৰাকী মহিলা। নাৰীৰ অধিকাৰৰ বিষয়ে কোৱাৰ লগে লগে তেওঁক সমালোচনাৰে ঠকা-সৰকা কৰা হ'ল। ঠাট্টা-মস্কৰা এনে স্তৰলৈ গৈছিল যে তেওঁক কোৱা হৈছিল 'Hyena in Petticoats' (হায়েনা ইন পেটিকোট বা হায়েনা মহিলা)। কুৰি শতিকাতহে নাৰী আন্দোলনৰ ফলশ্ৰুতিত এইগৰাকী নাৰীবাদী লেখিকাৰ প্ৰকৃত বিশ্লেষণ হৈছে।

১৮৩৮ চনত আমেৰিকাৰ ছেন্‌কোফলচৰ কাষৰ গীৰ্জা এটাত দেওবৰীয়া প্ৰাৰ্থনা সভালৈ অহা মহিলাসকলে পুৰুষৰ একে শাৰীতে বহাৰ অধিকাৰ বিচাৰি প্ৰথম সমঅধিকাৰ আন্দোলনৰ সূচনা কৰিছিল।

১৮৫১ চনৰ কথা। মজুৰি বৃদ্ধি বিষয়ক এখন সভা আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত হৈছিল। তাত ৰাষ্ট্ৰপতি মিলাৰ্ড ফিলমৰ পৰা আৰম্ভ কৰি বহুতো গণ্য-মান্য লোকে ভাষণ দিছিল। ৰাষ্ট্ৰপতিৰ ভাষণ শেষ হোৱাৰ পিছতে চোজাৰ্নাৰ ট্ৰুথ নামৰ কৃষ্ণাংগ মহিলাগৰাকী হঠাতে মঞ্চলৈ উঠি গৈ ক'বলৈ ধৰিলে, "খেতি পথাৰত কাম কৰিছো, গছ প্ৰতিপালন কৰিছো, পকাৰ পিছত ফচল চপাইছো। কোনো পুৰুষেই মোক কামত হৰুৱাব পৰা নাই খেতিৰ কামত। পুৰুষৰ সমানেই খাটিছে। পথাৰৰ কামত মালিক ৰুষ্ট হ'লে মালিকৰ চাবুকৰ কোব পিঠি পাতি লৈছো। অভাৱ হ'লে ঘৰলৈ অহা ৰচদেৰে কেৱল স্বামী আৰু সন্তানৰ ভোকৰ জোৱা মাৰি পিছদিনা পুনৰ কামলৈ ওলাইছো। মজুৰিৰ বাবদ পোৱা পইচাকেইটা স্বামীৰ হাতত তুলি দিছো। কাৰণ হিচাপৰ বহীত তেওঁৰহে নাম। এটা এটাকৈ তেৰটা সন্তান বিক্ৰী হৈ গ'ল। কাৰণ মই ক্ৰীতদাসী। মোৰ বুকু ভাগি যোৱা কান্দোন ভগৱান যীশুৰ বাহিৰে কোনেও দেখা নাপায়। তথাপি স্বামীৰ হৈ পথাৰত মাটি চহাইছো, ফচলৰ হিচাপ মালিকক দিব লাগিব যে। মোৰ কান্দোন, কষ্ট কোনে দেখিছে? Ain't I a Woman? নাৰী নহয় মই? তৎসেত্বও মই দাবী কৰিছো পুৰুষৰ সমানে আমাকো মজুৰী দিয়া হওক। এইদৰে পুৰুষৰ সমান দৰমহাৰ দাবীত দিয়া বক্তৃতাৰ পিছতে তেওঁক সমৰ্থন জনাই মহিলাসকলৰ লগতে পুৰুষসকলো মজুৰীৰ দাবীত ওলাই আহিছিল। এবাৰ তেওঁক কোৱা হ'ল পুৰুষৰ সমান মহিলাৰ অধিকাৰ থাকিব নোৱাৰে কাৰণ যীশু মহিলা নহয়। তেওঁ তেতিয়া চিঞৰি উঠিল — তোমালোকৰ যীশু ক'ৰপৰা জন্ম হ'ল মহিলাৰ পৰা নহয় নেকি? মহিলাৰ অধিকাৰৰ বাবে আজীৱন যুঁজি যোৱা এইগৰাকী নাৰীয়ে আদালতৰ আশ্ৰয় লৈ বগা ছালৰ মালিকৰ পৰা বিক্ৰী হোৱা দুটা সন্তানক উদ্ধাৰ কৰি দৃষ্টান্ত ৰাখি গৈছে।

বিক্ষিপ্তভাৱে নাৰীৰ অধিকাৰৰ বাবে ধৰ্মঘট আদি হ'লেও অভিজ্ঞতাৰ অভাৱত কৃতকাৰ্য হোৱা নাছিল। ভোটাধিকাৰ লাভৰ আগতে ইংলেণ্ডৰ নাৰীয়ে 'হাউচ অৱ কমন্স'ত দৰ্শক হিচাপেও থাকিব নোৱাৰিছিল। বৈষম্যতাই নাৰীক বিদ্ৰোহী কৰি তুলিছিল। ১৯০৮ চনত নিউইয়ৰ্ক চহৰত প্ৰায় পোন্ধৰ হেজাৰ বস্ত্ৰ শ্ৰমিক মহিলাই কাম কৰাৰ সময় হ্ৰাস, কাৰখানাৰ অস্বাস্থ্যকৰ পৰিৱেশৰ উন্নতি, পুৰষৰ সমান মজুৰি আৰু ভোটাধিকাৰৰ দাবী তুলি এক সমদল উলিয়ায়। ১৯০৯ চনত আমেৰিকাৰ চ'ছিয়েলিষ্ট পাৰ্টিয়ে মহিলাৰ সুৰক্ষা আৰু সমঅধিকাৰৰ দাবীত ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰে। ১৯১০ চনত জাৰ্মানীত আন্তৰ্জাতিক মহিলা কৰ্মী সন্মিলন অনুষ্ঠিত হৈছিল। 'চ'ছিয়েল ডেমক্ৰেটিক পাৰ্টি'ৰ নেতৃ ক্লাৰা জেটকিনে সেই সভাত আন্ততৰ্জাতিক নাৰী দিৱস পালন কৰাত গুৰুত্ব দি এক প্ৰস্তাৱ আনে যাতে নাৰীসকলে নিজৰ নিজৰ দাবীবোৰ দাঙি ধৰিব পাৰে। ইয়াতে ৮ মাৰ্চ তাৰিখটো গৃহীত আৰু তেতিয়াৰ পৰাই পৰাই সমগ্ৰ বিশ্বই ৮ মাৰ্চতে নাৰী দিৱস পালন কৰিবলৈ লয়। ইয়াৰ ফলত বিশ্বযুদ্ধৰ সময়ত 'ৰুটী আৰু শান্তিৰ বাবে' সংগঠিত ৰূপত মহিলাসকল ওলাই আহিছিল বিশ্বত ৮ মাৰ্চৰ কেইটামান গুৰুত্বপূৰ্ণ ঘটনা হ'ল—

১৯৩৭ চনৰ ৮ মাৰ্চত স্পেইনৰ মহিলাই গৃহযুদ্ধত বিধ্বস্ত হৈ ফেঙ্কোৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰে।

১৯৪৩ চনৰ ৮ মাৰ্চত ভিয়েটনামৰ মহিলাই মাৰ্কিন সাম্ৰাজ্যবাদী আগ্ৰাসনৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই বিদ্ৰোহ কৰে।

১৯৭৯ চনৰ ৮ মাচত ৫০,০০০ ইৰাণী মহিলাই বোৰখাৰ বিৰুদ্ধে বিক্ষোভ কৰি নাৰীমুক্তি আন্দোলন শক্তিশালী কৰে।

১৯৮০ চনত মথুৰা ধৰ্ষণ গোচৰৰ ৰায়ৰ পুনৰ বিবেচনাৰ দাবীত ভাৰতবৰ্ষৰ পুণা, নাগপুৰ, দিল্লী আদি বহুত চহৰৰ মহিলাই বিক্ষোভ প্ৰদৰ্শন কৰে। গাঁৱৰ পৰাও বহুতখিনি মহিলা আহি ইয়াত যোগদান কৰে কিয়নো তেওঁলোকে বুজি উঠিছিল যে পুলিচৰ জিম্মাত হোৱা এই ধৰ্ষণ যিকোনো মহিলাৰ ক্ষেত্ৰতে হ'ব পাৰে।

১৯৮৯ চনৰ ৮ মাৰ্চত ইউৰোপৰ মহিলাই বিনা পইচাই আইনী সাহায্য আৰু নিৰাপদ গৰ্ভপাত ব্যৱস্থাৰ দাবীত বিক্ষোভ কৰে।

বৃত্তিজীৱী মহিলাৰ আন্দোলন হিচাপে আৰম্ভ হোৱা এই আন্দোলনে পিছলৈ সকলো স্তৰৰ মহিলাক স্পৰ্শ কৰিলে। নিজক প্ৰতিষ্ঠা কৰিবলৈ মহিলাসকলে অহৰহ সংঘৰ্ষ কৰিবলগা হৈছে। নাৰীৰ লিখনিক পুৰুষসকলে নিম্নখাপৰ বুলি মন্তব্য কৰাত তেওঁলোকে এক বেলেগ আৰ্হিৰে সাহিত্য সৃষ্টি কৰিব বিচাৰিছে যিয়ে পৰিবৰ্তনৰ বাট মুকলি কৰিছে। ফ্ৰয়েডে পুৰুষ লিঙ্গক কলমৰ লগত তুলনা কৰাত হেলেন চিখুৰ দৰে ইহুদী মহিলা লেখিকাই নাৰীৰ দুগ্ধক বগা চিঞাহী বুলি কৈ নাৰীৰ ইতিহাস লিখাৰ প্ৰয়াস কৰিছে। নাৰীৰ মাজত আত্মবিশ্লেষণ, আত্মানুসন্ধান হ'ব লাগিছে।

ৰাষ্ট্ৰসংঘই ১৯৭৫ চনটো আন্তৰ্জাতিক মহিলা বৰ্ষ হিচাপে পালন কৰে। ক্ৰমান্বয়ে বিশ্ববাসীয়ে বুজিব পাৰিলে যে পুৰুষতান্ত্ৰিক সমাজৰ বাবেই সমগ্ৰ বিশ্বতে মহিলাসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰা।

বিজ্ঞান শিক্ষা আৰু গৱেষণা কাৰ্যত তেওঁলোকে লিঙ্গভিত্তিক বৈষম্য বিশেষকৈ শাৰীৰিক আৰু মানসিক আতিশায্যৰ সন্মুখীন হ'বলগা হয়। কৰ্মস্থল, পদোন্নতি আদিতো মহিলাসকল বৈষম্যৰ বলি হৈছে। মহিলাসকলৰ সাফল্যক বাধা দিবলৈ নিত্য নতুন কৌশল প্ৰয়োগ কৰা হৈছে, তেওঁলোকৰ চৰিত্ৰ, সৌন্দৰ্য আদিক টানি অনা হৈছে। ব্যক্তিত্বক গুৰুত্ব নিদিয়া হৈছে। গতিকে নাৰীৰ সমঅধিকাৰৰ সমস্যাটো এক বিশ্বজনীন সমস্যাৰূপে চিহ্নিত হৈছে। লগে লগে নাৰী দিৱসৰ গুৰুত্বও বাঢ়িছে।

ভাৰতবৰ্ষত প্ৰথম অৱস্থাত এই দিৱসৰ দিনা বিভিন্ন দাবীৰ সমৰ্থনত ৰাজপথলৈ ওলাই আহি বিক্ষোভ কৰা দেখা গৈছিল। আজিকালি অৱশ্যে সভা-সমিতি পাতি নাৰীক সচেতন কৰাত গুৰুত্ব দিয়া দেখা গৈছে। শিক্ষাৰ ক্ষেত্ৰত সমান সুযোগ, সমান ৰাজনৈতিক বা সামাজিক অধিকাৰ, মহিলা সবলীকৰণ, সুৰক্ষিতকৰণ আদিতো প্ৰাধান্য দিয়া দেখা গৈছে। মুঠতে নাৰী দিৱসৰ পৰিসৰ বৃদ্ধি হৈছে। ৰাষ্ট্ৰসংঘই প্ৰতিবছৰে নাৰী দিৱসৰ বাবে এক বিষয়বস্তু প্ৰস্তুত কৰি উলিয়ায়। World Economic Forum ৰ মতে ২১৮৬ চন পৰ্যন্ত লিঙ্গ ব্যৱধান সম্পূৰ্ণভাৱে নোহোৱা কৰিব নোৱাৰি। লিঙ্গ সমতা নোহোৱালৈকে নাৰীৰ সমঅধিকাৰৰ যুঁজখনৰো পৰিসমাপ্তি নঘটে। প্ৰকৃততে নাৰীৰ সমঅধিকাৰৰ আন্দোলনটো এক বৌদ্ধিক আন্দোলন এই আন্দোলনে পুৰণিকলীয়া ধ্যান-ধাৰণা খহাই পেলাই মানৱৰ মুকুতিৰ পথ দেখুৱাব পাৰে, প্ৰগতিৰ সোপান ৰচিব পাৰে, অন্ধকাৰৰ পৰা অৰ্দ্ধআকাশখন পোহৰাই তুলিব পাৰে। যেতিয়ালৈকে সমঅধিকাৰৰ প্ৰশ্নটোৰ সমাধান নহয় তেতিয়ালৈকে মহিলাসকলে ৮ মাৰ্চ 'নাৰী দিৱস' পালন কৰিব লাগে, নিজকে পৰ্যালোচনা কৰিব লাগে, সাহসী মহিলাসকলক স্মৰণ কৰিব লাগে আৰু কেনেকৈ পৰিৱেশ-পৰিস্থিতিৰ উত্তৰণ ঘটাব পাৰি তাকো গভীৰভাৱে চিন্তা কৰিব লাগে। ■■

*"মই ভাবো নাৰীয়ে নিজক পুৰুষৰ সৈতে তুলনা কৰাটো মূৰ্খামি। প্ৰকৃততে নাৰী পুৰুষতকৈ বহু ওপৰৰ। তুমি এগৰাকী নাৰীক যিয়েই নিদিয়া তেওঁ তাক অধিক মহান আৰু উপযোগী কৰি তোলে। তুমি নাৰীক বীৰ্য দিয়া, তেওঁ তোমাক সন্তান দিব। তুমি যদি তেওঁক এটা হাউচ দিয়া তাক তেওঁ হোমলৈ পৰিণত কৰিব। তেওঁক যিয়ে দিয়া হয় তাত তেওঁ বহু সংযোজন কৰি সুন্দৰ কৰি তোলে।"*

ঔপন্যাসিক, কবি, নাট্যকাৰ উইলিয়াম গল্ডিং





# ভাৰতীয় সামাজিক অন্তৰ্দ্বন্দ্বৰ ঐতিহাসিক পটভূমিৰ সম্পৰ্কে দুৱাষাৰ

ড° ভুৱন গগৈ
প্ৰাক্তন অধ্যক্ষ
তিনিচুকীয়া মহাবিদ্যালয়

ভাৰতৰ ইতিহাস অনুসন্ধান গতানুগতিক আৰু বস্তুগত বিচাৰ দুই ধাৰাত বিভক্ত। গতানুগতিক ধাৰাত কোৱা হয় ভাৰতত প্ৰথম সভ্যতাৰ পোহৰ বিলায় আৰ্যসকলে আৰু আজিৰ সভ্য জাতিবিলাক আৰ্যৰে সন্তান-সন্ততি। এয়ে আমাৰ গতানুগতিক বহল ইতিহাস ধাৰণাৰ প্ৰেক্ষাপট যদিও এই ধাৰণাক আজি অনুসন্ধানৰ পৰা মিছা বুলি প্ৰমাণিত হৈছে। ভাৰতৰ পুৰণি সভ্যতা মহেঞ্জোদাৰো আৰু হৰপ্পা আৰ্যসকল অহাৰ বহু আগতে সৃষ্টি হৈছিল, খ্ৰীষ্ট জন্মৰ ৩০০০ মান বছৰৰ আগতে। মিছৰ, চুমেৰীয় সভ্যতাৰ সমাসাময়িক আৰু সমানে উন্নত আছিল এই সভ্যতা। তাৰে পৰা ২০০০ মান বছৰৰ পিছতহে আৰ্যসকল আহিছিল। আৰ্যসকল পশুপালক জাতি আছিল আৰু লোহা আৰু ঘোঁৰা পোহ মনাই ব্যৱহাৰ কৰিছিল । তাৰে সহায়ত যুদ্ধত জয়ী হৈ উত্তৰাপথ দখল কৰি বসতি স্থাপন কৰিছিল। যুদ্ধত পৰাজিত হৈ জনজাতি আদিবাসীসকলৰ কিছু অংশ উত্তৰতে থাকি যায় বন্দী দাস বা শূদ্ৰ হিচাবে। আদিবাসীসকল পৰাজিত হৈছিল কাৰণেই আৰ্যসকলে সিবিলাকক অসভ্য বুলি প্ৰচাৰ কৰি সিবিলাকৰ সভ্যতা-সংস্কৃতি ভৰিৰে মোহাৰি পেলাবৰ চেষ্টা কৰে। 'অনাৰ' শব্দটোৱেই তাৰ প্ৰমাণ। কিন্তু সিবিলাকৰ মহেঞ্জোদাৰো আৰু হৰপ্পাৰ নিদৰ্শনসমূহে তেনে নিকৃষ্ট ধাৰণা প্ৰমাণ নকৰে। তাৰ নগৰ গঠন, ঘৰ নিৰ্মাণ পদ্ধতি, ভাস্কৰ্য, ছবি, লিখনি, বয়ন আদি সকলো উন্নত পৰ্যায়ৰ আছিল আৰু আৰ্যসকলেও সৰহভাগ শিক্ষা সেইবিলাকৰ পৰাই গ্ৰহণ কৰিছিল। আজিকালি হিন্দু ধৰ্মৰ প্ৰচলিত পূজাৰ প্ৰতীক আৰু ৰীতি-নীতিবিলাক বিশ্লেষণ কৰিলে তেওঁলোকৰ পৰা অহা বহু উদাহৰণ পোৱা যায় যিবোৰ অৱশ্যে সময়ৰ লগে লগে নানা ধৰণেৰে ৰূপান্তৰিত হৈ আহি আছে।

আদিবাসীসকলে পিতৃদেৱতা আৰু মাতৃদেৱীৰ পূৰ্ণাঙ্গ বা খণ্ডিত প্ৰতীকসমূহক পূজা কৰিছিল। পিতৃদেৱতা, কৰ্ত্তাৰূপী ব্ৰহ্মা, পালকৰূপী মিত্ৰ (বিষ্ণু) আৰু সংহাৰকৰূপী ৰুদ্ৰ, জননী ৰূপিনী

অম্বা, বসুমতী ৰূপিনী ভৱানী আৰু সামৰ্থ ৰূপিনী শক্তিক মাতৃদেৱী হিচাপে পূজা কৰিছিল। পিছত এই দুই পিতৃ আৰু মাতৃ শক্তি সন্মিলিত হৈছে আৰু তাৰে মহিমামূলক শাস্ত্ৰৰ ৰূপত আগম আৰু নিগম মিলি তন্ত্ৰৰ ৰূপ লৈছে। প্ৰাগাৰ্যসকলৰ পিতা-মাতাৰূপী ঈশ্বৰৰ ধাৰণাৰ পৰাই জন্ম হৈছিল পুৰুষ প্ৰকৃতি তত্ত্ব আৰু পুৰুষৰূপী চেতনা আৰু প্ৰকৃতিৰূপী জড় বা বস্তুৰ পৰাই জগত আৰু জীৱনৰ উদ্ভৱ হয় যিটো সাংখ্য দৰ্শনত পোৱা যায়। অনন্ত শক্তিময়ী প্ৰকৃতিৰ স্বৰূপ কি তাক বুজাৰ বাবেই জন্ম হ'ব বৈশেষিক দৰ্শন য'ত পৰমাণু তত্ত্ব সৃষ্টি হৈছে প্ৰাগাৰ্যসকলৰ উপাসনা পদ্ধতিৰ পৰাই। এই সম্পৰ্কত নিসৰ্গ উপাসক আৰ্যসকলতকৈ এইসকলৰ উপাসনাৰ ধৰ্মবোধ আৰু দাৰ্শনিক প্ৰজ্ঞা শ্ৰেষ্ঠই আছিল। আৰ্যসকলৰ দেৱতা ব্ৰহ্মা এইসকলৰ পৰাই লোৱা আৰু ই উদ্ভৱ হৈছে ইয়াৰ বহু যুগৰ পিছতহে। আদি আৰ্যসকল পৰ্জন্য, নাসত্য, মিত্ৰ, বৰুণ আদি নৈসৰ্গিক দেৱতাৰ উপাসক আছিল। আৰ্যসকলৰ পূজা আছিল মাত্ৰ যজ্ঞ আৰু তাত ঘৃত আহুতি দিয়া আৰু সংসাৰৰ সুখ-স্বাচ্ছন্দ্য সম্পৰ্কীয় বিবিধ প্ৰাৰ্থনাৰ বাক্য উচ্চাৰণ কৰা। ইয়াৰ পিছতে প্ৰাগাৰ্য আৰু আৰ্য সংমিশ্ৰণ ঘটি হিন্দুধৰ্মৰ জন্ম হয় আৰু অথৰ্ববেদ আৰু তন্ত্ৰ আৰ্য শাস্ত্ৰৰূপে পৰিগণিত হয়। ৰুদ্ৰ, অম্বা সকলো আৰ্যৰ দেৱতাৰূপে স্বীকৃতি পায়। এই সময়ত সাংখ্য আৰু বৈশেষিকক ষড় দৰ্শনৰ পৰ্যায়লৈ অনা হয় আৰু আৰ্যৰ মতে সজাই লোৱা হৈছে। হাজাৰ বছৰ ধৰি এই সংমিশ্ৰণ প্ৰক্ৰিয়া চলি থাকিলেও প্ৰকৃতপক্ষে ইয়াৰ সফলতা দেখা নগৈছিল। পৰাজিত আৰ্যেতসকলে কেৱল তেওঁলোকৰ ধৰ্ম আৰু শাস্ত্ৰৰ আৰ্যসকলে দিয়া স্বীকৃতিতে সন্তুষ্ট হোৱা নাছিল। তেওঁলোকে বিচাৰিছিল আৰ্যসকলৰ লগত সমানে সমানে নিজৰ মানৱাধিকাৰ প্ৰতিষ্ঠা হোৱাতো। আৰ্যসকলৰ দমন আৰু বৈষম্যমূলক নীতিৰ বাবে অৱশেষত এইসকলে বিদ্ৰোহ ঘোষণা কৰিছিল। এই বিদ্ৰোহৰ নেতা হিচাপে আমি পাওঁ বিশ্বামিত্ৰ, গৃৎসমদ, চাৰ্বাক, কেশকম্বলী আদিক। তাৰ মাজতে সফল বিদ্ৰোহী হিচাপে পাওঁ বুদ্ধ আৰু পাৰ্শ্বনাথ, যি আৰ্যৰ বেদ, ব্ৰাহ্মণ, যাগ-যজ্ঞ, কাজ-কৰ্মৰ একাধিকাৰ ভাঙি সমগ্ৰ মানৱ জাতি (আৰ্য আৰু আৰ্যেতৰ) মাজত ন্যায়ভিত্তিক সামাজিক অখণ্ড ঐক্য প্ৰতিষ্ঠা কৰে। সম্ৰাট অশোকে বৌদ্ধ ধৰ্মক ৰাজধৰ্ম কৰাত ইয়াৰ বাণীৰে সমগ্ৰ ভাৰত প্লাৱিত কৰাৰ উপৰিও বিদেশতো ই বিস্তাৰ লাভ কৰিছিল। আচলতে ভাৰতবাসীৰ আদি দেৱতা হ'ল শিৱ-শক্তি, শাস্ত্ৰ হ'ল তন্ত্ৰ আৰু দৰ্শন হ'ল সাংখ্য আৰু বৈশেষিক যিয়েই বৌদ্ধ ধৰ্মৰ ছত্ৰছায়াত সংহত হৈ জাগৃত হয়। খ্ৰীষ্ট জন্মৰ ৫/৬ শ বছৰৰ পূৰ্বৰে পৰা খ্ৰীষ্ট জন্মৰ ৭০০ বছৰৰ পাছলৈকে প্ৰায় ১৩০০ বছৰ বৌদ্ধ ধৰ্ম ভাৰতৰ ধৰ্ম হৈ থাকে। তাৰ মাজতে ৪ ৰ্থৰ পৰা ৬ ষ্ঠ খ্ৰীঃহল ২০০ বছৰ গুপ্ত সাম্ৰাজ্যৰ উত্থানে আৰ্য ধৰ্ম বা ব্ৰাহ্মণ্য ধৰ্মৰ পৃষ্ঠপোষকতা পালেও বৌদ্ধ সংগঠন আৰু শক্তি কোনো দিনে ভাগি পৰা নাছিল।

বৰ্ণাশ্ৰয়ী ভেদ নীতি পৰিহাৰ কৰি সাম্য আৰু সমানাধিকাৰ ভিত্তিত বৌদ্ধ ধৰ্ম জী উঠিছিল আৰু জী আছিল। কিন্তু আৰ্যসকলৰ ৰজা, জমিদাৰ আৰু শ্ৰেষ্ঠীসকলে দলে বলে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি অতি কৌশলেৰে বৌদ্ধৰ সাম্য নীতি নষ্ট কৰি দিয়াৰ চেষ্টাত ব্ৰতী হয় আৰু তাৰে পৰা হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ ঠিক পিছতে কুমাৰিল ভট্ট, শংকৰাচাৰ্য আদিয়ে প্ৰচণ্ড





আন্দোলন কৰি হিন্দু ধৰ্মৰ পুনৰুত্থান ঘটায় আৰু বৌদ্ধ ধৰ্মক সজোৰে দেশান্তৰিক কৰে। তাৰ ফলত সনাতন হিন্দু ধৰ্মৰে জয় নহয়, বৌদ্ধ ধৰ্মৰো বহুতে হিন্দু ধৰ্ম গ্ৰহণ কৰি হিন্দু হয় যদিও এইসকল আৰ্য সমাজত অস্পৃশ্য শূদ্ৰ দাস ৰূপে পৰিগণিত হৈ থাকি যায়। এইসকলে পুৰণি তন্ত্ৰক বৌদ্ধ ধৰ্মৰ লগত মিহলাই নিজকে সিদ্ধাই, যোগী, কাপালিক আদি নানা ৰূপে আত্মপৰিচয় দিলেও ন্যায়, স্মৃতি, মিমাংসা আৰু বেদান্তৰ দ্বাৰা প্ৰভাৱিত নব্য হিন্দু ধৰ্মই সিবিলাকত সন্মানজনক বুলি বিবেচনা নকৰিলে। তিনি-চাৰিশমান বছৰ এইদৰে সমাজত আছুতীয়াকৈ অস্পৃশ্য ৰূপে থাকি যোৱাৰ পাছত দ্বাদশ শতিকাত তুৰ্কীসকল ভাৰত প্ৰৱেশ কৰে। তেতিয়া দলে-বলে এই শূদ্ৰ হিন্দু আৰু বৌদ্ধসকলে নিজকে মুছলমান ধৰ্মলৈ ধৰ্মান্তৰিত কৰে কোনোবাই সুবিচাৰৰ আশাত বা কোনোবাই প্ৰতিশোধৰ তাড়নাত। ইয়াৰ পিছত মুছলমান শাসকবৰ্গৰ সময়তো ৬০০ বছৰ এই ধৰ্মান্তৰিত হৈ মুছলমান হোৱা হিন্দুসকলে ধৰ্ম, ৰাজনীতি, সামাজিক অধিকাৰক লৈ হিন্দুসকলৰ লগত যুঁজ-বাগৰ কৰিয়েই চলি থাকিল। কিন্তু সমান অধিকাৰৰ বাবে সংগ্ৰাম চলিলেও সমন্বয় হ'লে সম্ভৱ হোৱা নাছিল। তাৰ পিছত আহিল ইংৰাজীসকল ১৮শ শতিকাৰ মাজভাগত আৰু বিংশ শতিকাৰ মাজভাগলৈকে প্ৰায় ২০০ বছৰ সময় শাসন কৰিলে হিন্দু-মুছলমান সকলোকে পদানত কৰি। এই পৰাধীনতাৰ বিৰুদ্ধে উভয়ে বিশেষকৈ হিন্দুসকলে সংগ্ৰাম চলালে। মুছলমান আৰু পশ্চাদপদ হিন্দুসকলে কম পৰিমাণেই সহযোগ কৰিছিল পুৰণি শত্ৰুতা, সামাজিক অৱহেলা, অস্পৃশ্যতা আৰু অশিক্ষাৰ বাবে। এই অনুন্নত হিন্দু আৰু মুছলমানসকলে পৃথক ৰাজ্য বিচাৰিলে আৰু বৃটিছেও মদত দি মুছলমানসকলক ৰাজ্য দিলে আৰু অনুন্নত হিন্দু আৰ্যেতসকলক আগৰ দৰে দলিত কৰিয়ে ৰাখিলে ভাৰতত। সমানাধিকাৰ নেপালে তেওঁলোকে। এইদৰে দেখা গ'ল যে বৌদ্ধৰ সাম্যবাদ, মুছলমানৰ গণতন্ত্ৰ, বৈষ্ণৱৰ সমন্বয়বাদ, খৃষ্টানৰ মানৱতাবাদ কোনোটোৱেই এই দেশত মনুষ্যত্ব প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। আজিও সেই প্ৰাগাৰ্য বা আৰ্যেত আৰু আৰ্যৰ মাজৰ দ্বন্দ্বই বাৰে বাৰে সকলোকে উজুতি খুৱাই আছে ৰাষ্ট্ৰৰ সংহতি আৰু ঐক্যৰ দিশত। ইতিহাসৰ এই গতানুগতিক ধাৰাৰ দৰে কৰা ভুল ব্যাখ্যাবিলাক চিনি পাব লাগিব আৰু সেইবিলাক দূৰ কৰি আগবাঢ়িব লাগিব।

কেৱল বেদ-উপনিষদ বা ৰামায়ণ-মহাভাৰতৰ গুণ-গান গাই, বৌদ্ধ আৰু জৈনৰ নীতি বিশুদ্ধি বা বৈষ্ণৱ আৰু সাধুসকলৰ প্ৰেম দৰ্শনত তন্ময় হৈ বাস্তৱ পাহৰিলে আমি নেবাচোঁ। কিয় হিন্দু-মুছলমান, বঙালী-বিহাৰী, তামিল-তেলেগু আদিত আমি ভাগ ভাগ হৈ ৰ'লো আৰু বাৰে বাৰে বিদেশী শক্তিৰ হাতত মাৰ খালো তাৰ হিচাপ ল'ব লাগিব।

ভাৰতলৈ আহি ৰাজ্য চলোৱা মুছলমানসকল অভিজাত শ্ৰেণীৰ আছিল আৰু সংখ্যাত তাকৰ আছিল। ভাৰতৰ ধৰ্মান্তৰিত হিন্দুক লৈহে মুছলমানৰ সংখ্যা বাঢ়ে আৰু মুছলমান সমাজ গঠন হয়। আনহে নেলাগে ভাৰত ত্যাগ হৈ শেষত এক মুছলমান দেশো গঠন হয়। দক্ষিণত দ্ৰাবিড়সকলেও এই আৰ্য আৰু আৰ্যেতৰ দ্বন্দ্বৰ বাবেই দ্ৰাবিড় ভূমি বিচাৰিছিল। পিছে এই দাবী অৱদমিত হয় যদিও আজিও ই মূৰ দাঙি উঠিব খোজে। এইদৰে আমাৰ সমাজত বহুত্ববাদৰ ভেটি বিৰাজমান। সমাজৰ ওপৰত

সংস্কৃতিৰ অৱশ্যে এক তৰাং ঐক্যৰ আস্তৰণ আছে যদিও অন্তৰ্ভাগৰ লগত ইয়াৰ সম্পৰ্ক কম। আমি সকলো প্ৰাণীৰ আত্মাতে ব্ৰহ্ম দেখা পাওঁ যদিও সমাজত স্পৃশ্য-অস্পশ্য মানো। অহিংসা নীতি ল'লেও, ঈশ্বৰ আৰু বৈৰাগ্য প্ৰচাৰ কৰিলেও কাৰ্যত আমি হিংসা, দুৰ্নীতি, ভোগ বিলাসত মন দিওঁ। আমাৰ দেশৰ মংগলকামী শাস্ত্ৰ বিশ্বৰ ভিতৰতে বেছি যদিও আমাৰ মানৱ প্ৰেম কম, সমাজৰ মংগল চিন্তা অপৰিস্ফুত। স্ববিৰোধেৰে ভৰপূৰ আমাৰ মন। তাৰ পৰা মুক্ত হ'বলৈ আমি বৈজ্ঞানিক আৰু যৌক্তিক চিন্তা-ধাৰাৰে আমাৰ সমাজ আৰু চিন্তাবোৰ বিচাৰ কৰিব লাগিব আৰু দ্বন্দ্বসমূহ দূৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

ভাৰতৰ চিন্তা আৰু কৰ্মত স্ববিৰোধিতা এটা গভীৰভাৱে দেখা যায় যাক আমি বৈচিত্ৰ্য বুলিয়ে ক'ব বিচাৰোঁ যিটোৰ কিছুমান অযৌক্তিক বৈপৰীত্যৰ সমষ্টি। আস্তিক্য-নাস্তিক্য, অদ্বৈতবাদ-দ্বৈতবাদ-বিশিষ্ট দ্বৈতবাদ আদি বিভিন্ন বৈপৰীত্য থকা ভাবধাৰাৰ সমষ্টিয়ে হ'ল ভাৰত বীক্ষা। তাৰ মাজত নাৰী সম্পৰ্কীয় দ্বান্দ্বিক ধাৰণাও আছে বিৰাজমান হৈ। নাৰীক এক দিকে আদ্যাশক্তি মহামায়া সজাই বসুমতী, নদী, অন্ন, বিদ্যা, বিত্ত, সামৰ্থ্য সকলো জীৱনৰ অংগ সদৃশ বুলি গণ্য কৰা হৈছে। কোৱা হয় য'ত নাৰীক সন্মান কৰা হয় তাতে দেৱতাসকলে বিপহাৰ কৰে, অন্যফালে গৃহ পৰিবাৰক ভাৰবাহী জীৱতকৈ উন্নত বুলি ভবা নহয়। শূদ্ৰৰ দৰে নাৰীৰো অধিকাৰ খৰ্ব কঁৰা হৈ আছে ভাৰতীয়ত্বৰ দৰ্শনত। গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী, খনাৰ দৰে দুই-এগৰাকী নাৰী বিদূষী আছিল যদিও সাধাৰণ নাৰী অক্ষৰ-জ্ঞানচ্যুত আছিল। সপত্নী বিড়ম্বনা, অকাল বৈধব্য, বাধ্যতামূলক ব্ৰহ্মচৰ্য, সতীদাহ আদি বিকাৰ সমাজত সাধাৰণভাৱে প্ৰচলিত প্ৰথা। গতিকে নাৰী বিপথগামী হৈছিল, ধৰ্মান্তৰিত হৈছিল, বৃদ্ধ বয়সত সন্ন্যাস ল'ব লাগিছিল, তীৰ্থস্থানলৈ নৈ ভিক্ষা বৃত্তি লৈছিল, মনুৰ পৰা ৰঘুনন্দনলৈ নাৰীৰ বিধানদাতা সকলৰ সংস্কৃতি ঊনৈশ শতিকা পৰ্যন্ত চলি আহিছিল। ইংৰাজ, ৰাম মোহন, বিদ্যাসাগৰ, বিবেকানন্দ, গান্ধীৰ হস্তক্ষেপত ইয়াৰ কিছু পৰিৱৰ্তন আহে। জাতি ভেদ, বিবাহ, সাজ-সজ্জা, ভোজন সকলোতে নাৰীক পুৰুষতকৈ তলত ৰখা হৈছিল। উদাৰতা, সহনশীলতা, নমনীয় জীৱন দৰ্শনে আৰু দৃষ্টিয়েহে এনে অন্ধকাৰৰ পৰা গণতান্ত্ৰিক ব্যৱস্থালৈ ভাৰতক উন্নত কৰিব পাৰিব সি ধুৰুপ। ■■

*"পিতাৰ কন্যাৰূপে এটি পদাৰ্থ আছে। তেওঁ সেই পদাৰ্থটি ঘৰত ৰখাৰ সুবিধা যেন নেদেখি মানুহ এজন মাতি আনি তাক দান কৰি দানৰ পুণ্য সঞ্চয় কৰে। অৰ্থাৎ তিৰোতাৰ স্থান দান-সামগ্ৰীৰ মাজত।"*

— লক্ষীধৰ শৰ্মা



TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM



# Succulents and Cacti

**Dr. Sanjukta Gohain Baruah**
Department of Botany
Tinsukia College



Succulents are plants that have evolved with the ability to store water in their leaves, bodies and roots to enable them to survive in periods of drought. Succulents as a word is derived from the latin word succos which means juice, sap. They have adopted to the arid climates of desert and semidesert on account of their water storing ability. More than 60 families and 300 genera of succulents are found. One of the largest families of succulent flora is Cactaceae or Cactus family. Cacti differ from other succulents in having areoles from which their spines are grow. They have special water storage tissue in thickened and swollen leaves, stems or roots as an adaptation to arid environments. These plants can survive in habitats, which are too dry for most of plants. Depending on the water storing part of the succulents they





may be categorized as under :

**Leaf Succulents :** In these type leaves are almost or entirely composed of water storage cells covered by thin layer of photosynthetic tissues.

**Stem Succulents :** In most of the cacti fleshy stems contain water storage cells overlaid by photosynthetic tissues. Leaves are almost or entirely absent, reducing surface area prevent loss of water.

**Root succulents :** In these plants swollen fleshy roots store water underground away from the heat of the sun. Leaves are shed during prolonged dry seasons.

There are some other succulents in which cobinations of the above types may occur where more than one organ in used to store water.

Succulents can be grown in clay or plastic pots. They are grown in soil consisting of compost, sharp sand and grit and locally available materials. In order to provide fresh compost repotting is done every year. During the summer soil in soacked once a week. The potting mixture should dry out between two waterings. Succulents do not like to stagnate in water and would dry. Most succulents need as much light as possible. So a south or south-east facing area is ideal for succlents.

Some beautiful cacti and succulents are as follows :



Botanical name : *Echinocactus ingens*
Family : Cactaceae

*Echinocactus* is a slow growing massive rounded or barrel shaped cactus, native to Mexico. It could live more than 100 years. The stems are globular to barrel shaped, slightly flattened at the apex. The center of the apex covered with yellowish felt. There are 6 to 48 ribs and the number of ribs increases with maturity. The spines are straight, thick, rigid and about 2-3 cm long, black or dark brown in colour. The





flowers are tubular, about 2cm long and 3cm broad and yellow in colour. Blooming season is end of spring to summer.





Botanical name : *Echinopsis werdermannii*
Family : Cactaceae

The plant body is clump forming, almost spherical perennial cactus with a 10-15 ribbed, spined, dark green stem. It bears funnel shpaed white flowers. It gorws 5-6 cm tall and wide with single or clustered globose stems covered by greyish-brown spines.



Botanical name : *Sedum morganianum*
Family : Crassulaceae

*Sedum* is a genus of 500-600 species, most of which are succulent perennials but a few are annuals and binniales.

*S. morganianum* is one of the prettiest sedum. The stem prostrate or pendent, 60 cm or more in length, covered with overlapping leaves. These are 2.5 cm long, almost cylindrical, tapering to a pint which curves inwards, light grey-green in colour. Flowers are about 1cm long, red, in

small clusters in spring or in summer. It is an excellent plant for hanging basket.



Botanical name : *Schlumbergera sp.*
(Zygocactus, Christmas Cactus)
Family : Cactaceae

Zygocactus is one of the most popular house plant which flowers at the time of Christmas. It is therefore popularly known as crhistmas cactus. It is indigenous to the mountainous rain forests in the eastern coast of Brazil and grow there as epiphytes i.e. on trees or tree trunks or in humus layers on the rocks.

Zygocactus produces beautiful tubular flowers in white, pink, red, yellow etc. during November to January. The leaves are small, flat, smooth with scalloped edges. It is an easy care flowering plant.

Botanical name : *Adenium obesum*
(Desert rose)
Family : Apocynaceae



The plants are shrubby with thick roots which generally swell above the ground. The branches are thick, grey green, shiny and fleshy. Leaves are spirally arranged at the tip of branches. They are about 8 cm long, glossy and dark green in colour. Flowers are short stalked, funnel shaped about 5 cm long. The colour of the flowers are dark pink, red or pinkish with carmine edges.

Botanical name : *Aeonium sp.*
Family : Crassulaceae

*Aeonium* are native to the Canary Islands and North Africa. The name means 'evergreen' so the plant never loses its



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM





leaves until after it blooms i.e. when the flowering rosette dies. From the middle of the rosette pink, yellow or white flowers are developed in spring or summer, after which rosette will die. The leaves of most *Aeonium* are spoon shaped and thin. With luck, the mother plant produced lots of pups around the base of the stem. These can pulled off to make more plants.

**Botanical name : *Graptopetalum paraguayense***
**(Ghost plant)**
**Family : Crassulaceae**

***Graptopetalum paraguayense*** **is a clumb forming, perennial succulent with a basal rosette of grey-green or light blue**



green leaves bears star shaped, yellow or red flowers during summer. The plant has beautiful trailing rosettes, perfect for hanging pot. When grown in full sun, these will turn yellowish pink, however in shade it will be bluish grey in colour. The rosette grows up to 4" wide (10 cm). The plant can grow up to 30 cm and trail upto 3ft long. The plant is propagated by leaves and cuttings.



Botanical name : *Hylotelephium sp.*
Family : Crassulaceae

*Hylotelephium* is a genus of succulent plants and include 33 species. The plants are perennial with ecret unbranched stems, grow up to 50 cm tall. Leaves are toothed, dull blue green or grey-green in colour and sometimes form rosette at the apex. Flowers bloom from late summer.



Botanical name : *Duvalia sp.*
Family : Apocynaceae

*Duvalia* sp are slow growing, perennial succulent plants. The stems are clavate, cylindrical to spherical. In cross section 4 to 6 edges and to about 10 inche long. They can range from green, grey to mottled reddish in colour. *Duvalia* sp. can only be distinguished from each other when the flowers are seen. The flowers have five thin elongated petal-like lobes which are red, pink to dark purple in colour.



Botanical name : *Pachyphytum oviferum*
(Sugaralmond plant, moonstone)
Family : Crassulaceae

The meaning of the name *Pachyphytum oviferum* is thick plant bearing eggs. The leaves are succulent and egg shapped which gave its name to the species. The leaves are 3 to 5 cm long, 1.8 to 3 cm wide and 8 to 17 mm thick. Leaves are pale blue green or light bluish purple looking like a sugared almond confection. The inflorescence consists of a 30 cm stem bearing scarlet, bell shaped flowers.

Botanical name : *Kalanchoe blossfeldiana*
Family : Crassulaceae

*Kalanchoe blossfeldiana* is a bushy, evergreen and perennial succulent plant. The plant has green, shiny and textured glossy foliage which stay green all the year.







The scallop-edged and ovate leaves are arranged in an opposite fashion are simple in type with crenate margins. Flowers bloom in winter. The common dwarf breeding variety of Kalanchoe produce various shades of red, pink, lilac, yellow, bright orange etc. flowers. The inflorescence are born by peduncle & terminal in nature.



Botanical name : *Echeveria sp.*
Family : Crassulaceae

*Echeveria* is a genus of 150 species of evergreen succulent perennials which are usually stemless with resettes of fleshy, attractive leaves. The flowers are tubular to bell shaped with five fleshy petals. *Echeveria* are propagated by detaching rosettes or by leaf cuttings in summer or by division or seed in spring. *Echeveria* was named for the Spanish botanical artist Athanasio Echeverria Godoy.



Botanical name : *Euphorbia milii* var splendens
(Crown of thorns)
Family : Euphorbiaceae

*Euphorbia* is named after Euphorbius, a greek physician who used its

sap medicinally. It is a small, slow growing, slender, fleshy and thorny shrub. Leaves are bright green, tough, obovate and about 2.5 to 3 cm long. Many varieties and hybrids are available, varying in flower size and red, pink, yellow, orange etc. in colour. The plants grow best in full sun but can tolerate light shade. It requires well drained soil and its watering needs are low. It is propagated from stem cutting and seeds.



Botanical name : *Beaucarnea recurvata* (Elephant foot tree)

Family : Agavaceae

The plants have a bulbous swelling of the trank at the soil level. Bark in greyish brown in colour and crinkled in texture. The swollen base serves as a water reservoir for the plants to withstand the condition of drought. The plant generally grow with trunk crowned with long leaves, which densely cover the stem, give marvelous look to the plant. The plant servive for years in small containers.



Botanical name : *Howorthia attenuata*

(Zebra cactus)

Family : Asphodelaceae

*Howarthia attenuata* is a succulent houseplant. They are frequently compared and confused with *Aloe* and *Gasteria* plants. *Howorthia* are small and very slow growing





plants. *H. attenuata* and *H. fasciata* both are commonly known as Zebra cactus. The white wart-like tubercles cover the back of the leaves often in a stripy arrangement which resembles a zebra stripe pattern.



*H. coaretata* is a species of flowering succulent plant grows in large clumps. It has long stem packed with robust succulent leaves. It is normally dark green in colour but sometimes acquires purple-red in full sunlight.

Botanical name : *Gasteria sp.*

(Ox tongue)

Family : Asphodelaceae

*Gasteria* is a genus of succulent plants native to South Africa. The name of the genus derives from the Latin word for 'stomach' and refers to the shape of the



flower. *Gasteria* is a stemless, perennial succulent plant with stropshaped leaves in two opposite raws. They are recognisable from their thick, hard succulent tongue-shaped leaves. Their inflorescence is also unique, with their curved, stomach shaped flowers which hang from inclined racemes.



Botanical name : *Faucaria felina*

(Tiger-jaws)'

Family : Aizoaceae

*Faucaria felina*, sometimes refered as Tiger-jaws, in a succulent plant. It is a clump-forming perennial succulent, upto

0.8 inches (2cm) wide, ovate triangular in the top view, scattered in white rough tubercles over the upper surface and edged with soft white structures that look like teeth. The flowers are large, daisy like, yellow and upto 1.6 inches in diameter.



Botanical name : *Sansevieria trifasciata* (Snake plant, mother-in-laws tongue)
Family : Asparagaceae

*Sansevieria trifasciata* is commonly called snake plant or mother-in-laws tongue because of their sharpness. It forms dense stands, spreading by way of its creeping rhizome, which is sometimes above ground sometimes underground. Its stiff leaves grow vertically from the basal rosette. Leaves are banded light yellow or either side with a deep green, lightly banded structure. The flowers are greenish white in colour. They are propagated by division of rhizome at any time of the year.



*Sansevieria trifasciata 'Futura robusta'* is the shortest variety. The leaves are silvery green with dark green stripe.

*S. trifasciata* 'Golden hahnii' is the brightest cultivar with thick goldedges and light green centre.



*S. trifascuata cylindrica*, is the most unique variety of the snake plant, because the stems have a round shape similar to bamboo stalks.

■■



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# গাখীৰত থকা খনিজ মৌলসমূহ আৰু শৰীৰত ইবিলাকৰ প্ৰয়োজনীয়তা

মণিকা দেৱী
মুৰব্বী অধ্যাপিকা, ৰসায়ন বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

সদ্য জন্মপ্ৰাপ্ত শিশু (neonate)ৰ শাৰীৰিক আৰু মানসিক বিকাশৰ লগতে শক্তি যোগানৰ বাবে অতি প্ৰয়োজনীয় আহাৰ হৈছে দুগ্ধ বা গাখীৰ। দুগ্ধ হৈছে মাইকী স্তন্যপায়ী প্ৰাণী (mamals)ৰ স্তনগ্ৰন্থিৰ পৰা নিঃসৰিত হোৱা এবিধ বগা পনীয়া ৰস। আহাৰ হিচাপে এই পনীয়া ৰসে মুখ্যতঃ শৰীৰৰ পুষ্টিসাধন কৰে। ই এনে এবিধ আহাৰ য'ত মানৱ শৰীৰৰ কাৰণে প্ৰয়োজনীয় সকলো পুষ্টিকৰ উপাদান প্ৰচুৰ পৰিমাণে প্ৰাপ্তব্য। মানুহকে ধৰি সকলো স্তন্যপায়ী প্ৰাণীয়ে জন্মৰ পিছত সন্তানক দুগ্ধ পান কৰায়। সন্তানে মাকৰ পৰা গ্ৰহণ কৰা প্ৰথম গাখীৰত কলষ্ট্ৰাম (colostrum) থাকে। এই কলষ্ট্ৰামে সদ্য জন্মপ্ৰাপ্ত শিশুৰ দেহত বীজাণু প্ৰতিষেধক (antibody) হিচাপে কাম কৰি শিশুক বিভিন্ন ৰোগৰ পৰা মুক্ত কৰি ৰাখে। গাখীৰ হৈছে শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে গ্ৰহণ কৰিব পৰা এবিধ পুষ্টিকৰ আহাৰ। দেখা যায়, বেছি সংখ্যক লোকে গাখীৰৰ পৰা তৈয়াৰী দৈ, ক্ৰীম, মাখন, চিজ, কেচিন (casein) আদি দৈনন্দিন খাদ্য হিচাপে গ্ৰহণ কৰে। প্ৰায় ৮২-৮৫ শতাংশ পানীৰে সৈতে গাখীৰত প্ৰ'টিন, শৰ্কৰা, চৰ্বি আদি জৈৱ অণু (Bio-molecules) মিহলি হৈ থাকে। শতকৰা হাৰত এই জৈৱ অণুবিলাকৰ পৰিমাণ হ'ল —

| জৈৱ অণু (Bio-molecules) | শতকৰা হাৰ (percentage) |
| --- | --- |
| প্ৰ'টিন (proteins) | ৩.৬ |
| চৰ্বি (fats) | ৪.১ |
| শৰ্কৰা (sugar) | ৪.৫ |

গাখীৰত থকা প্ৰটিনক কেচিন নামেৰে জনা যায়। এক লিটাৰ বিশুদ্ধ গাখীৰত প্ৰায় ৩০-৩৬ গ্ৰাম প্ৰ'টিন থাকে। এই প্ৰ'টিনসমূহত ৯ বিধ অপৰিহাৰ্য্য (essential) এমিন' এচিড পোৱা যায়। ইবিলাক হৈছে— হিচটিডিন (Histidine), লিউচাইন (Leucine), আৰ্জিনাইন (Arginine), লাইচিন (Lysine), ভেলিন (Valine), মিথায়নাইন (Methionine), আইছ'লিউচাইন (Isoleucine) , গ্লাইচিন (Glycine)

আৰু প্ৰলিন (Proline)। গাখীৰত থকা প্ৰটিনসমূহে ফচ্‌ফেট (Phosphate), কেল্‌চিয়াম বা অন্য জৈৱ এচিডৰ লগ লাগি কেচিন মাইচেল (Casien micells) গঠন কৰে। ইবিলাক $১০^{৪}$—$১০^{৫}$ কেচিন অণুৰ দ্বাৰা গঠিত।

অন্যহাতে গাখীৰৰ চৰ্বিভাগ জটিল ফেটি এচিড আৰু গ্লিচাৰলৰ এষ্টাৰ আৰু শৰ্কৰাক লেক্টজ (Lactose) নামেৰে জনা যায়। বিভিন্ন স্তন্যপায়ী জীৱজন্তুৰ গাখীৰত থকা এই জৈৱ অণুবিলাকৰ মান হ'ল —

| স্তন্যপায়ী জীৱ | প্ৰ'টিন | শৰ্কৰা | চৰ্বি (শতকৰা হিচাপত) |
|---|---|---|---|
| মানুহ | ১.৪ | ৬.৫ | ৩.৮ |
| ছাগলী | ৩.৩ | ৪.৮ | ৪.২ |
| গাধ | ৫.৫ | ৪.৫ | ৬.৫ |
| গৰু | ৩.৪ | ৪.৯ | ৩.৯ |

উক্ত জৈৱ অণুসমূহৰ লগত পিৰিডক্সিন (Pyridoxine), থাইমিন (Thimine), ৰিব'ফ্লেভিন্ (Riboflavin) আদি অতি লাগতিয়াল ভিটামিন গাখীৰত পোৱা যায়।

আমাৰ শৰীৰৰ কাৰণে অতি প্ৰয়োজনীয় কিছুমান খনিজ মৌল (Minerals)ও পৰ্য্যাপ্ত পৰিমাণে গাখীৰত থাকে। উদাহৰণ স্বৰূপে ক্লৰাইড (Chloride), ফচ্‌ফেট (Phosphate), চাইট্ৰেট (Citrate) আৰু বাইকাৰ্বনেট (bicarbonate)ৰ লৱণ হিচাপে থকা ছডিয়াম (Sodium), কেল্‌চিয়াম (Calcium), মেগনেচিয়াম (Magnecium) আদি মৌলসমূহ উল্লেখ কৰিব পাৰি। গাখীৰত থকা এই খনিজ মৌলসমূহ দুইধৰণৰ —

১। মুখ্য মৌল (Major minerals)

২। অল্পমাত্ৰিক মৌল (Trace elements & minor minerals)

| মুখ্য মৌল | মি.গ্ৰা. (প্ৰতিলিটাৰত) | অল্পমাত্ৰিক মৌল | মি.গ্ৰা. (প্ৰতিলিটাৰত) |
|---|---|---|---|
| পটাছিয়াম | ১,৫০০ | জিংক | ৪০০০ |
| কেল্‌চিয়াম | ১,২০০ | আইৰণ | ৪০০ |
| ছডিয়াম | ৫০০ | কপাৰ | ১২০ |
| মেগ্‌নেছিয়াম | ১,০০০ | ফ্লৰিণ | ১৫০ |
| ক্লৰিণ | ১,০০০ | আয়'ডিন | ৬০ |

উক্ত মৌলসমূহৰ উপৰিও নিকেল, চিলিকণ, মেংগানিজ আদিও অতি কম পৰিমাণে গাখীৰত উপলব্ধ।

**সু-স্বাস্থ্যৰ বাবে খনিজ মৌলৰ প্ৰয়োজনীয়তা ঃ**

**পটাছিয়াম (Potassium) ঃ** এজন প্ৰাপ্তবয়স্কক প্ৰতিদিনে প্ৰায় ৩,৫১৯ মি.গ্ৰা. পটাছিয়ামৰ প্ৰয়োজন সম্পৰ্কে বিশ্ব স্বাস্থ্য সংস্থা (WHO)ই যোগান ধৰা এটা বাতৰিত উল্লেখ আছে। এই মৌলবিধে মানুহৰ আন্তঃ আৰু বহিঃ কোষীয় পানীৰ চাপৰ সমতা ৰক্ষা কৰে। ইয়াৰ উপৰিও হাড় আৰু পেশীসমূহ সবল কৰি





ৰখাত পটাছিয়ামৰ ভূমিকা অধিক। সঠিক হিচাপত থাকিলে এই মৌলবিধে বৃক্কত পাথৰ গঠন হোৱাৰ সম্ভাৱনা কমাই ৰাখে (reduce the formation of kidney stones)। পটাছিয়ামৰ অভাৱ ঘটিলে কৌষ্ঠকাঠিন্যতা (Constipation), শাৰীৰিক দুৰ্বলতা আদি ৰোগত আক্ৰান্ত হোৱাৰ অৱকাশ থাকে।

**কেলচিয়াম (Calcium) ঃ** মানৱ দেহত খনিজ মৌলৰ প্ৰায় চল্লিশ শতাংশই কেল্‌চিয়াম। ইয়াৰে প্ৰায় নব্বৈ শতাংশ হাড় আৰু দাঁতৰ গঠনৰ বাবে প্ৰয়োজন হয় আৰু বাকী দহ (১০) শতাংশ কোষৰ পনীয়া অংশত থাকি অন্যান্য কাৰ্য সম্পাদন কৰে। কেল্‌চিয়ামৰ মুখ্য কাম হ'ল —

১। ফচ্‌ফৰাচৰ সৈতে লগ লাগি হাড় আৰু দাঁতৰ গঠন সবল কৰাৰ লগতে ইবিলাকৰ আকাৰ অটুত ৰখাত সহায় কৰে।

২। এন্‌জাইম (Enzime) উদ্দীপক হিচাপেও এই মৌলৰ গুৰুত্ব অধিক।

৩। মাংসপেশী সংকোচনত সহায় কৰাৰ লগতে স্নায়ু উত্তেজিত কৰা কামতো এই মৌলবিধে অংশ লয়।

৪। গৱেষণাৰ পৰা এইটোও দেখা গৈছে যে কেল্‌চিয়ামে শৰীৰৰ চৰ্বিসমূহ বাৰণ কৰি মেদবহুলতাৰ পৰাও ৰক্ষা কৰে।

দেহত কেল্‌চিয়ামৰ অভাৱ ঘটিলে, হাড়ৰ গঠন দুৰ্বল হয়। কেল্‌চিয়ামৰ অভাৱজনিত অষ্টিঅ'পৰ'ছিছ (osteoporosis) এনে এবিধ ৰোগ যি দেহৰ হাড়বিলাক ঠুনুকা কৰি পেলায়।

বয়সৰ পৰিবৰ্তনৰ লগে লগে কেল্‌চিয়ামৰ আৱশ্যকতাৰ পৰিমাণ বেলেগ বেলেগ হয়। **Food and Nutrition Boards of Institute of Medicine of National Academic**ৰ নিৰ্দেশনা (guideline) অনুযায়ী দিন হিচাপত বিভিন্ন বয়সৰ লোকক প্ৰয়োজনীয় কেল্‌চিয়ামৰ পৰিমাণ হ'ল —

| বয়স | দিন হিচাপত কেল্‌চিয়াম (মি.গ্ৰা.) |
|---|---|
| ৭—১৮ বছৰৰ বয়সৰ ল'ৰা-ছোৱালী | ১,৩০০ |
| ১৯—৫০ বছৰ বয়সৰ পুৰুষ-মহিলা | ১,০০০ |
| ৫১ — ৭০ বছৰ বয়সৰ মহিলা | ১,২০০ |
| ৫১ — ৭০ বছৰ বয়সৰ পুৰুষ | ১,০০০ |
| সন্তান সম্ভৱা বা সন্তানক গাখীৰ খুৱাই থকা মহিলা | ১,৩০০ |

**ছডিয়াম (Sodium) ঃ** এইবিধ মৌল ক্লৰাইড বা বাইকাৰ্বনেটৰ লৱণ হিচাপে কোষৰ পনীয়া অংশত থাকি খাৰ আৰু অম্লৰ সমতা ৰক্ষা কৰে। কোনো লোকৰ শাৰীৰিক পৰিশ্ৰম, জলবায়ুৰ প্ৰভাৱ আদিৰ ওপৰত ছডিয়ামৰ চাহিদাৰ কম-বেছি নিৰূপণ হয়। বেছিকৈ ঘামি থকা লোকৰ ক্ষেত্ৰত এইবিধ মৌলৰ প্ৰয়োজনীয়তা বেছি। অন্যহাতে উচ্চ ৰক্ত চাপ বৃদ্ধিত সহায় কৰে কাৰণে, উক্ত ৰক্ত চাপত আক্ৰান্ত ৰোগীয়ে ছডিয়ামৰ লৱণ গ্ৰহণ কৰোতে সাৱধান হোৱা উচিত। ৰ'দত বিমূৰ্চ্ছিত (Sunstrok) হোৱাসকলৰ

ক্ষেত্ৰত এই মৌলবিধৰ অধিক গুৰুত্ব আছে। শৰীৰত ছডিয়ামৰ ভাৰসাম্যতা অবিহনে পেশী সংকোচন (muscle cramp), আল্‌জাল (lethargy), আচন্ত্ৰায় বা মূৰ ঘূৰণি (dizziness) আদি ৰোগ হোৱাৰ সম্ভাৱনা থাকে।

এজন প্ৰাপ্তবয়স্ক লোকক প্ৰতিদিনে দুই হেজাৰ (২০০০) মি.গ্ৰাম ছডিয়ামৰ দৰকাৰ হয়।

**মেগ্‌নেচিয়াম (Magnesium)** ঃ শৰীৰৰ সকলো কোষতে মেগ্‌নেচিয়াম থাকে। পুষ্টিহীন লোকৰ ক্ষেত্ৰত এই মৌলবিধৰ অভাৱ দেখা যায়। মেগ্‌নেচিয়ামৰ অভাৱ ঘটিলে মানুহ খিংখিঙীয়া হয় আৰু অপ্ৰয়োজনীয়ভাৱে খং উঠে। প্ৰতিদিনে এজন প্ৰাপ্তবয়স্ক লোকৰ বাবে ১২০- ২০০ মি.গ্ৰা. মেগ্‌নেচিয়ামেই যথেষ্ট।

**ক্লৰিণ (Chlorine)** ঃ এই মৌলবিধ ছডিয়ামৰ লৱণ হিচাপে তেজত থাকি শৰীৰত পানীৰ সমতা, পি.এইচ (pH) আৰু ৰসাকৰ্ষী (Osmotic) চাপ নিয়ন্ত্ৰণ কৰে। পেটৰ অসুখ, বমি বা অত্যাধিক ঘাম ওলালে দেহত ক্লৰিণ আৰু ছডিয়াম দুয়োবিধ মৌলৰে অভাৱ ঘটে। এই মৌলই প্ৰতিদিনে দেহৰ অপকাৰী যিকোনো বস্তু শৰীৰৰ পৰা আঁতৰাই দিয়াত সহায় কৰে। ছডিয়ামৰ লৱণ হিচাপে থকা ক্লৰিণৰ মাত্ৰাও দেহত বাঢ়ি যোৱাটো সমিচীন নহয়। কাৰণ ই বহুমূত্ৰ বা মধুমেহ ৰোগৰ আৰম্ভণ কৰিব পাৰে। ক্লৰিণৰ পৰিমাণ সঠিক নাথাকিলে শৰীৰত পানীৰ পৰিমাণ বৃদ্ধি হোৱা, মূৰ আৰু বুকুৰ বিষ, শুকান কাঁহ হোৱাৰ লগতে দেহত ক্লৰিণৰ পৰিমাণ বৃদ্ধি পোৱাৰ বাবে নিউমনিয়া (Pneumonia) ৰোগও হ'ব পাৰে। পাকস্থলীত হাইড্ৰ'ক্লৰিক এচিড সৃষ্টি হ'বলৈও ক্লৰিণ অতি প্ৰয়োজন। কাৰণ এই হাইড্ৰক্লৰিক এচিড হ'ল পাচক ৰস (digestive fluid)ৰ এক মুখ্য উপাদান। মগজুৰ সুস্থ পৰিচালনাৰ বাবেও ক্লৰিণৰ প্ৰয়োজনীয়তা অধিক। ক্লৰিণে যকৃতৰ চৰ্বি হ্ৰাস কৰাৰ (reduction of fat in the liver) লগতে দেহৰ বিষাক্ত পদাৰ্থ আৰু কাৰ্বন-ডাই-অক্সাইড (Carbondioxide) আঁতৰ কৰা কাৰ্য্যত সহায় কৰে। তাৰোপৰি শৰীৰৰ পেশীসমূহ আৰু স্নায়ুৰ সুস্থ পৰিচালনাৰ কাৰণেও ক্লৰিণৰ প্ৰয়োজন হয়। দৈনিক হাৰত বেলেগ বেলেগ বয়সৰ লোকৰ বাবে প্ৰয়োজনীয় ক্লৰিণৰ মান হ'ল এনেধৰণৰ —

কৈশোৰ (Adolescent children) ঃ ১১০০-২৩০০ মিঃগ্ৰাঃ

শিশু (Younger children) ঃ ৩০০-৮০০ মিঃগ্ৰাঃ

প্ৰাপ্তবয়স্ক লোক (Adults) ঃ ২৩০০ মিঃগ্ৰাঃ

দেহত ক্লৰিণৰ অভাৱ হ'লে ভাগৰ লগা, ভোক নলগা, মাংসপেশীৰ দুৰ্বলতা, পাহৰি যোৱা, মুখ শুকাই থকা, দাঁত আৰু চুলি সৰা আদি ৰোগে দেখা দিব পাৰে।

ওপৰত আলোচনা কৰা মুখ্য মৌলসমূহৰ লগতে অল্পমাত্ৰিক মৌলসমূহৰ প্ৰয়োজনীয়তাও লেখত ল'বলগীয়া। উদাহৰণ স্বৰূপে —

**আইৰণ বা লৌহ পদাৰ্থ (Iron)** ঃ মানুহৰ শৰীৰত প্ৰায় তিনি-চাৰি গ্ৰাম মানহে আইৰণ থাকে। ইয়াৰে আকৌ তিনি চতুৰ্থাংশই তেজত থাকি হিম'গ্লবিনৰ গঠন আৰু অক্সিজেন পৰিবহনত সহায় কৰে।



বিভিন্ন কাম-কাজৰ কাৰণে আমাৰ শৰীৰক প্ৰায় ২০ শতাংশ অক্সিজেনৰ প্ৰয়োজন হয়। দেহত আইৰণ কমি গ'লে আইৰণৰ অভাৱ জনিত ৰোগ (anemea) হয়। মূৰৰ বিষ, শৰীৰৰ দুৰ্বলতা, বেছিকৈ ঠাণ্ডা লগা আদি আইৰণৰ অভাৱজনিত ৰোগৰ লক্ষণ। কাটিলে বা ৰক্তক্ষৰণ হ'লে, প্ৰস্ৰাৱত, মহিলাৰ ঋতুস্ৰাৱ বা প্ৰসৱৰ সময়ত যথেষ্ট আইৰণ নষ্ট হয় আৰু এইবিলাকেই আইৰণৰ অভাৱজনিত ৰোগৰ কাৰক হৈ পৰে। লৌহ পদাৰ্থৰ অভাৱত অপৈণত শিশুৰ জন্ম, শিশুৰ শ্ৰীবৃদ্ধি হ্ৰাস আৰু বহু সময়ত গৰ্ভপাত হোৱাৰ সম্ভাৱনা থাকে। অলপ কাম কৰিলে ভাগৰ লগা, উশাহ চুটি হোৱা আদি এনে ৰোগৰ লক্ষণ অনুভৱ কৰিলে অতি সোনকালে ডাক্তৰৰ পৰামৰ্শ লোৱা আৱশ্যক। প্ৰতিদিন হিচাপত বয়স ভেদে আইৰণৰ চাহিদাও বেলেগ বেলেগ হয়। উদাহৰণ স্বৰূপে —

| বয়স | প্ৰতিদিন হিচাপত (মিঃগ্ৰাঃ) |
|---|---|
| ৪ - ৮ বছৰৰ শিশু | ১০ |
| ৯ বছৰৰ ওপৰৰ শিশু | ৮ |
| ১৯-৫০ বছৰ বয়সৰ মহিলাক | ১৮ |
| ৫১ বছৰৰ উৰ্দ্ধৰ মহিলাক | ৮ |
| গৰ্ভাৱতী মহিলাক | ২৭ ইত্যাদি |

**জিংক (Zinc)** ঃ শৰীৰৰ সকলো কোষতে জিংক থাকে। দেহৰ আত্মৰক্ষা প্ৰণালী (defensive system)টো কাৰ্যক্ষম হৈ থাকিবলৈ এইবিধ মৌলৰ অতি প্ৰয়োজন। কোষৰ বিভাজন (cell division), কোষৰ বৃদ্ধি (cell growth), শৰ্কৰা (carbohydrate)ৰ বিভাজন আদিত এই মৌলবিধে মুখ্য ভূমিকা গ্ৰহণ কৰে। কটা ঘাঁ শুকুৱাত সহায় কৰাৰ লগতে ইনচুলিনৰ কাৰ্য্য ক্ষমতা বৃদ্ধিৰ বাবে জিংকৰ প্ৰয়োজন। জিংকৰ অভাৱ হ'লে শিশুৰ বৃদ্ধিত বাধা পৰে, যৌন ক্ষমতা হ্ৰাস পায়, ঘাঁ শুকুৱাত পলম হয় আৰু খোৱাৰ ৰুচি কমে। তদুপৰি থেলাচিমিয়া (Thalassemia),q হৃদপিণ্ডৰ মাংসপেশীৰ বিকলতা, যকৃতৰ অসুখ আদি ৰোগ জিংকৰ অভাৱৰ কাৰণেও হ'ব পাৰে।

প্ৰয়োজনীয় অনুপাততকৈ দেহত জিংকৰ মাত্ৰা কম হ'লে ৰোগৰ সংক্ৰমণ (Infection), পেটৰ অসুখ (Diarrhea) আৰু শ্বাস প্ৰশ্বাস (Resipiratory disease) জনিত ৰোগত শিশু সহজেই আক্ৰান্ত হয়। বিভিন্ন বয়সৰ লোকক প্ৰতিদিনেই প্ৰয়োজন হোৱা জিংকৰ পৰিমাণ হ'ল —

| বয়স | পৰিমাণ (মিঃ গ্ৰাঃ হিচাপত) |
|---|---|
| ১ - ৮ বছৰ বয়সৰ শিশুক | ৩ - ৫ |
| ১৪ বছৰৰ ওপৰৰ শিশুক | ১১ |
| সন্তান সম্ভৱা আৰু কেঁচুৱাক | |
| গাখীৰ খুওৱা মহিলাক | ১১ - ১৩ |
| (বয়সৰ ওপৰত নিৰ্ভৰ কৰি) | ইত্যাদি |

**আয়ডিন (Iodine) ঃ** থাইৰয়ড গ্ৰন্থিসমূহক থাইৰয়ড হ'ৰমন উৎপাদনৰ কাৰণে আয়ডিন লাগে। আয়ডিনৰ অভাৱৰ কাৰণে মানসিক বাধাগ্ৰস্ততা, গৰ্ভপাত, মৃত সন্তানৰ জন্ম আদি সমস্যাৰ সৃষ্টি হয়। আয়ডিনহীনতাত ভোগা লোকসকল তুলনামূলকভাৱে সাধাৰণ লোকতকৈ ভাগৰুৱা হয়। ক্ৰেটিনিজম (Cretinism) হৈছে আয়ডিনৰ অভাৱজনিত এক বিশেষ ৰোগ। শৰীৰত আয়ডিনৰ অভাৱ হ'লে থাইৰয়ড গ্ৰন্থিত আয়ডিনৰ পৰিমাণ কমি যায় আৰু থাইৰয়ড ষ্টিমুলেটি (Thyroid Stimulating) হ'ৰমনৰ ক্ষৰণ বৃদ্ধি পায়। ফলত থাইৰয়ড গ্ৰন্থিসমূহ বৃদ্ধি হৈ গইটাৰ (Goiter) ৰোগলৈ পৰিবৰ্তন হয়। কৈশোৰ কাল প্ৰাপ্তজনক (adolescence) দিনে প্ৰায় ১৫০ মাইক্ৰগ্ৰাম আৰু গৰ্ভাৱতী মহিলাক প্ৰতিদিনে ২২০ মাইক্ৰগ্ৰাম আয়ডিনৰ প্ৰয়োজন হয়।

চৰকাৰে ২০০৬ চনৰ মে' মাহৰ পৰাই আয়ডিনযুক্ত লৱণ খোৱাটো বাধ্যতামূলক কৰি বজাৰত আয়ডিনহীন লৱণৰ বিক্ৰী বন্ধ কৰি দিছে, যাতে কোনো লোকে আয়ডিনৰ অভাৱজনিত ৰোগৰ যন্ত্ৰণা ভোগ কৰিবলগীয়া নহয়।

**ফ্লৰিণ (Fluorine) ঃ** হাড় আৰু দাঁতৰ এনামেল গঠনৰ কাৰণে ফ্লৰিণৰ প্ৰয়োজন হয়। ফ্লৰিণৰ অভাৱত দাঁতত খাৰে ধৰা বা ক্ষয় হোৱা (Dental caries) ৰোগ হয়। অত্যাধিক ফ্লৰিণে ফ্লৰ'ছিছ (fluorsis) নামৰ ৰোগ সৃষ্টি কৰে। সাধাৰণতে খোৱা পানীত অধিক ফ্লৰিণ থাকিলে এই ৰোগ হয়। শৰীৰে সঘনাই ফ্লৰিণ শোষণ কৰিলে বৃক্ক, হাড়, স্নায়ু আৰু মাংসপেশীৰ অপকাৰ হোৱাৰ সম্ভাৱনা অধিক হয়।

উপসংহাৰ ঃ ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে মানৱ শৰীৰৰ পুষ্টি সাধন কৰিব পৰাকৈ গাখীৰত যথেষ্ট খনিজ মৌল আছে। অৰ্থাৎ গাখীৰে আমাৰ শৰীৰক সম্পূৰ্ণকৈ পুষ্টি যোগান ধৰিব পাৰে। সেয়েহে এই সুষম আহাৰ বিধ সকলো বয়সৰ লোকে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা নিশ্চয় নুই কৰিব নোৱাৰি। কেৱল এটা কথা মন কৰিব লাগিব যাতে খাবলৈ ক্ৰয় কৰি অনা গাখীৰ বিশুদ্ধ হয়। কাৰণ, সম্প্ৰতি ভাৰতবৰ্ষত আটাইতকৈ ভেজাল হোৱা খাদ্যবিধেই হ'ল গাখীৰ। ভাৰতবৰ্ষৰ প্ৰায় সত্তৰ (৭০) শতাংশ গাখীৰেই নিম্নমানৰ। এনে নিম্নমানৰ ভেজাল গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদিত দুগ্ধজাত সামগ্ৰী কিনি খোৱাৰ ফলত মানুহৰ স্বাস্থ্যৰ ক্ষতি হয় আৰু নানাবিধ সাধাৰণ ৰোগকে ধৰি জটিল দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰে। অসমীয়াত এষাৰ প্ৰৱচন আছে — 'বাচি খাবা, জাগি শুবা।' গতিকে স্বাস্থ্য ভালে ৰাখিবলৈ বিশুদ্ধ গাখীৰহে গ্ৰহণ কৰাটো বাঞ্ছনীয়। ■■

*বিঃ দ্ৰঃ - এই মূল্যৱান লেখাটি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'মনীষা' (২০১৭-২০১৮)ত শুদ্ধ ৰূপত মুদ্ৰণ নহ'ল। সেয়েহে মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ বাৰ্ষিক আলোচনী 'ঈক্ষা'ত পুনৰ শুদ্ধকৈ মুদ্ৰণ কৰা হ'ল।*





# Climate Change :
# The Gender Issue

**Mayuri Sharma Baruah**
Asst. Professor, Dept. of English

Adverse changes in climatic conditions are topical issues of serious environmental concern across our planet today. Reasons being many, human apathy towards the complex environmental dynamics has also afflicted our perceptions in an unprecedented manner. There exist both qualitative and quantitative variations in the amount of suffering experienced in different strata of society. Comprehending the impact of this, there is a need to narrow the focus on select issues. It is time to realise how climate change affects women in particular, especially those in the periphery of social and economic development. One may wonder why emphasize on only women and how relevant it is to relate gender with climate change. One ought not to forget that even in the present era amid movements and policies referencing to women empowerment and gender equity, the majority of women, around the world, reel under miserable socio-economic duress. Simply looking at the steady and continuous rise of a handful of women in various fields, we should not ignore the mass of women who suffer from worrying inequity. Among them are rural women, who are debilitating victims of climate change.

Human intervention in Nature's design results in serious natural disasters like flood, drought, excessive rainfall, hails etc. which disrupt normal life of people from time to time. Due to its diverse geographical features, Indian States differ

in experiencing the excruciating effects of climate change. Drought is a severe problem in states like Maharashtra, Odisha and Madhya Pradesh whereas devastating flood ruins areas of Assam and Bihar annually. Whenever such natural disasters hit an area, the womenfolk living within that landscape face difficulties which are not consequential for the men folk to the same degree. During floods, women are deprived of adequate sanitation facilities. Scarcity of clean water impacts both diet and sanitation. Conditions worsen for the women menstruating at that time. The genuine problem of 'private space' is noticed when it comes to a lactating mother or an expectant mother. Safety of women poses a threat during floods, especially among teenage girls, who are emotionally vulnerable and who are targeted for trafficking.

Apart from these 'unprepared for phases,' climate change affects the daily lifestyle of rural women in many ways. In remote areas where people still depend on natural water bodies like rivers for drinking water, it turns out to be a major difficulty for the women. Much time and energy is consumed in daily chores which reduce their chances of employability. Most of the families follow the typical patriarchal trend which disapproves male participation in household chores; a trend particularly noticeable in the BIMARU States. It is clearly and empirically proved that work pressure doubles for women during extreme weather events.

Land erosion is another serious issue in Assam, one that has no easy solution in sight. Gradual loss of land area threatens the rural population who depend on agriculture as livelihood. Shift of livelihood is not an easy task; it is a big psychological leap of faith. Unskilled labour is low paying and hence survival becomes tough for the landless. With reference to this, women, particularly young girls are motivated to earn for the family. Herein, trafficking poses a serious threat. Unaware of the motive of the not-so-genuine well-wishers, girls fall prey to the scheme of flesh traders. Thus, climate change impacts the safety of women in a way to an extent never before witnessed.

Studies have proved that effect of climate change and weather calamity results in denial of education to girls. No doubt the Government, both Union and State, have plans and programmes for education of the girl child, yet when it





becomes optional, parents prefer to educate their sons and not their daughters. Daughters are kept back at home as helping hands and sometimes as bread earners. Working as baby-sitters and household maids to working families in towns and cities, these young girls support their families in villages and thus have limited opportunities for growth. Though the present Union Government has made efforts to empower women through schemes like Ujwala etc, women in many remote areas still depend on firewood. For them, deforestation and erosion are major challenges since they have to tread a longer path in search of fuel. This again, is an existential threat to the security of women in our country.

An unequal power equation in society can also be realised as a cause of stress for women. Especially, marginalised women suffer more in this regard. If we observe carefully, we notice women from the periphery are yet to realize the essence of empowerment enshrined in the Constitution. Despite being a sole bread-earner for the family, a woman is denied the position of the head of a family. In addition to the existing miseries, gender inequality increases due to changing climatic conditions. In this time of increasing atrocities toward women, climate change is a notable driver aggravating the trend. When survival becomes precipitous, these women grab whatever opportunity comes their way.

Although the impact of climate change is most pronounced among marginalised women, women from better off families have also been forced into taking up work of domestic assistance and daily wage labour. When detached from their familiar world, many a woman experience sexual abuse and provocations at their workplaces which go unreported most of the time. Dignity of women can thus be connected to the broader ramifications of climatic changes. A large section of women in our country is unaware of their power and competence. Consequently, the status of women stays unchanged. It is time that efforts are made to pave the path for equity, the Rubicon needs to be crossed.

As pushed to labour work or household assistance, children of young women or mothers are deprived of basic maternal care, a serious matter to ponder over. In a nation that propagates 'health for all', a section of upcoming generation faces conditions adverse for health. Maternal

health too is badly affected in case of such displaced workers.

Disparity of wages is yet another stumbling block for women labourers. Their labour goes unrecognised compared to male workers.

As a whole, climate change affects women in a process that is multilayered, complex and yet to be fully realised. Right from the denial to education, health, proper wages to safety and security, climatic distortions affect womenfolk. One has to realise its seriousness in a sincere way. Climate change is not merely about atmospheric conditions and their consequences. Rather it has deeper implications when viewed from a different perspective. In a patriarchal set up, struggle of women is no new thing. Nonetheless, from a condition of from frying pan to fire, women are pushed to harder situations which contest their sense of worth as human beings in want of dignified living.

It is time that the discourse on climate change embraces a deeper perspective on women. The world of living beings, humans to be more precise, begins in the womb. ■■

N.B. Earlier Published in Assam Tribune.



**Nijara Phukan**, a JNU student took up a mission called 'People for Tree' she took up the mission with an aim to spread awareness on global climate change and environmental pollution. She did this awareness in a very unique way, by walking from the Historic Charaideo Maidam to the Rashtrapati Bhawan in New Delhi.



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# আধ্যাত্মিকতা আৰু নাৰীৰ উত্তৰণ

সংগীতা বৰুৱা
দৰ্শন বিভাগ



আধ্যাত্মিকতা কি? ইয়াৰ এটি সাধাৰণ সংজ্ঞা দিয়া সহজসাধ্য নহয়। আধ্যাত্মিকতা এটি বিস্তৃত ধাৰণা — য'ত একাধিক দৃষ্টি-ভংগীৰ সমাবেশ ঘটিছে। সাধাৰণভাৱে ক'বলৈ গ'লে আধ্যাত্মিকতা হৈছে এক যোগসূত্ৰ, যি এক উচ্চতৰ অলৌকিক সত্তাৰ লগত অনুভৱ কৰা এটি আন্তঃ সম্বন্ধৰ লগতে এই অনুভৱৰ সহায়ত জীৱনৰ অৰ্থ বিচাৰ কৰা এটি আত্মিক যাত্ৰা। আধ্যাত্মিক অনুভূতি এক প্ৰকাৰ সাৰ্বিক অনুভূতি যি আমাৰ সকলোকে স্পৰ্শ কৰি যায়। এনে অনুভৱক সাধাৰণতে অতিবৰ্ত্তি (transcendent) আৰু পৱিত্ৰ (sacred) বুলি কোৱা

হয়। যি ব্যক্তিৰ জীৱনত এনে অভিজ্ঞতা বা অনুভৱ হয় তেওঁৰ বাবে জীৱন প্ৰাণৱন্ত, পূৰ্ণ হৈ পৰে। সাধাৰণ দৃষ্টিভঙ্গীত আধ্যাত্মিকতা ঈশ্বৰৰ লগত সম্বন্ধ স্থাপনৰ প্ৰচেষ্টা। এজনে যদি বাহ্যিকভাৱে এনে প্ৰয়াস কৰে আনজনে হয়তো মনৰ নিভৃত কোণত সতেজ প্ৰাৰ্থনা আৰু উচৰ্গাৰ জৰিয়তে আধ্যাত্মিক যাত্ৰাৰ যাত্ৰী হয়। আন্তঃভাৱেই হওক বা বাহ্যিকভাৱেই হওক আধ্যাত্মিকতা হৈছে সত্তাৰ লগত এটি আত্মাগত সম্পৰ্ক আৰু এনে এটি জীৱনৰ গভীৰতাত অৱগাহন কৰাকে সূচায়। সেয়ে আজিৰ যুগত আধ্যাত্মিকতা কেৱল ঈশ্বৰ প্ৰীতিৰ দ্বাৰা নিৰ্ণয় নহয়; বৰং বহলভাৱে ক'বলৈ গ'লে জীৱনৰ অৰ্থৰ গুৰুত্বৰ বোধৰ (বুজিব পৰা শক্তি) দ্বাৰহে ই নিৰ্ণয় হয়। সময়ে সময়ে কেতবোৰ প্ৰশ্ন আমাৰ মনত উদয় হয় আৰু এই প্ৰশ্নসমূহৰ উত্তৰৰ অনুসন্ধানত আধ্যাত্মিকতাৰ অৰ্থ পোৱা যাব পাৰে। এই প্ৰশ্নসমূহ হৈছে,

(১) মই এজন ভাল ব্যক্তি হয় নে?

(২) মোৰ সুখ, আনন্দৰ, দুখৰ উৎস কি?

(৩) বাহ্যিক জগতখনৰ লগত মোৰ সম্পৰ্ক কি?

(৪) এটি শ্ৰেয় জীৱন (good life) কি দৰে যাপন কৰিব পাৰি?

উক্ত প্ৰশ্নসমূহৰ উত্তৰ সন্ধান এক অপূৰ্ব অভিজ্ঞতা। সেয়ে কোৱা হয় আধ্যাত্মিকতাই ঐশ্বৰিকতাৰ সন্ধান দিয়ে। আধ্যাত্মিকতা কোনো ধৰণৰ ৰহস্যবাদী মনোভাৱ নহয়। বৰং ইয়াৰ জৰিয়তে মানৱীয় স্বৰূপৰ ঐশ্বৰিক প্ৰকাশহে সম্ভৱ হয়।

সেয়ে আধ্যাত্মিকতা মানৱ জীৱনৰ এক স্বতঃস্ফূৰ্ত প্ৰকাশ, সেইজন ব্যক্তিৰ বাবে যি প্ৰকৃতভাৱে তাক প্ৰতিপালন কৰিব পাৰে। এনেদৰে ইয়াক যদি আমি যথাৰ্থ অৰ্থত প্ৰয়োগ বা পৰিচালনা কৰিব পাৰো তেতিয়া এই আধ্যাত্মিকতা ব্যক্তিগত আৰু সমষ্টিগতভাৱে যে হিতকৰ হ'ব সি নিশ্চিত। আন্তঃদিশৰ লগত জড়িত বাবে মানৱৰ সাৰ্বিক সৱলীকৰণত আধ্যাত্মিকতাৰ গুৰুত্ব অপৰিসীম তেনেস্থলত মহিলাৰ সৱলীকৰণত আধ্যাত্মিকতাৰ ভূমিকা কি হ'ব পাৰে ই গুৰুত্বপূৰ্ণ বিষয়। মহিলাৰ সৱলীকৰণনো কি?

সৱলীকৰণ হৈছে এটা প্ৰক্ৰিয়া যি এজন ব্যক্তিক পুৰুষ-নাৰী সমন্বিতে, নিজৰ যথাৰ্থ অস্তিত্ব সম্বন্ধে সজাগ কৰি তোলে। ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱনযাত্ৰা সহজ কৰি তোলে। এই সৱলীকৰণ হৈছে এক শক্তিশালী অহিংসা অস্ত্ৰ যি মানুহক মানৱীয় অধিকাৰ উলঙ্ঘনৰ বলত উদয় হোৱা অন্যায়-অবিচাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ সাহস যোগায়। অৱশ্যে আজি সৱলীকৰণ বুলিলে মহিলা সৱলীকৰণকহে বুজায়। কাৰণ দেখা গৈছে যে সমগ্ৰ বিশ্বজুৰি নাৰীৰ ক্ষেত্ৰত মানৱীয় অধিকাৰ সৰ্বত্ৰ উলঙ্ঘন আৰু উপেক্ষিত হৈছে। বিজ্ঞান, প্ৰযুক্তি, যুক্তিৰ জয়যাত্ৰাৰ দিনতো আজি ২১ শতিকাৰ দুটা দশক পাৰ কৰিও এই বছৰৰৰ ৰাষ্ট্ৰ সংঘৰ দ্বাৰা উদ্‌যাপিত মহিলা দিৱসৰ মূলমন্ত্ৰ (balance for better) অধিক শ্ৰেয় প্ৰাপ্তিৰ বাবে সমতা। এই সমতাই পুৰুষ-মহিলাৰ মাজৰ সমতাৰ কথা বুজাইছে যি লক্ষ্য আজিও বহুত দূৰ।





আধ্যাত্মিকতাই প্ৰতিজন ব্যক্তিক এক বিশেষ চেতনা প্ৰদান কৰে। ই কি পুৰুষ কি নাৰী সকলোৰে ওপৰত সমানে প্ৰভাৱ বিস্তাৰ কৰে। আমি যি আধ্যাত্মিক শক্তিৰ কথা কওঁ, সেই শক্তি সামগ্ৰিক, স্বতন্ত্ৰ, য'ত কোনো ধৰণৰ শোষণ, দমন নাথাকে। সেয়ে এনে আধ্যাত্মিকতাই এক স্বতঃস্ফূৰ্ত জীৱন-যাপনৰ সুযোগ দিয়ে সকলোকে। এই দিশৰ পৰা চালে আধ্যাত্মিকতা নিশ্চয়কৈ নাৰীৰ উত্তৰণত সহায়ক হ'ব। কিন্তু পৰিতাপৰ বিষয় যে হাজাৰ হাজাৰ বছৰ ধৰি নাৰীয়ে এই আত্মিক শক্তি যথাযোগ্য ব্যৱহাৰ কৰিব পৰা নাই। আজিও নাৰীৰ বিভিন্ন গতিবিধিৰ নিৰীক্ষণ কৰা হয়। তেনেদৰে ঈশ্বৰ আৰাধনাৰ ক্ষেত্ৰতো নাৰীৰ ক্ষেত্ৰত বহুতো বাধা নিষেধ আছে। আধ্যাত্মিকভাৱে নাৰীয়ে স্ব উত্তৰণত নিজকে সহায় কৰি তেওঁৰ মাজত সোমাই থকা আত্মিক শক্তিক সৰ্বজনৰ হিতৰ অৰ্থে প্ৰয়োগ কৰিব পৰা পৰিবেশ সমাজে সৃষ্টি কৰিব লাগিব। আধ্যাত্মিকতাই প্ৰেম, সহনশীলতা, দয়া, আনক বুজি পোৱা, নম্ৰতা, বিনয়ী আদি বৈশিষ্ট্যৰ জৰিয়তে আত্মপ্ৰকাশ কৰে আৰু আমি মন কৰিলে দেখিম যে উপৰোক্ত গুণসমূহ প্ৰধানকৈ এগৰাকী নাৰীৰ বাবে সহজে আয়ত্ব কৰিব পৰা বিধৰ। অৱশ্যে এইটো নহয় যে এজন পুৰুষে তেনে গুণ আহৰণ কৰিব নোৱাৰে। মাত্ৰ এগৰাকী নাৰীয়ে কম আয়াসতে এই সমূহৰ বাহ্যিক প্ৰকাশ সম্ভৱ কৰিব পাৰে। উদাহৰণ স্বৰূপে প্ৰেম আৰু ভক্তিৰ ভাৱনা নাৰী এগৰাকীৰ বাবে বেছি স্বাভাৱিক। ইয়াৰ উপৰিও মহিলাসকল নিয়মানুবৰ্তিতা, শৃংখলাৰ প্ৰতি সচেতন। সেয়ে আমি ক'ব পাৰো যে, আধ্যাত্মিক উত্তৰণৰ প্ৰকৃত পৰিবেশ পালে নিশ্চয়কৈ নাৰী সাৰ্বিক উত্তৰণ আৰু সৱলীকৰণৰ সহায়ক হ'ব। এনেধৰণৰ সৱলীকৰণে, য'ত আধ্যাত্মিকতাৰ স্পৰ্শ থাকিব, সমাজৰ সামূহিক হিতৰ বাবে বিশেষকৈ তথাকথিত আধুনিক সমাজত সৃষ্টি হোৱা বহুতো সামাজিক ব্যাধিৰ, উদাহৰণ স্বৰূপে যুৱ উচ্ছৃংখলতাৰ ওপৰত অতি সাৰ্থক প্ৰভাৱ পেলাব। কাৰণ মাতৃ, ভগ্নী, জীয়ৰীৰ এনে সৱলীকৰণে পিতৃ, ভাতৃ, পুত্ৰৰ ওপৰত অতি সদৰ্থক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হ'ব আৰু ই সমাজত সহজে বিয়পি পৰিব।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল নাৰীৰ ত্যাগৰ যি স্বাভাৱিক স্বৰূপ তাৰ লগত সাহস, দৃঢ়তা, স্বচ্ছ বিচাৰ শক্তি আৰু আত্মসন্ধানৰ এক সন্তুলন ৰক্ষা কৰা অতি প্ৰয়োজনীয়। কাৰণ নিজকে পাহৰি বিলাই দিয়াৰ মানসিকতাই নাৰীৰ বহু ক্ষতি সাধন কৰিলে যি আজি পৃথিৱী জুৰি এটি চিন্তনীয় বিষয়ৰূপে পৰিগণিত হৈছে।

শ্বাশ্বত আত্ম হৈছে শুদ্ধ, প্ৰশান্তিময় তথা ঐশ্বৰিক। যেতিয়া নাৰীয়ে সেই শ্বাসত স্বৰূপ অনুভৱ কৰিব পাৰিব, তেতিয়াই নাৰীয়ে নিজৰ জীৱনৰ গুৰুত্ব অনুভৱ কৰিব আৰু জীৱন যুঁজত সাহসিকতাৰে অৱতীৰ্ণ হ'ব পাৰিব। আধ্যাত্মিকতাই আমাৰ আন্তঃ শক্তি আহৰণ কৰাত সহায় কৰে। ফলত ব্যক্তিৰ নিজৰ গুৰুত্ব আৰু মূল্য সম্পৰ্কে চেতনা হয়। যি আকৌ আশাবাদৰ সূচনা কৰে। আধ্যাত্মিকতাই প্ৰধানকৈ মানসিক স্বাস্থ্য উন্নত কৰে। যিসমূহ আৱেগ-অনুভূতিয়ে

জীৱনত বাধাৰ সৃষ্টি কৰে সেই সমূহৰ পৰা আমাক আধ্যাত্মিক শক্তিয়েই উদ্ধাৰ কৰে। আধ্যাত্মিকতা এটি ব্যক্তিগত প্ৰচেষ্টা যি কেতবোৰ সদৰ্থক মূল্যবোধৰ সৃষ্টি কৰে। ইয়াৰ প্ৰতিপালন আৰু অনুশীলনে প্ৰতিগৰাকী নাৰীৰ জীৱন সুন্দৰ কৰি তুলিব। অৱশ্যে পুৰুষসকলেও এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অৱদান আৰু যথাযোগ্য সহযোগ কৰিব লাগিব। সমাজখন কেৱল পুৰুষ বা কেৱল মহিলাৰ বাবে নহয়। দুয়ো পক্ষৰ প্ৰকৃত সহযোগতহে এখন সুন্দৰ সমাজ সৃষ্টি হ'ব পাৰিব।

প্ৰকৃততে নাৰীৰ আন্দোলন কেৱল নাৰীসকলৰ অধিকাৰক লৈ কৰা আন্দোলন নহয়। ই নাৰী-পুৰুষ মিলি এখন সুন্দৰ, সু-বিবেচিত সমাজ প্ৰতিষ্টা কৰাৰহে আন্দোলন। ই হৈছে অৰ্থপূৰ্ণ ঐক্যবদ্ধভাৱে সমাজ গঢ়াৰ আন্দোলন।




■■





# বিখ্যাত স্নায়ু-বিজ্ঞানী ডাঃ জয়ন্তী কলিতা বাইদেউৰ সৈতে দু-আষাৰ

ড° ৰুবী বৰুৱা
ৰসায়ন বিজ্ঞান বিভাগ



বৰ্তমান অসমীয়া বিজ্ঞানী নাৰী বুলি ক'লে তৎক্ষণাত মনলৈ আহে জয়ন্তী চুটিয়া বাইদেউৰ নাম। কিয়নো তেওঁ অসমীয়া সাহিত্যৰ লগত জড়িত। তেওঁৰ মনোৰম অভিজ্ঞতাবোৰ সামৰি কেইবাখনো পুথি প্ৰকাশ পাইছে, লগতে তেওঁ কেইবাখনো জীৱনীমূলক পুথিও লিখিছে। বিজ্ঞানী হিচাপে তেওঁৰ অৱদানৰ লগে লগে সাহিত্যজগতলৈও বহুখিনি অৱদান আগবঢ়াই আহিছে। সেয়েহে তেওঁৰ নাম সকলোৰে পৰিচিত। কিন্তু আজি দুবছৰৰ আগতে আন এগৰাকী বিখ্যাত জয়ন্তী বাইদেউক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তেওঁ হৈছে ডাঃ জয়ন্তী কলিতা। তেওঁ লক্ষ্ণৌৰ সঞ্জয় গান্ধী পষ্ট গ্ৰেজুৱেট ইন্সটিটিউট অফ্ মেডিকেল ছায়েন্সৰ, নিউৰ'লজী বিভাগৰ অধ্যাপক (Professor)। তেওঁৰ মুখেৰে বহু অনুপম কাহিনী শুনিবলৈ পালো, যিবোৰ শুনিলে তেওঁক ভগৱানৰ অন্য ৰূপ যেনেই লাগে। এনে বহু ৰোগী যিবিলাক ভাৰতৰ বিভিন্ন উচ্চ পৰ্যায়ৰ চিকিৎসালয়ত আৰোগ্য হ'ব নোৱাৰি তেওঁৰ ওচৰলৈ আহে আৰু তেওঁ তেনে ৰোগীক চিকিৎসা কৰি আৰোগ্য কৰি তোলে। তেওঁৰ অসাধাৰণ চিকিৎস্যাশৈলী সম্ভৱ হোৱাৰ আঁৰত আছিল তেওঁৰ বিস্তৃৰ গৱেষণা কাৰ্য। আজিৰ দিনত আমি সগৌৰৱে ঘোষণা কৰিব পাৰো যে স্নায়ু বিজ্ঞান বিভাগৰ পৃথিৱীৰ ভিতৰতে জয়ন্তী বাইদেউ এগৰাকী সফল বিজ্ঞানী — অসমীয়া বিজ্ঞানী।

সাধাৰণতে আমাৰ সমাজখনে সহজতে অভিনেতা, গায়ক অথবা খেলুৱৈসকলক লৈ অভিভূত হয়। তেওঁলোকক 'চেলিব্ৰিটী' বুলি গণ্য কৰা হয়। তেওঁলোকৰ অনুগামীও অসংখ্য থাকে;

অলেখেই তেওঁলোকক অনুকৰণ কৰে। দেশ-বিদেশৰ বিখ্যাত আলোচনীবিলাকত তেওঁলোকৰ বছৰেকীয়া উপাৰ্জনৰ কথাই শিৰোনাম দখল কৰে। এক তীক্ষ্ণ অনুসন্ধিৎসু মন লৈ দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰি মানুহৰ বাবে কাম কৰি থকা বিজ্ঞানীসকলৰ কথা আমি নজনাকৈয়ে থাকি যাওঁ। জয়ন্তী বাইদেউ সঁচাকৈয়ে এনে এক অনামী বিজ্ঞানী। দিনে-নিশাই বাইদেৱে কঠোৰ পৰিশ্ৰম কৰি কাম কৰি গৈছে। গোটেই ভাৰতবৰ্ষত হৈ থকা বিভিন্ন ৰোগৰ বিষয়ে বাইদেৱে তন্ন তন্নকৈ অধ্যয়ন কৰি সেইবিলাকৰ সমাধান উলিয়াই মানুহৰ কল্যাণ অহৰহ কৰি আছে। তেওঁ এতিয়ালৈকে ৪৮৮ টা বেলেগ বেলেগ গৱেষণাৰ কাম কৰিছে আৰু সেইবিলাক কামৰ ওপৰত বিভিন্ন ৰিছাৰ্চ জাৰ্নেলত এতিয়ালৈকে প্ৰায় ৭৯৬৩ খন গৱেষণা পত্ৰ প্ৰকাশ পাইছে। তেওঁ গৱেষণা পত্ৰবোৰ উচ্চমান বিশিষ্ট জাৰ্নেলত প্ৰকাশ পাইছে যিয়ে গৱেষণা কাৰ্যৰ মূল্যায়নৰ অংক নিৰ্ধাৰণ কৰে। তেওঁৰ উচ্চমানৰ গৱেষণা কাৰ্যৰ মৰ্যাদা প্ৰদান কৰি তেওঁক ২০১৫ আৰু ২০১৮ চনত সঞ্জয় গান্ধী ইন্সটিটিউট অফ্ মেডিকেল ছায়েন্স (SGPGIMS) Faculty Best Research Award প্ৰদান কৰা হয়। তদুপৰি মাননীয় আব্দুল কালামে আৰম্ভ কৰা কেৰিয়াৰ ৩৬০ অনুষ্ঠানটিয়ে তেওঁক ২০১৫, ২০১৭ আৰু ২০১৮ চনত ভাৰতৰ শ্ৰেষ্ঠ নিউৰ' বিজ্ঞানী পুৰস্কাৰ (Best Nuro-Scientist) প্ৰদান কৰে। এই পুৰস্কাৰৰ বাবে কোনো ধৰণৰ আবেদন কৰিব নালাগে। গুগলত থকা যাৱতীয় নথিৰ পৰাই তেওঁলোকে নিৰ্দ্ধাৰণ কৰে। আমেৰিকান নিউৰ'ল'জিকেল এছ'ছিয়েচন (American Nurological Association)এ তেওঁক ফেল'শ্বিপ প্ৰদান কৰে। ICMR (Indian Council of Medical Research) ফেল'শ্বিপো তেওঁ লাভ কৰে। এইবিলাকৰ উপৰিও তেওঁ FAMS, Fellow of Indian Academy of Nurology সন্মান লাভ কৰে। আন এক সমীক্ষা মতে তেওঁ ২০০১ চনৰ পৰা ২০১০ চনলৈকে 2nd most impactfull author among the nuro-scientist in India খিতাপো অৰ্জন কৰে। তেওঁ Nuro-Scienceৰ চাৰিখন কিতাপ লিখি উলিয়াই আৰু এই চাৰিওখন কিতাপ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সঘনাই চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰে বুলি দাবী কৰিব পাৰি।

তেওঁ টিউবাৰ কলচিচ (TB), মাইগ্ৰেন, জাপানীজ এন্‌কেফেলাইটিচ, ডেংগ', পেৰেলাইচিচ ইত্যাদিবোৰৰ বিষয়ে বিস্তৃতভাৱে গৱেষণা কৰি সমাধান উলিয়াইছে।

আজিৰ পৰা প্ৰায় দুবছৰ আগতে বাইদেউক তেওঁ লক্ষ্ণৌ SGPGIMSৰ চৌহদত থকা আবাসগৃহত লগ পাইছিলো। বাইদেউৰ মুখেৰে কিছু ৰোগীৰ চিকিৎসাৰ বিষয়ে গল্পৰ দৰে কাহিনীবোৰ শুনিছিলো। সেইদিনাও তেওঁ আমাক চাহ খাবলৈ দি ল'ৰা এজনৰ চিকিৎসাৰ বাবে দৌৰিছিল। চিকিৎসকসকলৰ ব্যস্ততা এনেকুৱাই হয়। দিনে-নিশাই তেওঁলোকে ৰোগীৰ অৱস্থা চাই দৌৰিব লগা হয়। জয়ন্তী বাইদেউক লগ পাই ইমান অভিভূত হৈছিলো যে, সেইদিনাই বাইদেউৰ বিষয়ে মানুহক জনোৱাৰ এক হাবিয়াস জন্মিছিল। সেয়েহে এইবাৰ দুৰ্গাপূজাৰ সময়ত লক্ষ্ণৌলৈ যাওঁতে বাইদেউক লগ পাবলৈ বিচাৰোতে জানিব পাৰিলো যে তেওঁ দক্ষিণ কোৰিয়াত সমল ব্যক্তি হিচাপে এখন আলোচনা





সভাত যোগদান কৰি আছে। সেয়েহে তেওঁ সাক্ষাৎকাৰটি টেলিফ'ন যোগেৰেই দিম বুলি প্ৰতিশ্ৰুতি দিলে। ফ'নেৰে যোগাযোগ কৰি গ্ৰহণ কৰা তেওঁৰ সাক্ষাৎকাৰটি আগবঢ়োৱা হ'ল —



প্ৰথম প্ৰশ্ন ঃ বাইদেউ, আপোনাৰ গৱেষণাৰ পৃথিৱীখন যদি Googleত খুলি দিওঁ, তেন্তে ইখনৰ পিছত সিখন গৱেষণা পত্ৰ ওলাই থাকে আৰু শিৰোনামবোৰ চাইয়েই শেষ কৰিব নোৱাৰি। এনে অনুভৱ হয় যে আপোনাৰ গৱেষণাৰ ৰাজ্যখন বিশাল। এনে বিশাল কামৰ যাত্ৰাৰ বাবে আপুনি চৰকাৰী সাহায্য লাভ কৰিছেনে? ইমানবোৰ গৱেষণা কাৰ্য কেনেদৰে সম্ভৱ হৈছে?

উত্তৰ ঃ গৱেষণা কৰিবলৈ এটা অনুসন্ধিৎসু মন লাগিব। ধৈৰ্য সহকাৰে কিবা এটা কৰিবলৈ মন গ'লে যিকোনো গৱেষণাই সমাধান লাভ কৰিব। চৰকাৰী সাহায্যৰ ওপৰত মোৰ গৱেষণা কাৰ্য একেবাৰেই নিৰ্ভৰশীল নহয়। কিছু বিশেষ গৱেষণাৰ বাবে চৰকাৰী সাহায্য লাভ নকৰা নহয়। দুই-এটা সাহায্য আছে; কিন্তু বহুসংখ্যক (major works) গৱেষণাই ভাৰতবৰ্ষত সদায় হৈ থকা ৰোগৰ ওপৰত কৰা হৈছে। SGPGIMS লৈ অহা ৰোগী আৰু ৰোগৰ ওপৰত আমাৰ অনুষ্ঠানটোত থকা সা-সুবিধা লৈয়েই কাম কৰি গৈছো, যিবোৰ সমাধান পাইছো অথবা সফল হৈছো সেইবোৰ লৈয়েই গৱেষণা পত্ৰ লিখি গৈছো। যাতে সেইবোৰৰ পৰা সকলো মানুহৰ কল্যাণ হয়। এদিন-দুদিন কৰা কাম নহয়, বছৰ বছৰ ধৰি ধৈৰ্য সহকাৰে কাম কৰি যোৱাৰ ফলতহে বহু গৱেষণা সফল হৈছে। মই ক'ব খোজো অৰ্থনৈতিক সাহায্য অবিহনেও ভাল গৱেষণা কৰিব পৰা যায়, কেৱল তোমাৰ কাম কৰি যোৱাৰ হাবিয়াস লাগিব।

দ্বিতীয় প্ৰশ্ন ঃ বাইদেউ, সঁচাকৈয়ে আপুনি বহু ধৈৰ্য, যত্ন আৰু কষ্টৰে গৱেষণাৰ কাম কৰিলে। এই সকলোবোৰৰ ভিতৰত মুখ্য বা major contribution থকা কাম বুলি ক'লে আপুনি কোনবোৰ কাম আঙুলিয়াই দিব?

উত্তৰ ঃ Major contribution বুলি ক'লে Tuberculosis of central nervous system, জাপানীজ এন্‌কেফেলাইটিছ, acute paralysis, stroke and migrane এইবিলাকক ক'ব পাৰি।

১৯৯৪ চনত প্ৰথম আমিয়েই জাপানীজ এন্‌কেফেলাইটিছৰ Characteristic diagonostic MRI ব্যাখ্যা কৰিছিলো যিটো চাই সহজতে জাপানীজ এন্‌কেফেলাইটিছ ধৰা পেলাব

পাৰি। বেলেগ বেলেগ ধৰণৰ এনকেফেলাইটিছৰ বেলেগ বেলেগ সমস্যা (problems) কেনেকৈ আঁতৰাব পাৰি (কিছুমান ৰোগীৰ এনকেফেলাইটিছ হোৱাৰ ফলত হাত-ভৰি বেঁকা হৈ যায়) সেই বিষয়ে বহু গৱেষণাৰ কাম কৰা হৈছে।

দ্বিতীয়তে central nervous systemৰ tuberculosisৰ ওপৰত বহুখিনি গৱেষণাৰ কাম কৰা হৈছে। বেলেগ বেলেগ treatment modelity তৈয়াৰ কৰি ৰোগীৰ কি ধৰণে নতুন আনুসংগিক চিকিৎসা প্ৰদান কৰি তেওঁলোকৰ অৱস্থা উন্নত কৰিব পাৰি সেইবিলাকৰ ওপৰত কাম কৰা হৈছে আৰু সেইবোৰ কাম কৰি আমি সফলো হৈছো।

তদুপৰি acute paralisis, migraine, stroke আদিৰ ওপৰত বহু কাম হৈছে।

তৃতীয় প্ৰশ্ন ঃ আপোনাৰ কথা অলপ জানিবলৈ বিচাৰিছো। আপুনি ক'ত জন্মগ্ৰহণ কৰিছিল, কেনেদৰে, ক'ত শিক্ষা লাভ কৰিছিল? আপোনাক কোনে গঢ় দিলে বুলি অনুভৱ কৰে — ঠিক আপোনাৰ জীৱন বৃক্ষৰ মূল আৰু সাৰ-পানীৰ বিষয়ে জানিবলৈ বিচাৰিছো।

উত্তৰ ঃ নলবাৰী জিলাৰ বৰাজাৰ গাঁৱত এটা যৌথ পৰিয়ালত মোৰ জন্ম হৈছিল। বহু ভাল বন্ধু আৰু ককাই-ভাই, বাই-ভনী লগতে বৰ ভাল শিক্ষকেৰে মোৰ শৈশৱ বৰ সুন্দৰ আছিল; এই সুন্দৰ শৈশৱে বিভিন্ন দিশত মোৰ ৰুচিক গঢ় দিছিল। এই সকলোৰে ওপৰত মোৰ ককাইদেউ ডাঃ হেমচন্দ্ৰ কলিতা (অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক) দেৰে মোৰ জীৱনটোত মুখ্য ভূমিকা পালন কৰে; মোৰ জীৱন গঢ় দিয়াত তেওঁৰ অলেখ অৱদান আছে। বৰাজাৰ প্ৰাইমেৰী বিদ্যালয়ত মোৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল আৰু বৰমা বালিকা বিদ্যালয়ত মোৰ স্কুলীয়া শিক্ষা সমাপ্ত হয়। ইয়াৰ পিছতে মই কটন কলেজত যোগদান কৰো আৰু তাৰপিছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মোৰ MBBS আৰু MD ডিগ্ৰী সম্পূৰ্ণ হয়। গুৱাহাটীৰ পৰাই মই ১৯৯১ চনত সঞ্জয় গান্ধী প'ষ্ট গ্ৰেজুৱেট ইন্সটিটিউট অৱ মেডিকেল ছায়েন্স (SGPGIMS) অনুষ্ঠানটিত যোগদান কৰো। আঠটা ককাই-ভাইৰে এক যৌথ পৰিয়ালত জন্ম হৈ মই বৰ গৌৰৱ অনুভৱ কৰো যিয়ে মোক প্ৰকৃতি আৰু মানুহক ভাল পাবলৈ শিকালে, মানুহৰ বাবে কাম কৰি যাবলৈ অনুপ্ৰেৰণা যোগালে।

প্ৰশ্ন ঃ আপোনাৰ লগত কথা পাতি নিজকে ধন্য অনুভৱ কৰিছো। আপোনাৰ জীৱনশৈলী, আদৰ্শ হৈ পৰক অনাগত প্ৰজন্মৰ বাবে। উঠি অহা প্ৰজন্মক উদ্দেশ্য কৰি দু-আষাৰ কওকচোন।

উত্তৰ ঃ তেওঁলোকক উদ্দেশ্য কৰি মই এষাৰেই ক'ব খোজো, "গৱেষণা হৈছে মাৰাথান দৌৰ।" আমি ধৈৰ্য সহকাৰে লাহে লাহে গৈ থাকিব লাগিব। দুদিন কাম কৰি ফল বিচাৰিলে নহ'ব অথবা দুদিন কষ্ট কৰি ভাগৰিলে নহ'ব। তদুপৰি গৱেষণাৰ বাবে সদায় জানিবলৈ তীব্ৰ আগ্ৰহ থাকিব লাগিব।

সঁচাকৈয়ে বাইদেউলৈ বহু ধন্যবাদ জনালোঁ। তেওঁ তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ 'ঈক্ষা'ৰ বাবে তেখেতৰ মূল্যবান সময় দিলে। বাইদেউৰ জীৱন আৰু সুন্দৰ, সফল হওক।

■■





# ভাৰতৰ কেইগৰাকীমান মহিলা বিমানচালক

ড° মীনাক্ষী চমুৱা
পদাৰ্থ বিজ্ঞান বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

আজিৰ পৰা প্ৰায় ৩০-৩৫ মান বছৰৰ আগৰ কথা। মোৰ মা-দেউতা দুয়োজন তেতিয়া নগাঁও জিলাৰ চিমনাবস্তি নামৰ ঠাইত কৰ্মৰত। সেই সময়ত আজিকালিৰ দৰে XUV, Baleno, Swift আদি বিভিন্ন মডেলৰ গাড়ী নাছিল। আছিল মাথোঁ Ambassador, Fiat, Jeep আদি দুই এখন গাড়ী। সেই সময়ত অসমত মহিলাই খুব কমেই গাড়ী চলোৱা দেখা পোৱা গৈছিল।

আমাৰ এখন Ambassador আছিল। মোৰ মা যিহেতু পেচাত এগৰাকী চিকিৎসক আছিল গতিকে তেওঁ চিকিৎসালয়ৰ Jeep গাড়ীখনতে চালকজনৰ লগত সময় পালে গাড়ী চলাবলৈ শিকিবলৈ ল'লে আৰু এনেদৰেই গাড়ী চলাব পৰা হ'ল। মোৰ মাৰ ঘৰ যিহেতু ডিব্ৰুগড়ৰ চাবুৱাত গতিকে বিহুৰে পূজায়ে আমাৰ চাবুৱালৈ অহা হৈছিল। এইদৰে আহোঁতে সদায় আধাদূৰ ৰাস্তা মায়ে গাড়ী চলাইছিল। মায়ে যেতিয়া গাড়ীখন চলাই আহে তেতিয়া ৰাস্তাৰ দাঁতিত বৈ থকা মানুহে আমাক নেদেখা বস্তু দেখাৰ দৰে চাইছিল আৰু বহু ঠাইত "মাইকী মানুহে গাড়ী চলাইছে চা" বুলি চিঞৰিছিল।

আজিকালি মহিলাই গাড়ী চলোৱাটো সাধাৰণ কথা। এতিয়া ৰাস্তাইদি মহিলাই গাড়ী চলাই গ'লে কোনেও কেৰাহিকৈও নাচায়। কাৰণ মহিলাই আজিকালি বাচ, ট্ৰেইন, উৰাজাহাজ চলায়। এইক্ষেত্ৰত আনকি যুদ্ধৰ উৰাজাহাজো চলায়। এইক্ষেত্ৰত ভাৰতীয় মহিলাও পিছপৰি থকা নাই। মোৰ এই চমু লেখনিটোত কেইগৰাকীমান ভাৰতীয় মহিলা পাইলটৰ বিষয়ে লিখিবলৈ ওলাইছোঁ।

ভাৰতীয় বায়ু সেনাত (Indian Air Force) বৰ্তমান আঠ গৰাকী মহিলা আছে যিসকলে যুদ্ধৰ বিমান চলাব পাৰে। তাৰে ভিতৰত ভাৱনা কান্ত (Bhawna Kanth) হ'ল ভাৰতৰ প্ৰথমগৰাকী মহিলা কম্বেট পাইলট (Combat Pilot)।

চিভাংগী হৰি ভূষণ সিং (Shivangi Hari Bhushan Singh) ভাৰতীয় নৌ সেনাৰ

এগৰাকী পাইলট। ২০১৯ চনৰ ডিচেম্বৰ মাহত তেওঁ নৌসেনাত প্ৰথম ভাৰতীয় মহিলা হিচাপে যোগদান কৰে।



দুৰ্বা বেনাৰ্জী

দুৰ্বা বেনাৰ্জী (Durba Banerjee) ভাৰতৰ প্ৰথম গৰাকী ব্যৱসায়িক অনুমতি পত্ৰ পোৱা মহিলা পাইলট (Commercial Pilot)। ভাৰতৰ এনি দিব্যা (Anny Divya) হ'ল বয়িং ৭৭৭ (Boeing 777) কমাণ্ডাৰ হিচাপে পৰিচালনা কৰা পৃথিৱীৰ কনিষ্ঠতম মহিলা পাইলট। ১৯৯০ চনৰ জানুৱাৰীত ২৫ বছৰ বয়সতে নিবেদিতা ভাসিনে (Nivedita Bhasin) ব্যৱসায়িক জেট বিমান (Commercial Jet Aircraft) কমাণ্ডাৰ হিচাপে পৰিচালনা কৰা পৃথিৱীৰ আটাইতকৈ কম বয়সৰ মহিলা পাইলট হিচাপে পৰিগণিত হয়।

স্কোৱাড্ৰন লিডাৰ (Squadron Leader) খুচবু গুপ্তা (Khoosboo Gupta) ভাৰতীয় বায়ু



খুচবু গুপ্তা

সেনাৰ এগৰাকী হেলিকপ্টাৰ পাইলট। তেওঁক 2007 চনত ভাৰতীয় বায়ু সেনাত নিয়োগ কৰা হয়। তেওঁ চেতক, এখন চিতা শ্ৰেণীৰ (Chetak – a Cheetah) হেলিকপ্টাৰ চলায়। বৰ্তমান তেওঁক ১১৪ হেলিকপ্টাৰ ইউনিট (114 Helicopter Unit)ত নিযুক্তি দিয়া হৈছে। ১১৪ হেলিকপ্টাৰ ইউনিটে পৃথিৱীৰ সৰ্বোচ্চ যুদ্ধক্ষেত্ৰসমূহত মানুহ, বয়বস্তু আদি উঠোৱা নমোৱা কৰে। খুচবু গুপ্তাই চিয়াচেন্ হিমবাহ (Siachen Glacier)ত আৰু পৃথিৱীৰ সৰ্বোচ্চ হেলিপেড অমৰ আৰু চোনমত হেলিকপ্টাৰ উঠোৱা নমোৱা কৰে। এই হেলিপেডকেইটাত হেলিকপ্টাৰ নমাবৰ বাবে অনুমতি পত্ৰ সকলোকে দিয়া নহয়।

উৰাজাহাজ চলোৱাত আমাৰ অসমৰ মহিলাও পিছপৰি থকা নাই। ধীৰা চলিহা







ধীৰা চলিহা হাজৰিকা

হাজৰিকা অসমৰ প্ৰথম গৰাকী মহিলা পাইলট। পাপৰি চৌধুৰী আছিল ব্যৱসায়িক পাইলটৰ অনুজ্ঞা পত্ৰ পোৱা প্ৰথম অসমীয়া মহিলা। ব্যৱসায়িক পাইলটৰ অনুজ্ঞা পত্ৰ প্ৰাপ্ত দ্বিতীয় গৰাকী অসমীয়া মহিলা হৈছে অভিস্কা কাশ্যপ। এওঁ বৰ্তমান জেট এয়াৰৱেজত (Jet Airways) নিযুক্তি লাভ কৰিছে।

ভাৰতত বৰ্তমান যিমান সংখ্যক পাইলট আছে তাৰে শতকৰা দহ শতাংশ মহিলা। মহিলা পাইলটৰ সংখ্যা ভাৰতত দিনক দিনে বাঢ়ি আছে।



অভিস্কা কাশ্যপ




আলিশিয়া মণ্টানো ঃ

গৰ্ভাৱস্থাত প্ৰতিযোগিতাত ভাগ লৈ জয়ী হোৱা সাহসী মহিলা আলিশিয়া মণ্টানো



# নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীবাদী চিন্তা ঃ

## এটি চমু আলোচনা

মমী শ্যাম
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

অসমীয়া সাহিত্যৰ বিৱৰ্তনত পৰিৱৰ্তনকামী ভূমিকা পালন কৰা সাহিত্যিকসকলৰ ভিতৰত এগৰাকী অনন্য ব্যক্তিত্ব হ'ল নিৰুপমা বৰগোহাঞি। গল্পলেখিকা হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ পাছত তেখেতে ষাঠিৰ দশকৰ পৰা উপন্যাস ৰচনা কৰি দক্ষতাৰ প্ৰমাণ দিয়ে। অসমীয়া সাহিত্যত নিৰুপমা বৰগোহাঞিৰ উপন্যাসসমূহে সংখ্যাগত আৰু গুণগত দুয়োটা দিশতেই বিশেষ আসন লাভ কৰি আছে। তেখেতৰ ৰচনাসমূহ হ'ল — সেই নদী নিৰবধি (১৯৬৩), এজন বুঢ়া মানুহ (১৯৬৬), দিনৰ পিছত দিন (১৯৬৮), অন্তঃস্ৰোতা (১৯৬৯), হৃদয় এটা নিৰ্জন দ্বীপ (১৯৭০), ছায়া আৰু ছবি (১৯৭১), সামান্য অসামান্য (১৯৭১), কেকটাছৰ ফুল (১৯৭৩), নামি আহে এই সন্ধিয়া (১৯৭৭), তিনি কন্যা (১৯৭৮), ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ (১৯৭৯), দিন প্ৰতিদিন (১৯৮২), চিনাকি অচিনাকি (১৯৮৭), অন্য জীৱন (১৯৮৭), চম্পাৱতী (১৯৯০), অভিযাত্ৰী (১৯৯২) আদি।

'নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীবাদী চিন্তা' এই সম্পৰ্কে আলোচনা কৰাৰ আগতে নাৰীবাদনো কি? এই বিষয়ে কিছু কথা কৈ লোৱাটো উচিত হ'ব। 'নাৰীবাদ' শব্দটো ইংৰাজী Feminism ৰ অসমীয়া প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা হয়। নাৰী মুক্তি আদৰ্শৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা চিন্তাধাৰা বা দৰ্শনকে সাধাৰণভাৱে নাৰীবাদ বুলি কোৱা হয়। সাম্প্ৰতিক কালত ই হ'ল নাৰীৰ বিপক্ষে লিংগ বৈষম্য আৰু অসমতাৰ সৈতে জড়িত নৈতিক দৰ্শন আৰু ইয়াৰ লগত জড়িত সামাজিক-সাংস্কৃতিক আন্দোলন আৰু এইবোৰৰ পৰা উত্থিত তত্ত্বৰ সমাহাৰ।

অষ্টাদশ শতিকাতে পাশ্চাত্য দেশত নাৰীবাদী চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটে। পাশ্চাত্য নাৰীবাদৰ আদৰ্শত অসমীয়া সাহিত্যতো নাৰীবাদী সাহিত্য ৰচনা হ'বলৈ ধৰিলে। বিংশ শতিকাৰ কুৰি দশকমানৰ পৰা অসমীয়া সাহিত্যত ৰজনীকান্ত বৰদলৈ, দণ্ডিনাথ কলিতা, চন্দ্ৰপ্ৰভা শইকীয়ানী আদিৰ উপন্যাসত নাৰীবাদী ভাৱনাৰ প্ৰকাশ ঘটে। স্বাধীনতাৰ পৰৱৰ্তী কালতো বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ভৱেন্দ্ৰনাথ শইকীয়া আদি সাহিত্যিকৰ উপন্যাসত নাৰীবাদী ভাৱনাৰ প্ৰকাশ ঘটিছে। কিন্তু নিৰুপমা বৰগোহাঞিৰ উপন্যাসতহে নাৰীবাদী ভাৱনাৰ সচেতন প্ৰকাশ দেখা গ'ল বুলি সমালোচকসকলে কয়। নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন' (১৯৮৭) উপন্যাসখন প্ৰথমখন নাৰীবাদী উপন্যাস হিচাপে চিহ্নিত হৈছে।



বৰগোহাঞিৰ প্ৰায় প্ৰত্যেকখন উপন্যাসতে পুৰুষ শাসিত সমাজত পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক, নৈতিক সকলো দিশতেই নাৰী-পুৰুষৰ বৈষম্যমূলক বিধি ব্যৱস্থা আৰু নীতি-নিময়ৰ চিত্ৰ পোৱা যায়। তেখেতৰ দৰে নিষ্ঠা আৰু একাগ্ৰতাৰে, বিস্তৃত আৰু গভীৰভাৱে নাৰীবাদী ভাৱনাৰ লগত কোনেও জড়িত হ'ব পৰা নাই। নাৰীবাদী ভাৱনাৰ লগত একাত্ম হ'ব পৰা বাবেই তেখেতৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহে পাঠকৰ অন্তৰত এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। নিৰুপমা বৰগোহাঞিৰ উপন্যাসত ত্যাগ আৰু মমতা, সেৱা আৰু সহনশীলতাৰ প্ৰতিমূৰ্ত্তি ভাৰতীয় পৰম্পৰাবাদী নাৰীৰ পৰা আৰম্ভ কৰি আত্মমৰ্যাদা আৰু অধিকাৰ সাব্যস্ত কৰি আন্দোলন কৰিব পৰা নাৰী চৰিত্ৰলৈকে সমাজৰ বিভিন্ন স্তৰৰ নাৰীৰ মনস্তত্ত্ব প্ৰকাশিত হৈছে।

নিৰুপমা বৰগোহাঞিৰ দ্বিতীয় উপন্যাস 'এজন বুঢ়া মানুহ'ত দুগৰাকী নাৰী চৰিত্ৰ — এহাতে ইলাৰ হৃদয় মমতাৰে সিক্ত আৰু আনহাতে কমলাৰ চৰিত্ৰত প্ৰতিবাদী নাৰী চেতনাৰ আভাস দিয়া হৈছে। কেৱল সন্তান জন্ম দিয়া আৰু পালন কৰাই যে নাৰীৰ জীৱনৰ শেষ লক্ষ্য নহয়, পুৰুষে নাৰীক যুগ যুগ ধৰি পৰাধীন কৰি ৰাখিছিল যদিও এতিয়া দিন সলনি হৈছে আৰু নাৰীৰ নিজৰ দিন আৰম্ভ হৈছে — এনে ভাৱনা এইখন উপন্যাসত কমলাৰ ব্যক্তব্যৰ মাজেদি প্ৰকাশ পাইছে। ইয়াৰ জৰিয়তে কমলাৰ ব্যক্তি চেতনাৰ আভাস আৰু নাৰীমুক্তি সচেতনতাৰ আভাস পোৱা যায়।

'দিনৰ পিছত দিন' উপন্যাসৰ নায়িকা অনুৱে প্ৰেমহীন জীৱনত অতীষ্ঠ হৈ ভনীয়েকক তেনে গ্লানিময় একঘেয়ামি জীৱনৰ পৰা উদ্ধাৰৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। মাক দেউতাকে ঠিক কৰি দিয়া ধনী গিৰীয়েকৰ তাচ খেলৰ উদগ্ৰ নিচাৰ সন্মুখত তাইৰ প্ৰেমৰ স্বপ্ন উটি ভাহি যায় আৰু জীৱন হৈ পৰে দুঃসহ। সেইবাবে তাই ভনীয়েক মাখনীক প্ৰেমিকৰ লগত মিলন ঘটাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'সামান্য অসামান্য' উপন্যাসতো সোণালীয়ে মাক-দেউতাকৰ মতৰ বিপৰীতে নিজৰ প্ৰেমিকাক বিয়া কৰাই বিবাহত স্ব-নিৰ্বাচনৰ অধিকাৰ সাব্যস্ত কৰিছে। এইদৰে এই চৰিত্ৰসমূহে পৰম্পৰাগত চিন্তাৰ পৰা আতৰি আহি প্ৰতিবাদৰ পথত ভৰি দিছে। লেখিকাৰ প্ৰতিবাদী চেতনাই ক্ৰমান্বয়ে অধিক স্পষ্ট ৰূপ লাভ কৰিছে তেখেতৰ পৰৱৰ্তী উপন্যাসৰ চৰিত্ৰসমূহত।

'তিনি কন্যা' নামৰ উপন্যাসত্ৰয়ৰ অন্তৰ্গত 'মাৰ প্ৰতি ঃ মৰম আৰু অশ্ৰদ্ধাৰে' নামৰ চিঠিৰ আকাৰে লিখা ক্ষুদ্ৰ উপন্যাসখনত ৰূপালী নামৰ এক প্ৰতিবাদী তৰুণীৰ চৰিত্ৰ অংকণ কৰা হৈছে। ৰূপালীৰ সুক্ষ্ম পৰ্যবেক্ষণ ক্ষমতাই মধ্যবিত্তৰ ভণ্ডামি আৰু ফোঁপোলা মূল্যবোধ সহজে ধৰা পেলায়। মাকৰ ধনী আৰু দুখীয়াৰ প্ৰতি বৈষম্যমূলক ব্যৱহাৰ, সমাজ সেৱিকাৰ ভণ্ডামি আদি ৰূপালীৰ তীক্ষ্ণ দৃষ্টিৰ পৰা সাৰি যাব নোৱাৰে। মাকে টকা-পইচাৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখি আৰু টকা থকা ল'ৰা মদপী বা চৰিত্ৰহীন হ'লেও জীয়েকক বিয়া দিব খোজা দেখি ৰূপালীৰ মাকৰ প্ৰতি অশ্ৰদ্ধা জন্মে। ৰূপালী চৰিত্ৰৰ যোগেদি লেখিকাই নাৰীৰ মৰ্যাদা সম্পৰ্কে সচেতন, সমাজ পৰিবৰ্তনৰ বাবে যুঁজিবলৈ সাজু

হোৱা এক প্ৰতিবাদী নাৰী চৰিত্ৰ অংকণ কৰিলে। ইয়াৰ জৰিয়তে তেখেতৰ উপন্যাসে এক নতুন মাত্ৰা লাভ কৰিলে।

পৰম্পৰাগত সমাজ ব্যৱস্থাত কন্যা সন্তান জন্ম সম্পৰ্কীয় যি চিন্তাধাৰা সেই কথা প্ৰতিফলিত হৈছে ‘তিনি কন্যা’ৰ অন্তৰ্ভূক্ত ‘পিতা-পুত্ৰী’ উপন্যাসিকাখনত। দ্বিতীয়া কন্যা হিচাপে জন্ম লোৱাৰ বাবেই নিচেই সৰুতেই দেউতাকৰ ৰোষৰ কাৰণ হৈ ৰাণু আইতাকৰ লগত থাকি ডাঙৰ হ’বলগীয়া হৈছিল। দেউতাকে মাকৰ প্ৰতি কৰা অন্যায় তথা দ্বিতীয়া পত্নী গ্ৰহণ, মাহীমাকেও কন্যা সন্তান জন্ম দিয়াৰ বাবে দেউতাকে মাহীমাককো নিৰ্বাসন দিয়া ইত্যাদি ঘটনা ৰাণুৰ চকুৰ আগতে সংঘটিত হৈছিল। এইবোৰ দেখি শুনি ৰাণু সাংঘাতিকভাৱে সাহসী আৰু যুক্তিবাদী হৈ উঠিছিল। কন্যা সন্তানৰ প্ৰতি অনীহা, অৱজ্ঞা, পুৰুষৰ অৱদমন, নাৰীৰ বিপৰ্যয় আদিৰ বিৰুদ্ধে ৰাণুৱে প্ৰতিবাদ সাব্যস্ত কৰিছে। তদুপৰি মাহীমাকৰ প্ৰতি ৰাণুৱে সহৃদয়তাও প্ৰকাশ কৰিছে আৰু নিৰ্বাসিতা মাহীমাকক নিজৰ লগত ৰাখিবলৈ দৃঢ়মত প্ৰকাশ কৰিছে।

‘ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ’ৰ অঞ্জলি আন এক প্ৰতিবাদী চৰিত্ৰ। অঞ্জলি অধ্যয়নপুষ্টা, যুক্তিবাদী, বুদ্ধিমতী আৰু নাৰীৰ মৰ্যাদা সম্পৰ্কে সজাগ। ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ৰবাৰ্ট ফ্ৰষ্টৰ কবিতাৰ উদ্ধৃতি দিব পৰা বাকপটু অঞ্জলি চৰিত্ৰটো লেখিকাৰ নাৰী সমস্যা সচেতন চৰিত্ৰবোৰৰ ভিতৰত উজ্জ্বল। উপন্যাসখনত সমাজৰ অত্যাচাৰৰ বলি হোৱা পটেশ্বৰী, ৰেখাহঁতৰ বাবে সৰৱ হৈ উঠিছিল অঞ্জলি। অঞ্জলিয়ে কয় — “মানুহ চৰিত্ৰবান হ’ব লাগে - দুশ্চৰিত্ৰ হ’ব নালাগে। কিন্তু এই নৈতিক দায়িত্ব অকল তিৰোতাৰে নহয়, পুৰুষৰো। কিন্তু আমাৰ সমাজত চৰিত্ৰহীন পুৰুষে সদায় ক্ষমা পাই আহিছে, কিন্তু তিৰোতাই পোৱা নাই। আগৰ দিনৰ ঋষি-মুনিসকলৰতো আন স্খলনৰ সীমাই নাছিল — তথাপি তেওঁলোক চিৰ নমস্য মুনি — ঋষি।”[১]

বৰগোহাঞিৰ ‘অন্য জীৱন’ আৰু ‘চম্পাৱতী’ত নাৰীবাদী ভাৱনাই এক বিশেষ পৰ্যায়ত উপনীত হৈছেহি। এই উপন্যাস দুখনতহে সচেতনভাৱে নাৰীবাদৰ চৰ্চা কৰা হৈছে। পাশ্চাত্য নাৰীবাদৰ আদৰ্শৰে সংঘবদ্ধভাৱে সংগ্ৰাম কৰাৰ চেতনা লাভ কৰিছে।

নাৰীবাদী উপন্যাস হিচাপে খ্যাতি লাভ কৰা ‘অন্য জীৱন’ৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰ দুটা হৈছে অণিমা আৰু পুতলী। অণিমা সংবেদনশীলা আৰু বুদ্ধিমতী। প্ৰথমবাৰ গাঁৱলৈ আহিয়েই অণিমাৰ গাঁৱৰ অন্তহীন শ্ৰম আৰু তেওঁলোকৰ ওপৰত চলা অৱদমন চকুত পৰিছে। শাহুৱেকে সকলোকে খুৱাই সন্তুষ্ট কৰি নিজে আধাপেটীয়াকৈ থকা, গাঁৱৰ ছোৱালীবিলাকে পঢ়া-শুনাত গুৰুত্ব দিয়াতকৈ দিনৰ দিনটো কাম-বন কৰিও আনৰ কৰ্কথনা শুনিবলগীয়া হোৱা ইত্যাদিবোৰৰ মাজেদি অণিমাই পুৰুষ অৱদমন আৰু নাৰী নিৰ্যাতনৰ ছবি দেখিবলৈ পালে। এনেবোৰ কথা দেখি শুনি অণিমাই নাৰীৰ মৰ্যাদা আৰু অধিকাৰৰ বাবে মাত মাতিবলৈ ল’লে। আনহাতে পুতলী চৰিত্ৰটোৱেও নাৰী অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলনত নামি পৰিছে। অৱশ্যে এই আন্দোলন সমাজবাদী আন্দোলন। পুৰুষৰ বিৰুদ্ধে নহয়, পুৰুষৰ লগত একেলগেহে সমাজৰ ভুল ব্যৱস্থা আৰু মহিলাৰ সমস্যাসমূহৰ বিপৰীতে যুঁজ দিবলৈ আগবাঢ়িছে।

নিৰুপমা বৰগোহাঞিৰ ‘চম্পাৱতী’ মূলতঃ বিবাহিত জীৱনত ব্যৰ্থ হোৱা এগৰাকী মহিলাৰ আত্মপ্ৰত্যয় আৰু আত্মপ্ৰতিষ্ঠা লাভৰ পথত অগ্ৰসৰৰ কাহিনী। চম্পাৱতী চৰিত্ৰটিয়ে পুৰুষপ্ৰধান সমাজত পুৰুষ অবিহনে নাৰীৰ আশ্ৰয় নাই বুলি থকা বিশ্বাসৰ বিপৰীতে স্বাধীনভাৱে জীয়াই থকাৰ লগতে জীৱনক পূৰ্ণ কৰি তোলাৰ সাহসো লাভ কৰিছে। পৰনাৰীৰ প্ৰতি আসক্তি থকা স্বামী শিৱৰ বিৰুদ্ধে মাত মতাৰ বাবে চম্পাৱতীয়ে লাঞ্চনা, গঞ্জনা আৰু শাৰীৰিক শাস্তি ভোগ কৰিবলগীয়া হৈছে। কিন্তু তায়ো নীৰৱে থকা নাই। স্বামীৰ ভুল মূল্যবোধ আৰু শহুৰেকৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। অৱশেষত নিজৰ স্বামীয়ে যেতিয়া তাইক নিজৰ প্ৰেমিকা অঞ্জনাৰ লগত তুলনা কৰি তুচ্ছ জ্ঞান কৰিলে তেতিয়া তাই স্বামী গৃহ পৰিত্যাগ কৰাৰ সিদ্ধান্ত ল’লে। শিৱই নিজৰ পত্নীক অঞ্জনাৰ লগত তুলনা কৰি ক’লে — “এই উচ্চ শিক্ষিতা মহিলাগৰাকীৰ তুলনাত তাই কিমান তৃণদাপি তুচ্ছ।”[২] (পৃষ্ঠা - ৮০) শিৱৰ এনে উক্তিত চম্পাই আত্মমৰ্যাদা হেৰুৱাৰ জ্বালা অনুভৱ কৰিলে। লগতে এনে অভিজ্ঞতাৰ পৰা শিক্ষা লৈ নাৰীমুক্তিৰ সংঘবদ্ধ সংগ্ৰামত যোগ দিলে।

চম্পাৱতী উপন্যাসৰ আন এটা চৰিত্ৰ ‘সাদৰী’ক চম্পাক নাৰীবাদৰ পথ দেখুৱাবৰ বাবে সৃষ্টি কৰা হৈছে। সাদৰীয়ে নাৰীৰ প্ৰতি থকা সামাজিক বৈষম্য দূৰীকৰণৰ বাবে চম্পাক সংগঠিতভাৱে কাম কৰিবলৈ আহ্বান জনায়।

এতিয়ালৈকে আলোচিত নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ মাজেদি লেখিকাৰ নাৰী চেতনাৰ উত্তৰণশীল অভিব্যক্তি প্ৰকাশ পাইছে। তেখেতৰ শেহতীয়া উপন্যাস ‘অভিযাত্ৰী’ত এগৰাকী বাস্তৱ নাৰীবাদীৰ জীৱন আৰু কৰ্মক বিষয়বস্তু হিচাপে গ্ৰহণ কৰা হৈছে। এই বাস্তৱ চৰিত্ৰটি হ’ল অসমৰ নাৰীমুক্তি আন্দোলনৰ প্ৰথম আৰু অগ্ৰণী কৰ্মী চন্দ্ৰপ্ৰভা শইকীয়ানী। এইখন এখন জীৱনীমূলক উপন্যাস। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে প্ৰাপ্ত সকলো তথ্যকে কলাসন্মতভাৱে লেখিকাই সজাই তুলিছে। অসমীয়া সাহিত্যত নাৰীবাদী উপন্যাস হিচাপে ‘অভিযাত্ৰী’ উপন্যাসে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

এনেদৰেই ক্ৰমাগতভাৱে নিৰুপমা বৰগোহঞিৰ উপন্যাসসমূহত নাৰীবাদী চিন্তাই গতিশীলতা লাভ কৰিছে আৰু তেওঁৰ শেহতীয়া উপন্যাসত ই এক সুখপ্ৰদ পৰিণতি লাভ কৰিছে। পুৰুষক আকৰ্ষণ কৰাই নাৰীজীৱনৰ লক্ষ্য নহয়, দৈহিক সৌন্দৰ্যহীনা নাৰীৰো মানবীয় সত্তা আৰু মৰ্যাদা আছে। আমাৰ সমাজত নাৰীক মাতৃ বুলি পূজা কৰে, দেৱী বন্দনা কৰে, কিন্তু বাস্তৱ জীৱনত নাৰীয়ে সম্পূৰ্ণ বিপৰীত ব্যৱহাৰ পায়। সেইবাবে নিজৰ সৃষ্টিকৰ্মৰ জৰিয়তে লেখিকাই নাৰীৰ মৰ্যাদা আৰু অধিকাৰৰ বাবে সজাগ কৰি তুলিবলৈ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে; লগতে অসমীয়া সাহিত্যত নাৰীবাদী উপন্যাসৰ এটা বিশিষ্ট ধাৰাই জন্ম লাভ কৰি বিকাশৰ পথত অগ্ৰসৰ হৈছে।

১। নিৰুপমা বৰগোহাঞি, ‘ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ’, পৃঃ - ৪০

২। নিৰুপমা বৰগোহাঞি, ‘চম্পাৱতী’, পৃঃ ৮০

সহায়ক গ্ৰন্থ ঃ

১। অসমীয়া উপন্যাস ঃ নাৰীৰ ৰচনাত নাৰী, মামণি গগৈ বৰগোহাঁই।

২। ‘সাহিত্যৰ স্বাদ বৈচিত্ৰ্য’ ঃ বিভা দত্ত নেওগ (সম্পা.)

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# Women In Science – In Indian Context

**Dr. Saurav Bhattacharjee**
Assistant Professor, Department of Physics



The involvement of women in STEM (Science-Technology-Engineering and Mathematics) is not just a way to show their creativity rather the involvement is essential for the balanced development of any society. In fact when considering women in science, it is even truer: research is a highly creative and unique in regard to individual contribution. The process of scientific development, innovation and discovery can only benefit from diversity, gender being just one component.

In India the situation of women in science (WIS) is similar to other Asian countries, with some notable differences. India is a land of contradictions : It has had a powerful woman prime minister, a woman president, it has a large number of very highly accomplished women and at the same time it rates extremely low in the treatment of the





average woman. All throughout India the differences are already there in every region in terms of cultural outlook, economic and social strata. The aim of the article is to capture the overall situation for women in scientific careers based on the report prepared by INSA [1, 2, 3, 4].

Indian women have had a presence in the sciences for well over a century. The first Indian woman to receive her degree as a medical doctor did so in 1885. An early Indian woman doctorate in basic sciences was Janaki Ammal (in 1931) and the first woman to get her doctorate from an Indian university was Ashima Chatterjee, (in 1944). However, prior to Indian independence in 1947, the numbers had been very low, even as a fraction of those who studied science. Since then however, Indian women have come a long way in terms of science education. Today they form almost 40% of the undergraduates in science, with engineering close second. Even among the Ph.D.'s in science, about 25-30% are women. There is a fair distribution among different subjects, with life sciences and chemistry dominating. In fact women participate in large numbers not just in learning science but they also form a significant fraction of science teachers in schools/colleges. In India, the real crisis begins after the Ph.D.

The fraction of women with successful careers in science and those who achieve top positions in research and/or administration is very small, independent of discipline. Of the 25-30% Ph. D.'s, the proportion in faculty is between 15 and 20% and at higher levels the number further drops. The numbers are even lower with an increase in the reputation (as publicly perceived) of the Institution. Women heads of laboratories, science departments of the government, or as members of governing or advisory bodies are rare.

The perceived reason for the steady decrease in numbers is the inability of women to balance a family and career, the inherent assumption being that the family is solely the responsibility of the woman. For more than a decade, the Government of India has announced "gender equity in Science and Technology (S&T)" to be the goal of its S&T policy. A number of programs to provide ways for women to come back to science after a break have been introduced by different arms of the government as well as the private sector.

The Department of Science and Technology (DST) of the Government of India and

the Science Academies conduct a series of mentoring workshops and surveys. The latter have led to several recommendations that have been taken seriously and have been implemented where possible by the Government. Others need to be discussed, accepted and implemented, and to that end a Standing Committee of the Government of India was formed in 2006. This has not been functional so far. The three Academies of science in the country (NASI, INSA and IASc) have formed a Joint Panel for Women in Science and it is hoped that this will galvanize governmental action.

The Indian National Science Academy took the first steps in conducting an early survey on the participation in science by women and brought out the report"Science Careers for Indian Women: an examination of Indian women's access to and retention in Scientific Careers" [3]. This report and its follow up from the DST Task Force [4] reveal the following. While in Government establishments such as the Department of Biotechnology (DBT) and the institutions it supports and the Indian Council of Medical Research (ICMR) the percentage of women is as high as 25 % to 30 %, in the faculty of all the major research Institutions of the country and the universities, the percentage of women faculty in science is still 10% or lower distributed among different disciplines in no specific pattern.

Women's share of prestigious national awards or membership in the national academies is also low although the biological and medical sciences have slightly higher numbers. However, the latter is still not commensurate with the much higher (greater than 50% at times) fraction in the student population in the subject. One should also add here that, in schools and colleges a majority of the science and mathematics teachers in India are women. The conclusions one can draw from these numbers, many of which will be presented in detail in the report below, are the following:

1. There is significant participation of women in studying science as well as in teaching science in schools and undergraduate colleges.

2. However this is not true of women doing science, namely involved in pursuing scientific research as a career.

3. The percentage of women faculty and students in science and engineering decreases with the perceived high status of the Institution as well as with increasing position of authority within the hierarchy. The figure below, taken from R&D statistics of the DST for





2007-2008, the year-wise university enrolment of women in different disciplines. Enrolment in engineering has been lower compared to the Sciences.




The following table shows the % growth of women in university enrolment

| Year | Total enrolment | Women (%) |
|---|---|---|
| 1950-51 | 396,745 | 10.9 |
| 1960-61 | 1,049,864 | 16.2 |
| 1970-71 | 1,953,700 | 22.0 |
| 1980-81 | 2,752,437 | 27.2 |
| 1990-91 | 4,924,868 | 29.2 |
| 2000-01 | 8,399,443 | 39.4 |

Women comprise about 40% of the undergraduate student body. In engineering about 30% of the students overall are women but the fraction at more prestigious institutes such as IITs is low. Thus, the increase in the number of women in engineering is not because

more students are going into IITs. Similar is the situation in Medical sciences. The reputed Medical colleges have less number of women appearing for their entrance examination and thus the success is even lower. In fact, usually the fiercely competitive nature of the admission process requires one to spend money and time to prepare for these examinations. Parents, on average, tend not to spend this for a daughter.

| Organization | 2004 | | 2008 | |
|---|---|---|---|---|
| | Total scientists | Women (%) | Total scientists | Women (%) |
| CSIR | 5,030 | 13.0 | 4,556 | 16.05 |
| DST | - | - | 659 | 20.8 |
| DAE | 436 (TIFR) | 16.5 | 4,173 (BARC) | 15.0 |
| DBT | 179 | 31.8 | 208 | 27.4 |
| ICMR | 615 | 27.3 | 561 | 29.0 |
| DRDO | - | - | 6,890 | 14.0 |
| DOD | 127 | 8.7 | - | - |
| ICAR | 2,000 | 8.5 | 2,378 | 14.3 |

The table below shows the women scientists in various organisations.

The woman faculty in selected universities throughout India is shown below

| University | 2004 | | 2008 | |
|---|---|---|---|---|
| | Total scientists | Women (%) | Total scientists | Women (%) |
| IISc Bangalore | Academic: 316<br>Scientific: 113 | 6.6<br>9.7 | Total: 330<br>Asst. Prof.: 91<br>Assoc. Prof.: 92<br>Professor: 147 | 7.7<br>9.9<br>5.5<br>8.3 |
| University of Hyderabad | Total: 101 | 15.8 | Total: 135<br>Asst. Prof.: 41<br>Assoc. Prof.: 32<br>Professor: 62 | 20<br>31.7<br>40.6<br>8 |
| Jawaharlal Nehru University | 82 | 16 | 120 | 20 |
| Delhi University | - | - | Sciences<br>Asst. Prof.: 184<br>Assoc. Prof.: 22<br>Professor: 85<br><br>Maths: 38<br>Asst. Prof.: 8<br>Assoc. Prof.: 9<br>Professor: 11 | <br>37<br>6<br>10<br><br>34.2<br>25.0<br>47.4<br>18.2 |

Given the fact, that the fraction of women among practicing scientists is rather small it is clear that women will be scarce in top positions in institutional and governance structures. There have been outstanding women scientists who have made important contributions





to science, but by and large, they have not been seen as leaders in scientific research. This situation is only slowly changing. Pursuing a career in science for women is not only about profession but also about passion. And to accomplish that there need a suitable environment. So, it is the responsibility of every individual in society to stand for this cause.

## References :


[1] The United Nations Fourth World Conference, Beijing, China, September 1995, Action for Equality, Development and peace. http://tinyurl.com/nczgokg

[2] R. Godbole, N. Gupte and S. Rao, *Current Science*, 83, 359-361 (2002).

[3] *Science Careers for Indian Women: an examination of Indian Women's access to and retention in Scientific Careers*, October 2004, Eds. M. Bamji et al., Available at http://tinyurl.com/oanqvno

[4] Report of the DST Task Force for Women in Science, Ed: M. Bamji, 2009-2010. Available from http://tinyurl.com/oanqvno





TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# ভাৰতীয় চিকিৎসা বিজ্ঞানৰ বাটকটীয়া মহিলা ঃ আনন্দীবাই যোশী

ড° দীপিকা ভট্টাচাৰ্য
গণিত বিভাগ

আধুনিক ভাৰতীয় চিকিৎসা বিজ্ঞান জগতৰ উল্লেখযোগ্য নাম আনন্দীবাই যোশী। উনৈছ শতিকাত আমেৰিকাৰ পেনচিলভেনিয়াৰ 'উইমেন্‌ছ মেডিকেল কলেজ'ৰ পৰা পাশ্চাত্য চিকিৎসা বিজ্ঞানৰ শিক্ষালাভ কৰা প্ৰথম ভাৰতীয় মহিলা চিকিৎসক। ১৮৬৫ চনৰ ৩১ মাৰ্চত তৎকালীন বোম্বাই প্ৰেচিডেঞ্চিৰ অন্তৰ্গত মফচল অঞ্চলৰ কল্যাণ গাঁৱত তেওঁৰ জন্ম হৈছিল। পিতা গণপতৰাও যোশী আৰু মাতা গঙ্গাবাইৰ নজন সন্তানৰ পঞ্চম সন্তান আছিল আনন্দীবাই। যথেষ্ট মাটিৰ গৰাকী স্বচ্ছল আৰু সামাজিক মৰ্যাদাসম্পন্ন পৰিয়ালটোৰ কঠোৰ অনুশাসনৰ মাজতেই আনন্দীৰ শৈশৱৰ দিনবোৰ পাৰ হৈছিল। বিশেষকৈ এনেকুৱা সম্ভ্ৰান্ত পৰিয়ালবোৰত শিশুকন্যাক অত্যধিক কাঢ়া শাসনৰ অধীনত ৰখাটো সেই সময়ৰ বাবে আছিল অতি স্বাভাৱিক কথা। পিতৃতান্ত্ৰিক সমাজত বিবাহৰ পিছত স্বামী আৰু তেওঁৰ পৰিয়ালৰ অন্যান্যসকলৰ প্ৰভুত্ব মানি চলিবলৈ সাজু কৰি তুলিবলৈ নিতান্ত শৈশৱতেই কন্যাশিশুৰ মনৰ পৰা যাৱতীয় মুক্ত চিন্তা অথবা স্বাধীন বিচাৰ কৰাৰ প্ৰৱণতা নিৰ্মূল কৰি দিয়াই ইয়াৰ একমাত্ৰ উদ্দেশ্য আছিল। বিশেষকৈ জেদী আনন্দীক বশ কৰিবলৈ তাইৰ মাকে অবাধ্যতাৰ শাস্তি হিচাপে গৰম কয়লা অথবা লাঠিৰে কোবাইছিল যিটো পৰৱৰ্তীকালত আমেৰিকাৰ এক বন্ধুলৈ লিখা চিঠিৰ পৰা জানিব পাৰি। প্ৰচলিত বাল্য বিবাহৰ ৰীতি অনুসৰি মাত্ৰ ন বছৰ বয়তেই প্ৰায় ত্ৰিছ বছৰ বয়সৰ বিপত্নীক গোপালৰাও যোশীৰ লগত তেওঁৰ বিবাহ হয়। গোপালৰাও আছিল ডাকঘৰৰ কৰ্মচাৰী আৰু তেতিয়াৰ মহাৰাষ্ট্ৰৰ উচ্চবৰ্ণ মানুহৰ সংস্কাৰ আন্দোলনৰ সমৰ্থক। গতিকে নিজকে এজন সংস্কাৰবাদী হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ আৰু সামাজিক সন্মান আদায় কৰিবলৈ তেওঁ নিজৰ শিশু পত্নীক পঢ়ুৱাবলৈ সচেষ্ট হ'ল। ইতিমধ্যে মাত্ৰ চৈধ্য বছৰ বয়তেই আনন্দী সন্তানৰ মাতৃ হয় যদিও তেওঁৰ প্ৰথম সন্তান মাত্ৰ দহ দিনমানহে জীৱিত আছিল। চিকিৎসালয়বোৰত প্ৰসূতি আৰু শিশুৰ বাবে উপযুক্ত চিকিৎসাৰ অভাৱ উপলব্ধি কৰি আনন্দীয়ে ডাক্তৰী পঢ়িবলৈ সিদ্ধান্ত



লয়। ১৮৮৩ চনত তেওঁ ডাক্তৰী পঢ়িবলৈ আমেৰিকালৈ যাত্ৰা কৰে আৰু ১৯৮৬ চনত আনন্দীয়ে আমেৰিকাৰ পেনচেলভেনিয়াৰ পৰা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী লৈ ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰে। এই খিনিতে উল্লেখ কৰিব পাৰি যে আমেৰিকাত স্থায়ীভাৱে থকাৰ সুযোগ লাভ কৰিছিল যদিও স্বদেশলৈ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে তেওঁ ভাৰতলৈ ঘূৰি আহিছিল। বিদেশৰ অৰ্থনৈতিক সুযোগ-সুবিধাবোৰে গোপালৰাওক প্ৰলুব্ধ কৰিছিলে আৰু আনন্দীক তাতে থাকি যাবলৈ গোপালৰাৱে পৰামৰ্শও দিছিল। ভাৰতলৈ ঘূৰি আহি আনন্দীয়ে মহাৰাষ্ট্ৰৰ কোলাপুৰত থকা এলবাৰ্ট এডওয়াৰ্ড হস্পিটেলৰ মহিলা বিভাগৰ চিকিৎসক হিচাপে কৰ্মত যোগদান কৰে। কিন্তু আমেৰিকাত অধ্যয়ন কৰি থকাৰ সময়তেই শীতৰ প্ৰকোপ আৰু ভিন্ন খাদ্যাভ্যাসৰ বাবে আনন্দীৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি হৈছিল আৰু তাৰেই ফলশ্ৰুতিত ১৮৮৭ চনৰ ২৬ ফেব্ৰুৱাৰীত নিজৰ জীৱনৰ ২২ বছৰ পূৰ্ণ নৌহওঁতেই যক্ষ্মা ৰোগত আক্ৰান্ত হৈ আনন্দীয়ে অকালতে মৃত্যুবৰণ কৰে। তৎকালীন সমাজত থাকিও উল্লেখযোগ্য ব্যতিক্ৰমী জীৱনৰ অধিকাৰী আনন্দীবাইক চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে মহাৰাষ্ট্ৰ চৰকাৰে মহিলাৰ স্বাস্থ্য সম্পৰ্কীয় গৱেষণাৰত যুৱতীক দিয়াৰ বাবে আনন্দীবাইৰ নামানুসৰি এক বৃত্তিৰ প্ৰচলন কৰিছে।

প্ৰথম ভাৰতীয় মহিলা চিকিৎসক হিচাপে স্বাভাৱিকতেই আনন্দী বাই যোশীক লৈ বিভিন্ন গ্ৰন্থ ৰচিত হৈছে। ইয়াৰ উপৰি আনন্দীৰ চৰিত্ৰ অৱলম্বন কৰি মাৰাঠী উপন্যাস ৰচনা কৰা হৈছে। কিন্তু এই সকলোবোৰতেই আনন্দীবাইৰ জীৱনৰ সফলতাৰ কাৰিকৰ ৰূপে তেওঁৰ স্বামী গোপালৰাও যোশীকেই প্ৰতিষ্ঠা কৰা হৈছে।



প্ৰকৃততে পিতৃতান্ত্ৰিক দৃষ্টিৰে প্ৰধানতঃ আনন্দীৰ জীৱনগাথা ৰচিত হৈছিল। ১৮৮৮ চনত আমেৰিকাৰ এগৰাকী প্ৰখ্যাত নাৰীবাদী লেখক কেৰলিন ওৱেলচে (Caraline Wells Healey Dall) আনন্দীবাইৰ জীৱনী ৰচনা কৰে। কেৰলিন আনন্দীৰ এগৰাকী ঘনিষ্ঠ গুণগ্ৰাহী আছিল। এই জীৱন চৰিতত আনন্দীবাইৰ প্ৰতি তেওঁৰ স্বামী গোপালৰাওৱে কৰা কিছুমান দুৰ্ব্যৱহাৰৰ উল্লেখ আছিল যিবোৰে সেই সময়ত যথেষ্ট বিতৰ্কৰ সূচনা কৰিছিল।

অতি সম্প্ৰতি ২০১৯ চনত মীৰা কোছাম্বী ৰচিত "A Fragmented Feminism : Life and Letters of Anandibai Joshee" নামৰ কিতাপখন প্ৰকাশিত হৈছে। মীৰা কোছাম্বীয়ে সুদীৰ্ঘকাল গৱেষণাৰ মাধ্যমেৰে আনন্দীৰ লিখা বিভিন্ন চিঠি-পত্ৰবোৰ সংগ্ৰহ কৰিছিল, যিবোৰ প্ৰামাণিক তথ্যৰূপে কিতাপখনত অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰসঙ্গত উল্লেখ্য যে মীৰা কোছাম্বী এগৰাকী স্বনামধন্য ভাৰতীয় সমাজতত্ত্ববিদ আৰু মীৰাও মহাৰাষ্ট্ৰৰ একেটা অঞ্চলৰে পৰাই অহা য'ত আনন্দীবাইয়ে জন্মগ্ৰহণ কৰিছিল। আনন্দীৰ স্বাধীনচেতিয়া মনৰ উমান পাঠকে উল্লেখিত গ্ৰন্থখনত সন্নিবিষ্ট কৰা চিঠিবোৰৰ পৰাই অনুভৱ কৰিব পাৰিব। আনন্দীৰ শিক্ষা অথবা বিদেশলৈ গৈ অধ্যয়ন চলাই যোৱাত স্বামী গোপালৰাওৰ অৱদান অনস্বীকাৰ্য যদিও এই চিঠিবোৰৰ পৰাই প্ৰতীয়মান হয় যে পত্নীক শিক্ষাৰ পোহৰেৰে পোহৰাই তোলা ইয়াৰ উদ্দেশ্য নাছিল বৰঞ্চ সমাজৰ উচ্চবৰ্গৰ মানুহৰ মাজত নিজৰ সামাজিক প্ৰতিপত্তি আৰু আৰ্থিক নিৰাপত্তাৰ আকৰ্ষণ ইয়াৰ মুখ্য উদ্দেশ্য আছিল। আনন্দীয়ে আমেৰিকাৰ পৰা স্বামীক সম্বোধি

কেইবাখনো চিঠি লিখিছিল। মীৰা কোছাম্বীৰ কিতাপখনত আমি তাৰেই এখন পঢ়িবলৈ পাওঁ য'ত আনন্দীয়ে লিখিছে — "মোৰ প্ৰতি আপোনাৰ ব্যৱহাৰ ভাল আছিল নে বেয়া, সেয়া নিৰ্ণয় কৰা খুবেই কঠিন। মোক যদি প্ৰশ্ন কৰে মই ক'ম দুয়োটাই। আপোনাৰ উদ্দেশ্য সিদ্ধ কৰিবলৈ হয়তো এইটোৱেই ঠিক আছিল। কিন্তু সকলো ফালৰ পৰা বিচাৰ কৰিলে ক'বই লাগিব যে আপুনি ঠিক কৰা নাই। আপোনাৰ অত্যাচাৰে এটা শিশুৰ মনত কি প্ৰভাৱ পেলাব পাৰে, সেইটো আপুনি নাভাবিলে। ভগা কাঠৰ টুকুৰা দি মোক আঘাত কৰিছে; চকী, কিতাপ-পত্ৰ মোৰ ফালে দলিয়াইছে, তেতিয়া মোৰ বয়স মাত্ৰ দহ বছৰ।" তেওঁ আৰু লিখিছে— "মোক বিবাহ বিচ্ছেদৰ ভাবুকি দিছে যেতিয়া মোৰ বয়স মাত্ৰ বাৰ। আৰু কিমান যে নতুন নতুন শাস্তিৰ ভয় দেখুৱাইছে, যেতিয়া মই চৈধ্য। এই প্ৰতিটো বয়সতে দোপতদোপে মোৰ শৰীৰ আৰু মনৰ অপূৰণীয় ক্ষতি হৈ গ'ল।" আনন্দীয়ে লিখিছে — "এগৰাকী হিন্দু নাৰীৰ স্বামীৰ মুখৰ আগত এটাও কথা কোৱাৰ অধিকাৰ নাই। আনফালে, স্বামীয়ে নিজৰ ইচ্ছামতে চলিলেও মুখ বন্ধ কৰি সহি থকাটোৱেই বিধান। প্ৰত্যেক হিন্দু স্বামীয়ে নিজৰ স্ত্ৰীৰ পৰা ধৈৰ্যশীলতাৰ প্ৰশিক্ষণ ল'ব লাগে। মই অৱশ্যে বিশ্বাস কৰোঁ যে আপুনি নথকা হ'লে মই আজি য'ত উপনীত হৈছোঁ, সেয়া হয়তো সম্ভৱ নহ'লহেঁতেন। তাৰ বাবে মই চিৰকাল কৃতজ্ঞও থাকিম। কিন্তু আপুনিও অস্বীকাৰ কৰিব নোৱাৰে যে আপোনাৰ অত্যাচাৰ আৰু ক্ৰোধৰ আগত মই সদায়েই শান্ত হৈ আছিলোঁ।"

এই শান্ত হৈ থকাৰ মাজতেই একধৰণৰ আনুগত্য প্ৰকাশ হৈছে — মীৰাৰ গ্ৰন্থখনৰ প্ৰধান উপজীব্য এয়াই। পিছলৈ যদিও আনন্দীৰ চৰিত্ৰত স্বাধীন চিন্তা আৰু ব্যক্তিত্ব গঢ় লৈ উঠিছিল তথাপিও কিন্তু স্বামীৰ বিৰুদ্ধাচৰণ তেওঁ কেতিয়াও কৰা নাই। যি সমাজ ব্যৱস্থাৰ মাজত তেওঁ প্ৰতিপালিত হৈছিল, তাৰ প্ৰকাশ্য বিৰোধিতা তেওঁ কেতিয়াও কৰা নাছিল। আমেৰিকাৰ প্ৰচণ্ড ঠাণ্ডাতো কেৱল মাত্ৰ নগজ শাৰী পিন্ধিয়েই কটাই দিলে। উচ্চবৰ্ণৰ মানুহৰ বিভিন্ন খাদ্যৰ প্ৰতি থকা বিধি-নিষেধ অমান্য কৰিব নোৱাৰাৰ বাবেই বিদেশত থকা সময়চোৱাত তেওঁ শৰীৰৰ বাবে প্ৰয়োজনীয় খাদ্য গ্ৰহণৰ পৰা বিৰত থাকিল। তাৰেই পৰিণতিত তেওঁ অপুষ্টিত ভুগিবলগীয়া হ'ল আৰু কালক্ৰমে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যুবৰণ কৰিলে। যাৰ বাবে চিকিৎসক হিচাপে নিয়োজিত হৈও দেশবাসীক তেওঁ কাঙ্খিত সেৱা আগবঢ়াব নোৱাৰিলে। সম্ভৱতঃ আনন্দীৰ চৰিত্ৰৰ দ্বন্দ্বক উপলব্ধি কৰিব পাৰিছিল কাৰণেই মীৰাই গ্ৰন্থখনৰ নামৰ বাবে 'ফ্ৰেগমেণ্টেড ফেমিনিজম্' শব্দযুগল চয়ন কৰিছে।

গুৰুতৰ শাৰীৰিক অসুস্থতাৰ কাৰণে লেখিকাই গ্ৰন্থখন মৃত্যুৰ আগতে প্ৰকাশ কৰি উলিয়াব নোৱাৰিলে। কিন্তু তেখেতৰ বন্ধুত্ৰয় - সংস্কৃতজ্ঞ পণ্ডিত মাধবী কোলহৎকাৰ, মুম্বাই নিবাসী ইতিহাসবিদ্ অবন মুখোপাধ্যায় আৰু বিজ্ঞান গৱেষক ৰামকৃষ্ণ ৰামস্বামী এই তিনিওজনে সম্পাদনা কৰি আনন্দীবাইৰ জীৱনভিত্তিক গৱেষণা গ্ৰন্থখন প্ৰকাশ কৰি উলিয়ালে। এই কিতাপখনে আনন্দীবাইৰ অসামান্য কৃতিত্বক গোপালৰাওৰ ছাঁৰ পৰা মুক্ত কৰি স্বীকৃতি দিলে। ■■

তথ্যসূত্ৰ ঃ

(১) মিথ ভেঙে মুক্তিৰ উড়ান ঃ অগ্নি ৰায় — আনন্দবাজাৰ পত্ৰিকা, ২৭ অক্টোবৰ, ২০১৯।

(২) আৰ্ন্তজালৰ বিভিন্ন ৱেবচাইট।





# নিৰ্বাপিত হ'ল এটি উজ্জ্বল নক্ষত্ৰ

নিজৰা ডেকা
ইতিহাস বিভাগ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয

আধুনিক অসমত জাকত-জিলিকা নাৰীৰ সংখ্যা পুৰুষৰ তুলনাত কম। অৱশ্যে ই অস্বাভাৱিকো নহয়। কাৰণ ভাৰতবৰ্ষৰ আন অংশৰ দৰে অসমতো পুৰুষতান্ত্ৰিক সমাজেই অতদিনে প্ৰাধান্য লাভ কৰি আহিছে। মাতৃতান্ত্ৰিকতাৰ প্ৰভাৱ কিছু হ'লেও থকা অঞ্চল তেনেই সামান্য। আনহাতে ভাৰতীয় সামন্তীয় ব্যৱস্থাত পুৰুষৰ প্ৰাধান্য অতি বেছি। অসমৰ সামন্তীয় সমাজ সেই ভাৰতীয় ব্যৱস্থাৰেই অংশবিশেষ। তদুপৰি ভাৰতীয় সমাজৰ আধুনিকীকৰণ সম্পূৰ্ণ হ'বলৈ এতিয়াও বহু বাকী। অসমৰ দৰে তুলনামূলক পশ্চাদপদ অঞ্চল এটাত এই বিকাশ কিমান অধিক দুৰ্বল তাক দোহৰাৰ প্ৰয়োজন নাই। তেনে প্ৰতিকূল পৰিস্থিতিত নাৰী সমাজৰ বাবে আধুনিক শিক্ষা, বৌদ্ধিকতা, চিন্তা-চৰ্চা তথা কৰ্মৰাজিৰে সমৃদ্ধ কৰি সমাজৰ আগশাৰীত স্থান লাভ কৰিবলৈ সক্ষম হোৱাটো কেনে কঠিন কাম আছিল সেইটোও অনুমেয়। এই প্ৰতিকূল পৰিস্থিতিৰ মাজতো যি এমুঠি অসমীয়া নাৰীয়ে আধুনিক যুগত চমৎকাৰ তথা আধুনিক কীৰ্তিৰে নিজকে মহীয়ান কৰি অসমৰ সমাজৰ আগশাৰীত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল তাৰেই এগৰাকী আছিল শ্ৰদ্ধেয়া ড০ নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউ। দৈহিকভাৱে নিৰ্মলপ্ৰভা বাইদেউ যদিও আমাৰ মাজত নাই, কিন্তু তেওঁৰ যুগমীয়া সৃষ্টিৰাজিয়ে তেওঁৰ সৃষ্টিৰাজিক অসমীয়া তথা অসমৰ সমাজত স্থিৰস্থায়ী কৰি ৰাখিব। শ্ৰদ্ধেয়া নিৰ্মলপ্ৰভা বাইদেউ আছিল বহুমুখী প্ৰতিভাৰ অধিকাৰী। তেওঁ একেধাৰে আছিল প্ৰখ্যাত গীতিকাৰ, কবি, ঔপন্যাসিক, স্বনামধন্য শিক্ষয়িত্ৰী, গৱেষক আৰু সমাজনেত্ৰী। ইয়াৰ প্ৰতিটো ক্ষেত্ৰতেই তেওঁ আৰ্জি থৈ গৈছে যুগমীয়া কীৰ্তি।

নিৰ্মলপ্ৰভা বাইদেৱে তেওঁৰ শৈশৱ, কৈশোৰ তথা যৌৱন এনে এখন অসমীয়া সমাজত কটাবলগীয়া হৈছিল যি সমাজত নাৰী শিক্ষাৰ প্ৰচলন আছিল দুৰ্বল। এই প্ৰতিবন্ধকতা স্বত্বেও বাইদেৱে গৱেষণাৰ কামত মনোযোগ কৰি তাহানিতেই লাভ কৰিছিল ডক্টৰেট ডিগ্ৰী। এইবোৰ এনেয়েই কঠিন কাম। তাতে কঠিন পৰিস্থিতিত কৰিব লগাত পৰা এনে কাম হৈ পৰে অধিক কঠিন। তেনেক্ষেত্ৰত এই কাম যেতিয়া এগৰাকী স্বামীৰ সান্নিধ্যৰ পৰা গাভৰু বয়সতেই বঞ্চিত হ'ব লগাত পৰা নাৰীয়ে কৰিবলগীয়াত পৰে, তাকো এনে এক নাৰীয়ে যিগৰাকীয়ে সন্তানৰ যোগ্য প্ৰতিপালন তথা নিজা ঘৰ চম্ভালাৰ দায়িত্বও একে সময়তে পালন

কৰিবলগীয়া হৈছিল, তেনে পৰিস্থিতিত সেই কাম সম্পাদন কৰাটো কেনে কঠিন কাম আছিল আৰু এই সাফল্য কেনে মহান সেইটো দেখ দেখ কৰে ওলাই আছে। আজিৰ অসমীয়া নাৰী সমাজৰ বাবে ড০ নিৰ্মলপ্ৰভা বৰদলৈয়ে কেনে অনুপ্ৰেৰণাৰ দৃষ্টান্ত এৰি গৈছে সেইটোও ওলাইছে। আমাৰ সমাজে, বিশেষকৈ নাৰী সমাজে সেই দৃষ্টান্তৰে প্ৰকৃতাৰ্থত অনুপ্ৰাণিত হোৱাৰ প্ৰমাণ দিব পাৰিলেহে বাইদেউৰ পবিত্ৰ স্মৃতিলৈ প্ৰকৃতাৰ্থত শ্ৰদ্ধা তৰ্পন কৰাটো হ'বগৈ। অসমৰ লোক-সংস্কৃতি, বিশেষকৈ লোকাচাৰ সম্পৰ্কীয় চৰ্চাত বাইদেউৰ আছিল গভীৰ পাণ্ডিত্য। তেওঁৰ উপন্যাসে অসমীয়া সমাজত লাভ কৰিছিল সমাদৰ। তেওঁৰ কবিতাই অসমীয়া সাহিত্যৰ ফুলনি সদায় শুৱাই থাকিব। আধুনিক যুগটোৰ তেওঁ শ্ৰেষ্ঠ মহিলা কবি। তেওঁৰ কবিতা আৰু গীতে কেইবা দশক ধৰি পাঠক আৰু শ্ৰোতাক মুগ্ধ কৰি ৰাখিছে আৰু মুগ্ধ কৰি থাকিব। অসমৰ সমাজ জীৱনৰ ছন্দ তেওঁ ৰচনা কৰা গীত আৰু কবিতাত বন্দী হৈ আছে। তেওঁৰ সুক্ষম সন্ধানী মনে অসমৰ সাহিত্য-সংস্কৃতিৰ ঐতিহ্যৰ অনুসন্ধান কৰিছিল। তেওঁৰ ৰোমাণ্টিক সৃজনী কল্পনা অতীত প্ৰীতিত কেবল আবদ্ধ নাছিল। অতীতৰ বুকুত যি জীৱন্ত তাৰ বুকুতে তেওঁ আধুনিক মানুহৰ জীৱনৰো আচহুৱা আৰু অনিয়মীয়া ছন্দৰ অন্বেষণ কৰে। তেওঁ গীতত বৰ্ণোৱা পৰিবেশ পৰিস্থিতি আৰু কবিতাৰ ইন্দ্ৰিয়গ্ৰাহ্য চিত্ৰকল্পই গাঁও আৰু নগৰ সামৰি সামগ্ৰিকভাৱে অসমৰ সমাজ বাস্তৱক মূৰ্ত আৰু চাক্ষুষ কৰে। অসমৰ সাংস্কৃতিক পৰম্পৰাক তেওঁ নিবিড়ভাৱে অনুভৱ আৰু উপলব্ধি কৰিছিল।

সৃষ্টিশীল ৰচনাৰ সমানে তেওঁ সাহিত্য-সংস্কৃতিৰ গৱেষণাও আগবঢ়াই লৈ গৈছিল। তেওঁক নাৰীবাদী আখ্যা দিবলৈ অসুবিধা তেওঁৰ ৰচনাৰাজিৰ বিশালতাৰ বাবে। কিন্তু পুৰুষ আধিপত্য থকা সাহিত্য জগতখনত তেওঁৰ কবিতাত নাৰী কণ্ঠস্বৰ সুতীব্ৰ, করুণ। চিঠি, আইতা, দ্ৰৌপদী, গান্ধাৰী, সীতা আদি বন ফৰিঙৰ ৰং সংকলনত সন্নিবিষ্ট কবিতাত পৰম্পৰাগত নাৰী মনৰ অৱস্থা মৰ্মান্তিক। নিৰ্মলপ্ৰভা বৰদলৈ আছিল সাহিত্য বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া মহিলা। 'কবিতাত প্ৰকৃতি' (The Treatment of Nature in Poetry) শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে তেওঁ ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। গদ্যৰো তেওঁ নিপুণ শিল্পী। 'সূৰ্য', 'শিৱ', 'দেৱী' এই তিনিখন পুথিৰ গদ্যৰ মাজত নিৰ্মলপ্ৰভাৰ সুকীয়া এক জিজ্ঞাসাৰ পৰিচয় পোৱা যায়। ভাৰতীয় পুৰাণ বা তন্ত্ৰৰ প্ৰাচীন ঐতিহ্যক আধুনিক সৃষ্টিৰে তেওঁ চাব খুজিছিল যেন ধাৰণা হয়। নাৰী তত্ত্বৰ ফালৰ পৰাও তেওঁ তন্ত্ৰক চাইছিল বুলি ক'ব পাৰি। অসমীয়া শিশু সাহিত্যৰ প্ৰাথমিক অৱস্থাত যিবোৰ বিষয়বস্তুৱে সবাতোকৈ বেছি অৰিহণা আগবঢ়াইছিল তাৰ ভিতৰত সাধুকথা, গীতিনাট্য আৰু পদ্যই আছিল অন্যতম। এই দিশটোলৈ যিসকলে তেওঁলোকৰ অনবদ্য বৰঙণি আগবঢ়াইছিল সেইসকলৰ মাজত অন্যতম আছিল ড০ নিৰ্মলপ্ৰভা বৰদলৈ। ১৯৩৩ চনত শিৱসাগৰৰ এক ঐতিহ্যপূৰ্ণ পৰিয়ালত ড০ নিৰ্মলপ্ৰভা বৰদলৈয়ে জন্মগ্ৰহণ কৰে। লাহে লাহে স্কুল কলেজৰ দেওনা পাৰ হৈ নিৰ্মলপ্ৰভা বৰদলৈয়ে শিক্ষা আৰু সাহিত্যৰ জগতত সোমাই পৰে। তেওঁৰ সৃষ্টিয়ে অসমৰ পঢ়ুৱৈ সমাজক আকৰ্ষিত কৰিবলৈ ধৰে। তেওঁৰ বহুমুখী





সৃষ্টিৰ এটি উল্লেযোগ্য দিশ আছিল শিশু সাহিত্য। শিশু সাহিত্যৰ ভিতৰত তেওঁ কেইবাখনো সাধুকথা, গীতিনাট্য, নাট সংকলন, কবিতা, নীতিবচন আদি ৰচনা কৰি থৈ যায়। জঁতুৱা ঠাচ, বিশুদ্ধ অসমীয়া শব্দৰ প্ৰয়োগ আছিল তেওঁৰ ৰচনাৰ উল্লেখযোগ্য দিশ। সকলোৱে বুজি পোৱা কোমল অসমীয়া শব্দৰে তেওঁ শিশুৰ উপৰি ডাঙৰকো আকৃষ্ট কৰিব পাৰিছিল। তেওঁৰ সুন্দৰ ৰচনাৰাজিৰ বাবে ভাৰত চৰকাৰৰ পৰা শিশু সাহিত্যৰ বঁটাও লাভ কৰিছিল। যিটো সময়ত আজিৰ দৰে দূৰদৰ্শনৰ পৰিবৰ্তে ৰেডিঅ'ই মানুহৰ মাজত অতি জনপ্ৰিয় আছিল সেই সময়ত কণ কণ মইনাহঁতৰ উপৰি ডাঙৰৰ বাবেও এটি আকৰ্ষণীয় অনুষ্ঠান আছিল 'অকণিৰ মেল'। 'অকণিৰ মেল' ইমান আকৰ্ষণীয় হোৱাৰ মূল কাৰণটো আছিল ড০ নিৰ্মলপ্ৰভা বৰদলৈৰ শিশুসুলভ কণ্ঠৰ নিৰ্মল আৰু নিৰ্ভুল পৰিচালনা। শিশুসুলভ কণ্ঠৰ নিৰ্মল আৰু নিৰ্ভুল পৰিচালনা। অসমীয়া শিশু সাহিত্যৰ জগতখনলৈ আগবঢ়োৱা ৰচনা সম্ভাৰবোৰ হ'ল — (১) চিল্ চিল্ চিলা বাগী চিল্ মিলা, (২) অসমীয়া ওমলা গীত, (৩) কথা সৰিৎ সাগৰ, (৪) সুৱদী মাত, (৫) সুৰীয়া মাত, (৬) শিশু নীতি-নাট্য সন্মিলন, (৭) Five Freedom Fighters, (৮) শালিকী ৰটো টো, (৯) মন উৰণীয়া, (১০) মানুহ (দহটা খণ্ড), (১১) সেউজী সেউজী (নাট সংকলন), (১২) হায় নাৰিকল পিঠা (নাট সংকলন), (১৩) জিকিমিকিৰ কথা, (১৪) এনেযেন মৰমৰ দেশ, (১৫) ৰজা, (১৬) বন্ধু, (১৭) গছে গছে পাতি দিলে ফুলৰে শৰাই। ইয়াৰ বাহিৰেও এছিয়াৰ সাধুকথা, সিংহ পোৱালীয়ে গুজৰিবলৈ শিকিলে, ময়ুৰৰ পাখীত থকা চকুকে আদি কৰি কেবাখনো শিশু সাহিত্যৰ পুথি অসমীয়ালৈ অনুবাদ কৰিছে।

ড০ নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউৰ ২০০৪ চনৰ জুনত দেহাৱসান ঘটে। জীৱনক, মানুহক, দেশক ভালপোৱা এটি সাংস্কৃতিক সুকুমাৰ মনৰ আৰু লক্ষ্যত উপনীত হ'বৰ বাবে প্ৰয়োজনীয় কঠোৰ সাধনা কৰিব পৰা ক্ষমতাৰ অধিকাৰিণী নিৰ্মলপ্ৰভা বৰদলৈৰ দেহাৱসানৰ লগে লগে অসমৰ সাহিত্য-সংস্কৃতিৰ আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ চিৰদিনৰ বাবে নিৰ্বাপিত হ'ল। জীৱনৰ কঠিন আঘাততো নতজানু নহৈ নিজৰ তপস্যা, মেধা আৰু প্ৰতিভাৰে কেৱল নিজকেই প্ৰতিষ্ঠা কৰি তেওঁ যোৱা নাই বৰং অসমীয়া কাব্য-সাহিত্য, গীতি-সাহিত্য, শিশু সাহিত্য, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণা ক্ষেত্ৰ এই সকলোকে তেওঁ কৰি গ'ল অৱিস্মৰণীয়ভাৱে সমৃদ্ধ। গভীৰ আত্মপ্ৰত্যয়, অফুৰন্ত আশাবাদ আৰু কঠোৰ শ্ৰম কৰিব পৰা এনে এটি ব্যক্তিত্ব আহিবলৈ ধৰা সকলো দিনৰ বাবে হৈ ৰ'ব স্মৰণীয় আদৰ্শৰ প্ৰতিভূ। কবি, গায়িকা, গীতিকাৰ, গদ্য নিৰ্মাতা নিৰ্মলপ্ৰভা বৰদলৈৰ অৱদানসমূহ অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰালত মণি-মুকুতা হৈ উজলি থাকিব। কবি হিচাপে নলিনীবালাৰ পিছতে নিৰ্মলপ্ৰভাৰ স্থান। আধুনিক কবিতাৰ দ্বিতীয় পৰ্বৰ এগৰাকী বিশিষ্ট কবি হিচাপেও তেওঁ স্মৰণীয় হৈ ৰ'ব। মানুহ হিচাপেও তেওঁ প্ৰশংসনীয় ব্যক্তিত্বৰ অধিকাৰী। দেশ-বিদেশৰ অভিজ্ঞতাৰে সমৃদ্ধ তেওঁৰ মন সদায় আমাৰ শিপাগছ বিচাৰি ব্যাকুল হৈছিল। তেওঁৰ মৃত্যু এটা অপূৰণীয় ক্ষতি; কিন্তু তেওঁ থৈ যোৱা সম্পদখিনি অকল তেওঁৰেই নহয়; আমাৰো। তাৰেই আমি আমাৰ সাংস্কৃতিক সংবেদনশীলতাক গতিশীল কৰিবলৈ চেষ্টা কৰিব লাগিব। সেয়েই হ'ব তেওঁলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা। ■■

# দ্ৰৌপদীৰ অভিলাষ

দেৱকান্ত বুঢ়াগোহাঁই
গণিত বিভাগ



মানৱ জাতিৰ সুদীৰ্ঘ ইতিহাসৰ ঘটনা পৰিঘটনাৰ মাজত বিশেষ কিছু নাৰী পুৰুষৰ জীৱন সংগ্ৰাম আৰু সংঘৰ্ষৰ কাহিনীয়ে যুগে যুগে মানুহৰ মনত দোলা দি ৰয়। ইতিহাসৰ এনে বিশেষ নৰ-নাৰীৰ জীৱন সংগ্ৰামৰ পাত লুটিয়ালে দেখিবলৈ পোৱা যায়— সংঘাত-সংঘৰ্ষ, জয়, পৰাজয়, প্ৰেম ভালপোৱা অথবা ব্যৰ্থতাৰ কাহিনী। এনে প্ৰতিটো কাহিনীৰ আঁৰত সমসাময়িক সমাজ ব্যৱস্থাৰ ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰচলিত ধৰ্মীয় ৰীতি-নীতি, সামাজিক বৈষম্য, নাৰী পুৰুষৰ সম্পৰ্ক, মানৱীয় মূল্যবোধৰ চিন্তা-চেতনাৰ এটা আভাস পোৱা যায়। পৰিবৰ্তনমুখী সমাজ ব্যৱস্থাৰ অতীত আৰু বৰ্তমান বিশ্লেষণাত্মক অধ্যয়নৰ বাবে এই কাহিনীবোৰে একো একোটা পথ নিৰ্দেশনা দিয়ে। ভাৰতীয় সমাজ ব্যৱস্থাক অতীতৰ পৰা বৰ্তমানলৈকে সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰি অহা দুখন মহাকাব্য ৰামায়ন আৰু মহাভাৰত। হাজাৰ বছৰীয়া পুৰণি এই দুই মহাকাব্যত বৰ্ণিত ৰূপকথাৰ যি মনস্তাত্বিক বিশ্লেষণ সি আজিৰ মানৱ সমাজৰ বাবেও সমানেই প্ৰাসংগিক। যুগে যুগে ৰামায়ন আৰু মহাভাৰতে মানুহৰ চিন্তা-চেতনাক প্ৰভাৱিত কৰি অহাৰ লগতে মানৱ সমাজৰ বৌদ্ধিক বিকাশ আৰু উত্তৰণৰ পথ নিৰ্দেশনা দি আহিছে।

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ মৰ্যাদা আৰু অধিকাৰ ৰক্ষাৰ বাবে সময়ে সময়ে এটা প্ৰতিবাদী কণ্ঠ হৈ একো একোগৰাকী নাৰীৰ আবিৰ্ভাৱ হয়। সমাজৰ অন্যায় অনিয়মৰ ওচৰত সেও নামানি এনে একোগৰাকী নাৰীৰ কণ্ঠই আন দহগৰাকী নাৰীক মুক্তিৰ পথ দেখুৱায়। ধৰ্ম যেতিয়া নিমাতে ৰয়, ব্যভিচাৰে যেতিয়া সকলোকে গ্ৰাস





কৰে, তেতিয়া একোগৰাকী অবলা নাৰীয়ে সমাজত এটা কণ্ঠস্বৰ হৈ দিক্ নিৰ্ণায়কৰ ভূমিকা লয়। পাশা খেলত সৰ্বস্বান্ত হৈ পঞ্চ পাণ্ডৱৰ লগতে দ্ৰৌপদীক যেতিয়া দুৰ্যোধনৰ ৰাজসভাত অপমান কৰা হৈছিল, মহা মহা বিজ্ঞ আৰু ধাৰ্মিক লোকসকল নিমাতে আছিল। দুঃশাসনে বিধুতি অৱস্থাত দ্ৰৌপদীক যেতিয়া চুলিত ধৰি ৰাজসভালৈ চোচৰাই আনিছিল, তেওঁ খং আৰু লাজ-অপমানত গৰজি উঠিছিল। ৰাজসভাত বহি থকা পিতামহ ভীষ্ম, দ্ৰোণাচাৰ্য, বিদুৰ, ধৃতৰাষ্ট্ৰ আৰু অন্য সভাসদসকলক উদ্দেশ্য কৰি কৰ্কথনা কৰিছিল — এগৰাকী ৰাজবধুক চুলিত ধৰি ৰাজসভালৈ চোচৰাই অনা হ'ল অথচ তাক ধিক্কাৰ দি এটা শব্দ উচ্চাৰণ কৰিবলৈ তাত কোনো নোলাল। বিদ্ৰোহ কৰি দ্ৰৌপদীয়ে ৰাজসভাতে চিএৰি উঠিছিল ধন্য এই কুৰু ৰাজসভা! ধন্য এই ৰাজসভাত বহি থকা বিদগ্ধ পণ্ডিতসকল! ধিক্ এই ভৰত বংশ, ধৰ্ম আৰু চৰিত্ৰ যাৰ লুপ্ত হৈছে। দ্ৰৌপদীৰ এই কণ্ঠস্বৰে ৰাজসভাত বহি থকা প্ৰতিজন বিবেকবান সদস্যৰ চিন্তা-চেতনাক জোকাৰি গৈছিল। অবলা নাৰী বুলি চাৰিবেৰৰ মাজতে বাখি থ'ব বিচৰা দ্ৰৌপদীৰ কণ্ঠস্বৰৰ মাজেৰে আমি দেখিবলৈ পাওঁ একো এগৰাকী নাৰীৰ মহীয়ান ৰূপ, সমাজ সংস্কাৰী চিন্তা-চৰ্চাৰ লগতে প্ৰতি গৰাকী নাৰীৰ ভিতৰত থকা ক্ষোভ, বেদনা, অপমান, লাঞ্ছনাৰ বিৰুদ্ধে গৰজি উঠা এক প্ৰতিবাদী সত্বা।

এগৰাকী ৰাজকন্যা অথচ দ্ৰৌপদীৰ গোটেই জীৱনটোৱেই আছিল এক প্ৰত্যাহ্বানপূৰ্ণ; ৰূপ, গুণ, ধন-সম্পদ সকলো ফালৰ পৰাই উভৈনদী। ডাঙৰ হৈ অহাৰ লগে লগে সুগন্ধি আতৰৰ দৰে দ্ৰৌপদীৰ ৰূপ-গুণৰ মহিমা দশোদিশে বিয়পি পৰে। উপযুক্ত বয়স হোৱাৰ লগে লগে দেউতাকেও তেওঁৰ বিয়াৰ কথা চিন্তা কৰিবলৈ লয়। বিবাহ এগৰাকী নাৰীৰ বাবে এটা সুখৰ স্বপ্ন। দ্ৰৌপদীয়েও হয়তো সপোন দেখিছিল এজন ৰাজকুমাৰৰ সৈতে সুখ আৰু এটা নিৰাপদ জীৱনৰ। নিয়তিয়ে তেওঁৰ জীৱনটোক লৈ কিছু অন্য ধৰণে পৰিকল্পনা কৰি ৰাখিছিল। দেউতাকৰো ফুল যেন কোমল ছোৱালীজনীক লৈ চিন্তা আছিল অলপ বেলেগ। বিয়াৰ জৰিয়তে দেউতাকে পৰিকল্পনা কৰিছিল ভৱিষ্যতৰ এখন মহাযুদ্ধ। তাত ছোৱালীৰ সুখৰ ভৱিষ্যতৰ স্বপ্ন নাছিল। নিজৰ ৰাজনৈতিক স্বাৰ্থ তথা প্ৰতিশোধ পৰায়ণতাৰ বশৱৰ্ত্তী হৈ এনে এজন পুৰুষক জোঁৱাই হিচাপে বিচাৰিছিল যিয়ে তেওঁৰ একালৰ পৰম বন্ধু দ্ৰোণাচাৰ্যৰ বিপক্ষে সন্মুখ সমৰত থিয় দিব পাৰে। ফুলকুমলীয়া দ্ৰৌপদীয়ে দেউতাকৰ অভিলাষ আৰু অভিসন্ধি অনুসাৰেই বিবাহ পাশত আৱদ্ধ হয়। ৰাজপ্ৰসাদ এৰি তাই বনবাসী হ'বলগীয়া হ'ল। দুৰ্ভাগ্যবশতঃ তাই পাঁচ সহোদৰক একেলগে স্বামীবৰণ কৰিবলগীয়াত পৰে। ঘাত-প্ৰতিঘাত, কণ্টকময় পথেৰে তাইৰ বিবাহিত জীৱন অতিবাহিত হৈছিল। এটা অপ্ৰত্যাশিত জীৱনৰ মাজেৰে এগৰাকী ৰাজকন্যাৰ সুখৰ বাসনাবোৰ তেওঁ কেনেকৈ ধৰি ৰাখিছিল। তেওঁ সুখী আছিলনে, সুখী আছিলনে নিজৰ জীৱনটোক লৈ।?

আধুনিকা এগৰাকী নাৰীয়ে এজন পুৰুষৰ পৰা কি বিচাৰে? কিহৰ আশাত এগৰাকী নাৰীয়ে এজন পুৰুষৰ প্ৰতি আকৰ্ষিত হয়। আধুনিক psychoanalysis ৰ জনক ছিগমণ্ড ফ্ৰয়েদৰ মতে "Womens are dark continent", নাৰীয়ে কি বিচাৰে সুদীৰ্ঘ এক গৱেষণাৰ অন্তত ছিগমণ্ড ফ্ৰয়েডে

কিন্তু কোনো সন্তোষজনক উত্তৰ দি যাব নোৱাৰিলে। ছিগমণ্ড ফ্রয়েডৰ বাবে নাৰীৰ মানসিক জগতখন অন্ধকাৰচ্ছন্ন হৈ থাকিলেও মহৰ্ষী ব্যাসদেৱে দ্রৌপদীৰ মানসিক জগতখনত বিচৰণ কৰিব পাৰিছিল। দিব্যদৃষ্টিৰ বলত মহৰ্ষী ব্যাসদেৱে দ্রৌপদীৰ পূৰ্বজন্মৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছিল। পূৰ্ব জন্মত দ্রৌপদী পৰম নিষ্ঠাৰে মহাদেৱক আৰাধনা কৰি কঠোৰ তপস্যাত মগ্ন হৈছিল। দ্রৌপদীৰ তপস্যাত সন্তুষ্ট হৈ মহাদেৱে তেওঁৰ মনোকামনা পূৰ্ণ কৰাৰ বাবে দ্রৌপদীৰ সন্মুখত আহি উপস্থিত হয়। মহাদেৱৰ ওচৰত দ্রৌপদীয়ে পৰজন্মৰ বাবে এনে এজন স্বামীৰ প্ৰাৰ্থনা কৰে যিজন ধাৰ্মিক, বলৱান, ধনুৰ্বিদ্যাত শ্ৰেষ্ঠ, দেখাত সুন্দৰ আৰু ধৈৰ্যশীল এই পাঁচটা গুণৰ অধিকাৰী হ'ব লাগিব। মহাদেৱৰ মতে এই পাঁচ গুণৰ সমাহাৰ একেজন পুৰুষৰ মাজত পোৱাটো অসম্ভৱ। মহাদেৱে তেওঁক বৰদান কৰিছিল অহা জনমৰ বাবে দ্রৌপদীয়ে পাঁচজন স্বামী লাভ কৰিব, প্ৰত্যেকৰে গাত তাই বিচৰা একোটা গুণ থাকিব। মহাদেৱৰ বৰ অনুসৰিয়েই দ্রৌপদীৰ পাঁচজন স্বামী হয়। পাঁচ সহোদৰক স্বামী বৰণ কৰিবলগীয়া হোৱাত দ্রৌপদীৰ কোনো অসন্তুষ্টি নাছিল। আটাইকেইজন স্বামীক লৈ দ্রৌপদী একপ্ৰকাৰ সুখীয়েই আছিল। ধন-ঐশ্চৰ্য্যৰ লাহ বিলাহতকৈ পঞ্চপাণ্ডৱৰ সৈতে কটোৱা মূহুৰ্তবোৰ তাইৰ বাবে বেছি মূল্যবান আছিল। বিচৰা হ'লে তেওঁ বনবাসী দিনবোৰ পিতৃগৃহলৈ গৈ ৰাজপ্ৰসাদত লাহ বিলাহৰ আৰামদায়ক এটা জীৱন পাৰ কৰিব পাৰিলে হয়। শাস্ত্ৰ জ্ঞানী দ্রৌপদীয়ে স্ত্ৰী ধৰ্ম পালন কৰি স্বামীৰ চৰণেই ভাৰ্যাৰ শেষ আশ্ৰয় বুলি জ্ঞান কৰিছিল।

তেজ মঙহৰ মানুহ হিচাপে আন দহগৰাকী নাৰীৰ দৰে দ্রৌপদীৰ দেহতো আছে আবেগ অনুভূতি, পাৰ্থিৱ সুখ-সম্ভোগৰ দাবী। মানবীয় প্ৰেম ভালপোৱা, ক্ষোভ-বেদনাৰ লগত লাঞ্ছনা-বঞ্চনা, অপমান সহ্য কৰিও অটোইকেইজন ককাই-ভাইৰ সৈতে দন্দ খিয়াল নলগাকৈ স্ত্ৰী ধৰ্ম পালন কৰি ঘৰ-সংসাৰ চলাই লৈ গৈছিল। বনবাসী কালছোৱাত দ্রৌপদীয়ে প্ৰায়ে দিনৰ ভাগত অৰণ্যৰ মাজত অস্থায়ীভাৱে নিৰ্মাণ কৰি লোৱা কুটীৰত অকলে থাকিবলগীয়া হয়। বিভিন্ন আপদ-আহুকালে তেওঁৰ লগ এৰা নাছিল। অন্ন-বস্ত্ৰ, ভিক্ষা সংগ্ৰহৰ বাবে, কেতিয়াবা পশু চিকাৰৰ বাবে পঞ্চ পাণ্ডৱ দিনটো বিভিন্ন কামত দূৰ-দূৰণিলৈ ওলাই যায়। অৰণ্য হৈছে হিংস্ৰ জীৱ-জন্তুৰ লগতে ভুত-প্ৰেত, অপদেৱতা, ৰাক্ষসৰ বিচৰণস্থলী। এনে এক পৰিবেশত দ্রৌপদীৰ বাবে গভীৰ অৰণ্যত জীৱন নিৰ্বাহ কৰাটো ইমান সহজ নাছিল। পঞ্চ পাণ্ডৱৰ প্ৰতি থকা অগাধ প্ৰেম-ভালপোৱা আৰু শ্ৰদ্ধাৰ বাবেই প্ৰতিকূল পৰিবেশতো তেওঁ সাহস আৰু পূৰ্ণ উদ্যমেৰে জীয়াই থাকিব পাৰিছিল। দুৰ্দিনত স্বামীসকলৰ কাষত থাকি তেওঁলোকৰ দুখ-দুৰ্দশা লাঘৱ কৰি বনবাসী দিনবোৰ সুখী আৰু মধুময় কৰি তুলিছিল। হাজাৰ বছৰীয়া পুৰণি মহাভাৰতৰ দ্রৌপদী এতিয়া আমাৰ বহুতৰ বাবে ৰূপ কথাৰ এটা কাহিনী যেন লাগিলেও প্ৰতিব্ৰতা এইগৰাকী নাৰীৰ আত্মকথাই আমাক সাংসাৰিক জীৱনৰ বহু জ্ঞানগৰ্ভ শিক্ষাৰ লগতে বিবাহিত জীৱনত সুখ-শান্তিৰ এটা উৎকৃষ্ট পথ দেখুৱাই থৈ গৈছে। কিন্তু পৰিতাপৰ কথা আজিৰ ভোগবাদী সমাজ ব্যৱস্থাত দ্রৌপদীৰ জীৱন আৰু দৰ্শন উঠি অহা প্ৰজন্মৰ মাজত প্ৰাসংগিকতাৰে তুলি



ধৰিব নোৱাৰাৰ বাবেই বৈবাহিক জীৱনত বহুতে বিচ্ছেদ বেদনাৰ লগতে, ঘৰুৱা অন্তঃকন্দল, দুখ-দুৰ্দশা অশান্তি ভোগ কৰিবলগীয়া হয়।

গৃহস্থী জীৱনত স্বামী-স্ত্ৰীৰ মাজত সাধাৰণতে মান-অভিমান, খং ৰাগ, সৰু-সুৰা কাজিয়া পেচাল থাকেই। স্ত্ৰীয়ে স্বামীৰ ওচৰত অভিমান কৰে ঠেহ পাতে। দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসৰ এটা পটভূমি এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ। 'ডাৱৰ আৰু নাই' অসমীয়া সাহিত্য ক্ষেত্ৰখনলৈ যোগেশ দাসৰ এক অনুপম অৱদান। উপন্যাসখনৰ মাজেৰে প্ৰকাশিত হৈছে বাখৰ আৰু অনুপমাৰ জীৱনকেন্দ্ৰিক এটা নিপোটল কাহিনী। অনুপমা বাখৰক লৈ সুখীয়েই আছিল। মধ্যবিত্ত বাখৰে নিষ্ঠা আৰু সততাৰে শিক্ষকতা কৰি পোৱা টকাকেইটাৰে অনুপমাৰ দৈনন্দিন সকলো প্ৰয়োজনেই পূৰণ কৰিব পাৰিছিল। অনুপমাৰ চৰিত্ৰৰ মাজেৰে লিখকে এগৰাকী নাৰীৰ চিন্তা-চেতনা, আশা-আকাঙ্খ্যাক সুন্দৰভাৱে উপস্থাপন কৰিছে। সততাৰ পথেৰে চলা বাখৰৰ ওচৰত অনুপমাৰ কোনো অভিযোগ নাই। এদিন এগৰাকী বান্ধৱীৰ ঘৰত এদিন ফুৰিবলৈ গৈ অনুপমাই তাহাঁতৰ জাকজমকতাৰ জীৱন দেখি মনে মনে কিছু দুখ অনুভৱ কৰে। বান্ধৱীৰ গিৰিয়েকে যুদ্ধৰ সময়ত ঠিকা-ঠুকুলি কৰি বৈধ, অবৈধভাৱে মিলিটেৰীক বিভিন্ন সামগ্ৰী যোগান ধৰি বহু অৰ্থৰ গৰাকী হৈছিল। বাখৰৰ ক্ষুদ্ৰ দৰমহাৰ টকাকেইটাৰে এটা সাধাৰণ জীৱন যাপন কৰিবলগীয়া হোৱাত অনুপমাই ভিতৰি ভিতৰি এটা যন্ত্ৰণা অনুভৱ কৰিবলৈ লয়। বান্ধৱীৰ ইম্পৰ্টেড ফাৰ্নিচাৰ, প্ৰকাণ্ড অট্টালিকা সদৃশ ঘৰ, ভোগৰ সামগ্ৰীৰে উভৈনদী জাকজমকতাপূৰ্ণ জীৱনে অনুপমাৰ মনৰ মাজতো তেনে এটা জীৱনৰ হাবিয়াস জাগি উঠে। বাখৰৰ মাজত তেওঁ তেনে এটা জীৱন আশা কৰিব নোৱাৰে। অনুপমাৰ মানসিক পৰিবৰ্তন বাখৰৰ চকুত ধৰা পাৰিছিল। বাখৰক তাই জানে, হিয়া উজাৰি ভাল পায়। তথাপি অনুপমাই নিজৰ ভিতৰৰ মানুহজনীক বুজাব পৰা নাছিল। এদিন দুৰ্বল মূহুৰ্তত ক'ব নোৱাৰাকৈ তাইৰ দুচকুৰে দুটোপাল চকুলো নিগৰি আহে। তাইৰ চকুত চকু পানী দেখি বাখৰে সুধিছিল তাইৰ মানসিক পৰিবৰ্তনৰ কথা। অনুপমায়ো অতি কৌশলেৰে নিজৰ মানসিক অৱস্থাটো লুকুৱাই ৰাখি বাখৰক কয় — "বহুদিন ঘৰলৈ যোৱা নাই। আইলৈ বৰকৈ মনত পৰিছে।" নিজৰ প্ৰেমাস্পদক আঘাত দিব নোখোজা নাৰীৰ ই এক সহজাত গুণ। দ্রৌপদীৰ কথা আৰু কৰ্মৰ মাজতো অনুপমাৰ এই চাৰিত্ৰিক বৈশিষ্ট্য আমি দেখিবলৈ পাওঁ। পাশা খেলত সৰ্বস্বান্ত হৈ ৰাজ্য, ধন-সম্পদ সকলো হেৰুৱাই বনবাসী হ'বলগীয়া হোৱাটো এগৰাকী নাৰীৰ বাবে অসহনীয় কথা। স্বামীৰ দুৰ্ভাগ্যক তাই নিজৰো দুৰ্ভাগ্য বুলি মানি লৈ স্বামীসকলক এনে কাৰ্যৰ বাবে কৰ্কথনা কৰাৰ পৰা বিৰত আছিল।

দুৰ্যোধনৰ আমন্ত্ৰণ ৰক্ষা কৰি শকুনিৰ সৈতে যুধিষ্ঠিৰৰ পাশাখেলত বহাটো এটা মৰাত্মক ভুল আছিল। দ্রৌপদীয়ে জানিছিল যুধিষ্ঠিৰৰ পাশা খেলৰ প্ৰতি থকা দুৰ্বলতাৰ কথা। পাশা খেলত সৰ্বস্বান্ত হোৱাৰ বাবে দ্রৌপদীয়ে কোনো অভিযোগ কৰা নাছিল কিন্তু ৰাজ সভাত সকলোৰে আগত কৰা অপমানৰ কথা এবাৰলৈও পাহৰা নাছিল। পঞ্চ পাণ্ডৱৰ প্ৰতি সেয়ে ভিতৰি ভিতৰি তেওঁৰ এটা

পঞ্জীভূত ক্ষোভ বেদনা আৰু অভিমান বুকুত কঢ়িয়াই লৈ ফুৰিছিল। পাণ্ডৱসকল কাম্যক বনত থাকোতে তেওঁলোকৰ খবৰ ল'বলৈ এবাৰ শ্ৰীকৃষ্ণৰ সৈতে দ্ৰৌপদীৰ ককায়েক ধৃষ্টদ্যুম্ন, চেদিৰাজ ধৃষ্টকেতু আৰু অন্যান্য ভালেমান মিতিৰ-কুটুম আহি উপস্থিত হয়। তেওঁলোকক লগ পাই পাণ্ডৱসকলৰ অতদিনে হেঁচি থোৱা শোকৰ অনুভূতিবোৰ উথলি উঠে। দ্ৰৌপদীয়ে নিজকে সংবৰণ কৰি ৰাখিব নোৱাৰিলে। তেওঁৰ চকু পানী ওলাল। শোক-সন্তাপ হৃদয়েৰে তেওঁ শ্ৰীকৃষ্ণলৈ চাই উচুপি উচুপি ক'বলৈ ধৰে, "হে হৃষীকেশ, মহৰ্ষি ব্যাসৰ মুখত শুনিছো আপুনি দেৱতাসকলৰো দেৱতা। আপুনি সৰ্বভূতৰ ঈশ্বৰ বুলিয়েই জানো। অত্যন্ত আপোনজন বুলিয়েই মোৰ দুখৰ কথা আপোনাৰ আগত ব্যক্ত কৰিছো। মই পাণ্ডৱৰ ভাৰ্যা, আপোনাৰো সখী ধৃষ্টদ্যুম্নৰ ভগ্নী। অতি কম নাৰীয়েই মোৰ দৰে সৌভাগ্যৱতী। অথচ মোৰ ভাগ্যত ইমান দুৰ্দশা ঘটিল কেনেকৈ? বিধুতি অৱস্থাত দুঃশাসনে মোক চুলিত ধৰি ৰাজ সভালৈ চোচৰাই আনিলে। মোৰ পিন্ধনত তেতিয়া মাত্ৰ এখন কাপোৰ। মই লাজত কঁপি আছিলোঁ। মোলৈ চাই পাপী ধৃষ্টবোৰে খলখলাই হাঁহি উঠিছিল। পাণ্ডুৰ পঞ্চ পুত্ৰ, পাঞ্চাল ৰাজ্য আৰু যদু বংশৰ শত শত বীৰ মহাবীৰসকল জীৱিত থাকোতে সিহঁতে কেনেকৈ মোক লিগিৰীৰ দৰে ভোগ কৰাৰ কথা ভাবিবলৈ সাহস পালে। মই জানিব খুজিছো তেওঁলোকৰ ধৰ্ম পত্নীক সেইদৰে লাঞ্ছনা কৰোঁতে পাণ্ডৱসকলে কিদৰে নীৰৱ দৰ্শক হৈ থাকিব পাৰিছিল? স্বামী দুৰ্বল হ'লেও তেওঁৰ ভাৰ্যাক যিকোনো নিৰ্যাতনৰ পৰা ৰক্ষা কৰাটোৱেই ধৰ্ম। পাণ্ডৱসকলে যিকোনো শৰণাগতক নিৰ্যাতনৰ পৰা ৰক্ষা কৰিবলৈ অপ্ৰাণ চেষ্টা কৰে। হে কৃষ্ণ, মই তেওঁলোকৰ ভাৰ্যা হোৱা সত্বেও সেই পাণ্ডৱসকলে মোক কিয় ৰক্ষা নকৰিলে? আপুনিয়েই বা কিয় মোক সহায় নকৰিলে?" ক্ষোভ বেদনা, পঞ্জীভূত দুখ বুকুত কঢ়িয়াই লৈ ফুৰা দ্ৰৌপদীৰ ক্ষত-বিক্ষত হৃদয়ৰ সেইয়া আছিল এক কৰুণ বিননি।

এইখিনিতে ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ অতুলনীয় সৃষ্টি 'অন্তৰীপ' উপন্যাসৰ মেনকা চৰিত্ৰটিৰ প্ৰাসংগিকতা টানি আনিব বিচাৰিছোঁ। চাৰি সন্তানৰ পিতৃ মহীকান্তই যেতিয়া প্ৰথমা পত্নী মেনকাক নজনোৱাকৈ দ্বিতীয় বিবাহ কৰি ৰেণুকাক ঘৰ সোমোৱালেহি সেইদিনাই মেনকাই মহীকান্তৰ সৈতে যোৱা লগাই বহল কৰি লোৱা বিচনাখন দুভাগ কৰি নিজৰখন অন্য এটা ৰুমলৈ স্থানান্তৰ কৰি লয়। মেনকাৰ চৰিত্ৰৰ মাজেৰে এই কথাই প্ৰতীয়মান হয় সততাৰে জীয়াই থাকিব বিচৰা এগৰাকী নাৰীয়ে কোনো ক্ষেত্ৰতে নিজৰ স্বামীক অন্য এগৰাকী নাৰীৰ সৈতে ভাগ-বতৰা কৰি ল'ব নিবিচাৰে। মহীকান্তৰ সৈতে মাত কথা বন্ধ কৰি মেনকাই বাহিৰত শান্ত আৰু মৌন হৈ থাকিলেও ক্ষোভ আৰু বেদনাৰ জুইত দহি পুৰি ভিতৰি ভিতৰি অশান্ত হৈ পৰে। প্ৰতিগৰাকী নাৰীৰ বাবে এয়াই সত্য। জীৱিত অৱস্থাত নিজৰ স্বামীক অন্য এগৰাকী নাৰীৰ ওচৰলৈ যোৱাটো তেওঁলোকৰ আত্মসন্মানত এটা ডাঙৰ আঘাত। দ্ৰৌপদীৰ বাহিৰেও পঞ্চ পাণ্ডৱৰ জীৱনলৈ আন বহুকেইগৰাকী নাৰীৰ আগমন ঘটিছিল। অন্য নাৰীৰ প্ৰতি থকা স্বামীৰ প্ৰেম ভালপোৱা ৰোমাঞ্চে দ্ৰৌপদীক ঈৰ্ষান্বিত কৰা নাছিলনে!?

কোৱা হয় অৰ্জুনৰ প্ৰতি দ্ৰৌপদীৰ আসক্তি আনসকলৰ তুলনাত অলপ বেছি আছিল। দ্ৰৌপদীৰ আচাৰ ব্যৱহাৰ, সেৱাৰ মনোভাৱত স্বামীসকলৰ প্ৰতি থকা প্ৰেম ভালপোৱাৰ এই তাৰতম্য কেতিয়াও প্ৰকাশ পোৱা নাছিল। নিয়ম ভঙ্গৰ অপৰাধত অৰ্জুনে যেতিয়া বাৰ বছৰ বনবাস খাটিবলগীয়া হৈছিল স্বাভাৱিকতে দ্ৰৌপদীৰ হৃদয়খন ব্যথিত হৈ পৰিছিল। বনবাসৰ কালছোৱাত অৰ্জুনে বিভিন্ন তীৰ্থ ভ্ৰমণ কৰি ফুৰিছিল। এবাৰ গঙ্গা স্নানৰ বাবে হৰিদ্বাৰলৈ যাওঁতে নাগকন্যা উলুপী অৰ্জুনৰ প্ৰতি মোহিত হয়। স্নান কৰি থাকোতেই উলুপীয়ে একপ্ৰকাৰে অৰ্জুনক অপহৰণ কৰি নি নাগ ৰাজ্য পোৱালেগৈ আৰু তাতেই উলুপী অৰ্জুনৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। তেওঁলোকৰ ঔৰসত জন্ম হয় এটা পুত্ৰ সন্তান এৰাবন। উলুপী আৰু এৰাবনক নাগ ৰাজ্যতে এৰি থৈ অৰ্জুন মণিপুৰলৈ যায়। মণিপুৰৰ ৰজা চিত্ৰবাসনৰ কন্যা চিত্ৰাঙ্গদাৰ সৈতে অৰ্জুনৰ প্ৰেম হয়, পাছত বিবাহ কৰায়। তেওঁলোকৰ এটা পুত্ৰ সন্তান বভ্ৰুবাহনৰ জন্ম হয়। পত্নী পুত্ৰক চিত্ৰবাসনৰ কাষত থৈ অৰ্জুন এইবাৰ দ্বাৰকালৈ যাত্ৰা কৰে। দ্বাৰকাত থাকোতে অৰ্জুন শ্ৰীকৃষ্ণৰ ভগ্নী সুভদ্ৰাৰ প্ৰতি আকৰ্ষিত হয়, পাছত বিবাহ কৰায়। তেওঁলোকৰ ঔৰসত জন্ম হয় অভিমন্যু। বনবাসৰ কালছোৱাত অৰ্জুনৰ এই প্ৰেম ভালপোৱা বিবাহ নিশ্চয় দ্ৰৌপদীৰ অজ্ঞাতেই হৈছিল। বাৰ বছৰৰ মূৰত যেতিয়া অৰ্জুন দ্ৰৌপদীৰ কাষলৈ ঘূৰি আহিছিল আৰু যেতিয়া গম পাইছিল আন তিনিগৰাকী পত্নী আৰু পুত্ৰৰ কথা, দ্ৰৌপদীৰ প্ৰতিক্ৰিয়া বাৰু কি আছিল!? সাধাৰণ এগৰাকী নাৰী হোৱা হ'লে দ্ৰৌপদীৰ আচৰণ নিশ্চয় মেনকাৰ দৰেই হ'লহেঁতেন।

দ্ৰৌপদী হাজাৰ বছৰীয়া পুৰণি মহাভাৰতৰ এটা চৰিত্ৰ হ'লেও তেওঁৰ জীৱন আৰু আদৰ্শৰ মাজেৰে শিকিবলগীয়া বহু কথা আছে। এটা ঈস্পিত জীৱন বিচাৰি তেওঁ হাঁহাকাৰ কৰা নাই। ভাগ্যৰ বিড়ম্বনাই তেওঁক যি ফালে টানি লৈ গৈছে তাতেই সুখ-শান্তিৰ আলয় গঢ়ি লৈছে। শ্ৰীকৃষ্ণৰ পত্নী সত্যভামাই সেয়ে এবাৰ দ্ৰৌপদীক সুধিছিল — পাঁচজনকৈ স্বামী কোনেও অসন্তোষ নোহোৱাকৈ সুখ-শান্তিৰে সাংসাৰিক জীৱন চলাই নিয়াৰ গোপন ৰহস্য। দ্ৰৌপদীৰ জীৱন কাহিনীয়েই আমাক সহস্ৰ বিপৰ্যয়ৰ মাজতো সুখী জীৱন যাপন কৰাৰ মূলমন্ত্ৰ দি গৈছে। মহাভাৰতৰ সাতাম পুৰুষীয়া সমাজ ব্যৱস্থাৰ সংস্কাৰণ ঘটাই আজিৰ আধুনিক যি সমাজ ব্যৱস্থা গঢ় লৈ উঠিছে তাত বস্তুবাদী চিন্তাই বহুক্ষেত্ৰত মানুহৰ সম্পৰ্ক নিয়ন্ত্ৰিত কৰে। যুৱক-যুৱতী, স্বামী-স্ত্ৰীৰ মাজৰ প্ৰেম ভালপোৱাৰ সম্পৰ্ক সেয়ে আজিৰ দিনত ঠুনুকা হয়। অনুপমা অথবা মেনকা কোনেও সুখী হ'ব নোৱাৰে। সুখী হ'ব নোৱাৰাৰ বাবেই একোখন ঘৰ, একোটা পৰিয়াল থান বান হৈ সমাজত অশান্তিৰ সৃষ্টি কৰে, ব্যভিচাৰৰ জন্ম হয়। আধুনিকতাৰ ক্ষয়িষ্ণু সমাজখনৰ ভোগবাদী চিন্তাধাৰাৰ বিপৰীতে গৈ আজিৰ নৱ প্ৰজন্মৰ বাবে দ্ৰৌপদীৰ জীৱন দৰ্শনৰ প্ৰাসংগিকতা পৰ্যালোচনা কৰাৰ সময় আহি পৰিছে।

■■

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# CONTRIBUTION OF WOMEN IN SCIENCE

**Ankita Bhattacharjee**
B.Sc. 3rd Sem
(Dept. of Chemistry)

*"Feet, what do I need you for*
*When I have wings to fly"*
**— Frida Kahlo**

The history of science is full of accounts of women making significant contributions in uncovering the mysteries of the universe. Women, who with their extraordinary courage, dedication and hard work, have been able to make ground breaking discoveries and inventions that have revolutionized the way we look at science today. From rare accounts dating to as early as 2700 BCE, women such as Merit Ptah, the first recorded women physician, Aganice, the astronomer, Tapputi-Belatekallim, the first recorded chemist to the countless women working in STEM (Science, Technology, Engineering and Mathematics) fields in the present day, the evolution of womankind has been full of hurdles.

One of the most ground breaking achievements of the previous century is the discovery of the Double Helix structure of DNA for which three men, Watson, Crick and Wilkins were awarded the Nobel Prize in 1962. However, the contribution of Rosalind Franklin, 'the dark lady of DNA' whose work 'PHOTO 51' was unethically stolen and used to arrive at this gem of a discovery is rarely mentioned.

It is a well known fact that science and gender equality have not always been the best of friends. Even today, the number of women in science is shockingly low as compared to their male counterparts, and the number keeps on decreasing as the bar is raised higher. In a male dominated society, women's involvement in the academic forefront has been full of hurdles and immense sexism. Societal and familial pressures along with widespread discrimination have tried to hold back half of humanity from progressing. This has successfully hindered the growth of humanity for the larger part of the scientific revolution. However, inspite of all difficulties, strong, resilient women from around the world have always found ways to smash through the glass ceiling imposed by society. Franklin, for instance, went on to work with viruses, the results of which research, form the basis of modern virology.

One of the most famous and honoured women in science is Marie Curie, the first lady to ever win a Nobel Prize in physics for her work on radioactive decay. She then went on to win another Nobel Prize in chemistry, thus, becoming the first person to receive the award twice. As of 2019, eighteen wonderful women have been awarded the Nobel Prize in physics, chemistry, physiology or medicine since Marie Curie. In 2018, an American physicist named Donna Strickland bagged the Nobel Prize in Physics for her studies on LASER. Other noteworthy women nobel laureates in science are Irene Joliot Curie, Maria Goeppert Mayer, Dorothy Crawfoot Hodgkin, Barbara McClintok, etc.

